অধ্যায় ৯ ঃ আদর্শ- উদাৰতাবাদ, মার্ক্সবাদ আৰু আদর্শৰ বিতর্কৰ অৱসান

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ আদর্শ

- ৯.৩.১ আদর্শৰ প্রকাৰ
- ৯.৩.২ বিশ্বৰ প্রধান বা মুখ্য আদর্শসমূহ
- ৯.৩.৩ আন্তর্জাতিক ৰাজনীতিত আদর্শৰ প্রভাৱ
- ৯.৩.৪ ৰাষ্ট্রীয় স্বার্থ আৰু আদর্শ

৯.৪ আদর্শৰ গুৰুত্ব হ্রাস আৰু আদর্শৰ বিতর্কৰ অৱসান

- ৯.৪.১ আদর্শৰ গুৰুত্ব হ্রাস
- ৯.৪.২ আদর্শৰ বিতর্কৰ অৱসান

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আদর্শৰ শ্রেণীবিভাজনসমূহ আৰু বিশ্বৰ কেইটামান গুৰুত্বপূর্ণ আদর্শৰ সম্পর্কে আলোচনা কৰিব পাৰিব
- আন্তঃৰাষ্ট্রীয় ৰাজনীতিত আদর্শৰ প্রভাৱ আৰু ৰাষ্ট্রীয় স্বার্থৰ লগত ইয়াৰ সম্পর্কৰ বিষয়ে আলোচনা কৰিব পাৰিব
- আদর্শৰ গুৰুত্ব হ্রাস হোৱাৰ কাৰণসমূহ আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

সমসাময়িক বিশ্ব ৰাজনীতিক অইনৰ পৰা পৃথক কৰা বৈশিষ্ট্য এটা হ'ল গণবিশ্বাসৰ কেন্দ্রীয় ভূমিকা আৰু ৰাষ্ট্রৰ কাম-কাজত নিহিত হৈ থকা জনপ্রিয় ধাৰণাবোৰ। যুদ্ধ মধ্যৱর্তী কালছোৱাত (১৯১৯ চনৰ পৰা ১৯৩৯ চনলৈ), অর্থাৎ, প্রথম বিশ্বযুদ্ধৰ সামৰণিৰ পৰা দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণিলৈ ৰাজনীতি বিজ্ঞানীৰ লেখনী তথা বিশ্বৰ বিভিন্ন অংশত ঘটা ৰাজনৈতিক প্রক্রিয়াত অতিকৈ জনপ্রিয় হৈ পৰা অভিধাটো আছিল 'আদর্শ'। প্রতিখন ৰাষ্ট্রৰ আভ্যন্তৰীণ দলীয় ৰাজনীতি

তথা একাধিক ৰাষ্ট্ৰৰ মাজৰ সম্বন্ধ নিৰূপণত আদর্শগত নীতি আৰু বিচাৰ-বিবেচনাই নির্ণায়কৰ ভূমিকা লৈছিল। অৱশ্যে বিগত দশকবোৰৰ আদর্শগত বিতর্কবোৰ বর্তমান লুপ্তপ্রায় হৈছে আৰু দেশবোৰৰ মাজত, বিশেষকৈ উন্নত পশ্চিমীয়া গণতন্ত্রবোৰত আদর্শমূলক জোঁট মর্চ্চা গঠনৰ সহমত বৃদ্ধি পাইছে। ইয়াৰ লগে লগে 'আদর্শ বিতর্কৰ অৱসান' নামেৰে আন এক নতুন তত্ত্বৰ উত্থান ঘটিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু তাৰ পৰৱর্তী কালত ইউৰোপৰ বহুতো প্রখ্যাত পণ্ডিতে এই তত্ত্বৰ পোষকতা কৰিছে। এই অধ্যায়ত আমি আদর্শৰ ধাৰণা, আদর্শৰ গুৰুত্ব হ্রাস আৰু 'আদর্শৰ বিতর্কৰ অৱসান'ৰ বিষয়ে আলোচনা কৰিম।

৯.৩ আদর্শ

আদর্শ হ'ল কোনো এটা বিষয়ৰ ওপৰত থকা এক নির্দিষ্ট দৃষ্টিভংগী। আদর্শ হ'ল কোনো এটা নির্দিষ্ট দিশৰ পৰা চোৱা এক চিন্তা-ধাৰা। আদর্শই নৈতিকতাৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা তত্ত্বক বুজায়, আৰু লগতে এই লক্ষ্যত উপনীত হ'বলৈ ব্যৱহাৰ কৰা কার্যপন্থা সূচায়। সাধাৰণতে কোনো এখন ৰাষ্ট্ৰৰ বৈদেশিক নীতিৰ মেৰুদণ্ড নির্ভৰ কৰে সেই দেশৰ আদর্শগত মতবাদ আৰু ইয়াৰ প্রভাৱশালী কার্যকৰীকৰণৰ ওপৰত।

৯.৩.১ আদর্শৰ প্রকাৰ

মৰগেনথোৱে আদর্শক তিনিটা ভাগত ভাগ কৰিছে। সেয়া হ'ল—

- **স্থিতাৱস্থাৰ আদর্শ** (Ideologies of status quo)— যেতিয়া এখন ৰাষ্ট্ৰই প্রচলিত ৰাজনৈতিক ব্যৱস্থাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে আদর্শ গ্রহণ কৰে, তেতিয়াই তাক স্থিতাৱস্থাৰ আদর্শ বুলি জনা যায়। যিবিলাক ৰাষ্ট্ৰই স্থিতাৱস্থাৰ আদর্শক সুৰক্ষিত কৰিব বিচাৰে সেইবিলাক ৰাষ্ট্ৰই আন্তঃৰাষ্ট্রীয় শান্তি স্থাপন কৰি সকলো প্রকাৰৰ সাম্রাজ্যবাদৰ বিৰোধিতা কৰে। তেওঁলোকে বিশ্বশান্তি ব্যাহত নহ'বলৈ সামূহিক নিৰাপত্তা আৰু পৰস্পৰ সহযোগিতাৰ ওপৰত গুৰুত্ব দিয়ে। যিবিলাক ৰাষ্ট্ৰই এনে আদর্শক বিশ্বাস কৰে তেওঁলোকে ক্ষুদ্র ক্ষুদ্র ৰাষ্ট্ৰসমূহৰ স্বার্থৰ প্রতি গুৰুত্ব দিয়ে, যাতে স্থিতাৱস্থাৰ পৰিস্থিতি পৰিবর্তন নহয়। যিবিলাক ৰাষ্ট্ৰই শক্তিৰ সহায়ত আন ৰাষ্ট্ৰৰ ভূখণ্ড অধিগ্রহণ কৰিব বিচাৰে, তেনে ৰাষ্ট্ৰই নিজৰ স্বার্থৰ বাবে স্থিতাৱস্থাৰ আদর্শৰ বিৰোধিতা কৰে।
- **সম্প্রসাৰণবাদী আদর্শ**— সাম্রাজ্যবাদী আদর্শৰ সমর্থক আৰু স্থিতাৱস্থাৰ তত্ত্বৰ বিৰোধিতা কৰাসকলে আন্তঃৰাষ্ট্রীয় ব্যৱস্থাত ক্ষমতাৰ পুনৰ বিতৰণ কৰি ক্ষমতাৰ আহৰণৰ অহৰহ চেষ্টা কৰে। তেওঁলোকে নিজৰ স্বার্থক সুৰক্ষিত কৰাৰ বাবে স্থিতাৱস্থাৰ পৰিস্থিতিক ব্যাহত কৰে, আৰু আন্তঃৰাষ্ট্রীয় বিধিবিধানৰ প্রতি অনীহা প্রকাশ কৰে। এডলফ হিটলাৰ এই তত্ত্বটোৰ ঘোৰ সমর্থক আছিল। তেওঁ স্থিতাৱস্থাৰ পৰিস্থিতিৰ সৃষ্টিকাৰী, ভার্চাই চুক্তিৰ ঘোৰ বিৰোধিতা কৰিছিল।
- **অনিশ্চিত আদর্শ**— এনে আদর্শৰ সমর্থকসকলৰ নিজৰ ৰাষ্ট্ৰৰ অৱস্থান সম্পর্কে

নিশ্চিত ধাৰণা নাই। এনে আদর্শ হৈছে অনিশ্চিত আদর্শ। ইয়াৰ সকলোতকৈ ভাল উদাহৰণ হৈছে প্রথম বিশ্বযুদ্ধৰ পিচত আমেৰিকাৰ ৰাষ্ট্রপতি উইলছনে আগবঢ়োৱা আত্মনিয়ন্ত্রণৰ নীতিসমূহ। এই আদর্শই এহাতে অষ্ট্রিয়া, হাংগেৰীৰ সাম্রাজ্যক ভাগ কৰি দুখন নতুন ৰাষ্ট্রৰ সৃষ্টি কৰিছিল, আৰু সেই একে নীতিৰ অজুহাততে হিটলাৰে অষ্ট্রিয়া আৰু ছেকোশ্লাভাকিয়াৰ অংশ জার্মান সাম্রাজ্যৰ দখলত আনিছিল।

৯.৩.২ বিশ্বৰ প্রধান বা মুখ্য আদর্শসমূহ

- **উদাৰতাবাদ**— উদাৰতাবাদক বিশ্বত শান্তি আৰু স্বাধীনতা প্রতিষ্ঠাৰ এক আদর্শ হিচাপে চিহ্নিত কৰা হয়। এইটো এটা পুৰণি আদর্শ আৰু ১৭ শতিকাতে ই জনপ্রিয় হৈছিল। পশ্চিমীয়া সামাজিক, ধার্মিক, অর্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাতে ইয়াৰ জন্ম হৈছিল। এই মতবাদ অনুসৰি ব্যক্তিৰ স্থান সকলোতকৈ ওপৰত আৰু ব্যক্তিৰ অন্তর্নিহিত ক্ষমতা বা দক্ষতা বিকশিত কৰাটোৱে আটাইতকৈ গুৰুত্বপূর্ণ। সেইবাবে এই তত্ত্বটোৱে মুক্ত প্রতিযোগিতা আৰু ব্যক্তিৰ কল্যাণ সাধন কৰাৰ ওপৰতে আটাইতকৈ বেছি গুৰুত্ব দিছিল। যেতিয়া এই আদর্শটো আন্তঃৰাষ্ট্রীয় ক্ষেত্রত ভৰি দিছিল, তেতিয়া ই শান্তি, বন্ধুত্ব, স্বাধীনতা, সহযোগিতা, ন্যায় ইত্যাদিৰ ওপৰত গুৰুত্ব দিছিল। এই আদর্শৰ পৃষ্ঠপোষকসকলে অ-হস্তক্ষেপ নীতি, শান্তিপূর্ণ সহাৱস্থান ইত্যাদিৰ নীতিক সমর্থন জনাইছে।
- **সর্বাত্মকবাদ**— এই আদর্শ উদাৰতাবাদৰ ঠিক বিপৰীত। এই আদর্শ অনুসৰি ৰাষ্ট্রৰ স্থান ব্যক্তিতকৈ বহুত ওপৰত। এই মতবাদে শাসক আৰু শাসিতৰ মাজত ব্যৱধানৰ সৃষ্টি কৰে। এই মতবাদে ব্যক্তিৰ মত প্রকাশৰ অধিকাৰ, সংস্থা গঠনৰ অধিকাৰক মানৱ কল্যাণৰ আহিলা হিচাপে স্বীকাৰ নকৰে, তাৰ পৰিবর্তে তেওঁলোকে কয় যে একমাত্র ৰাষ্ট্রইহে ব্যক্তিৰ কল্যাণ সাধন কৰিব পাৰে। ব্যক্তি ৰাষ্ট্রৰ তলতীয়া। এই আদর্শই এদলীয় চৰকাৰ, বিস্তাৰবাদ, ৰাষ্ট্রৰ চৰম ক্ষমতা, বিবাদ নিষ্পত্তিৰ কাৰণে যুদ্ধক একমাত্র আহিলা হিচাপে বিশ্বাস কৰা ইত্যাদিৰ ওপৰত গুৰুত্ব প্রদান কৰে। কেইটামান সর্বাত্মক আদর্শ হ'ল ফেচীবাদ আৰু নাজীবাদ। **বেনিট মিছলীনী**য়ে ইটালীত ফেচীবাদৰ প্রসাৰ কৰিছিল। তেওঁলোকৰ মতে কিছুমান বিশেষ মানৱীয় গুণ থকা ব্যক্তি বা ব্যক্তিগোষ্ঠীৰ হাততহে শাসনৰ ক্ষমতা থকা উচিত। অঞ্চলসমূহৰ বিস্তাৰৰ কাৰণে আৰু আন্তঃৰাষ্ট্রীয় বিবাদ নিষ্পত্তিৰ বাবে যুদ্ধৰ সহায় লোৱাটো অতিকৈ প্রয়োজন। ঠিক একেদৰে **এডলফ হিটলাৰৰ** নাজিবাদেও একেৰোৰ নীতিকে সমর্থন জনাইছিল, আৰু কোনো জাতিৰ উচ্চাত্মিকতাক সমর্থন দিছিল।
- **সাম্যবাদ**— সাম্যবাদ হ'ল আন এক আদর্শ, যিয়ে ব্যক্তিৰ স্বাধীন আৰু মর্যাদাসম্পন্ন জীৱনৰ পৃষ্ঠপোষকতা কৰিছিল আৰু মানুহে মানুহৰ ওপৰত কৰা শোষণৰ বিৰোধিতা কৰিছিল। তেওঁলোকে ৰাষ্ট্রক এটি শ্রেণী সংগঠন হিচাপে অভিহিত কৰিছিল, এই ৰাষ্ট্রযন্ত্রৰ দ্বাৰা এক শ্রেণীৰ মানুহে বিশেষকৈ পুঁজিবাদী শ্রেণীটোৱে সর্বহাৰা দৰিদ্র



বেনিট মিছলীনী (২৯ জুলাই ১৮৮৩-২৮ এপ্রিল ১৯৪৫) ঃ তেওঁ নেচনেল ফেচিচ দলৰ নেতৃত্ব গ্রহণ কৰিছিল আৰু তেওঁ ইটালীৰ এজন একনায়ক আছিল।

এডলফ হিটলাৰ (২০ এপ্রিল, ১৮৮৯-৩০ এপ্রিল, ১৯৪৫) ঃ তেওঁ জার্মানীৰ নেচনেল ছ'চিয়েলিষ্ট জার্মান ৱর্কাৰ পার্টীৰ নেতা আছিল আৰু এই দলটো নাজী দল হিচাপেও জনা যায়।

শ্রেণীটোৰ ওপৰত শাসন আৰু শোষণ চলাইছিল। সাম্যবাদে সর্বহাৰাৰ বিপ্লৱৰ জৰিয়তে পুঁজিবাদী ৰাষ্ট্ৰ মষিমূৰ কৰি তাৰ ঠাইত সমাজবাদী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব বিচাৰে, য'ত উৎপাদনৰ সকলো আহিলা ৰাষ্ট্ৰৰ হাতত থাকিব আৰু তেনে ৰাষ্ট্ৰক সর্বহাৰা শ্রেণীটোৱে নিয়ন্ত্ৰণ কৰিব। ইয়াকে সর্বহাৰাৰ একনায়কত্ববাদ বুলি কোৱা হয়। ইয়াৰ ক্ৰমান্বয়ে সমাজবাদী ৰাষ্ট্ৰৰো অৱসান ঘটিব, আৰু এনে এক ব্যৱস্থাৰ সৃষ্টি হ'ব, য'ত সাম্যবাদ প্ৰতিষ্ঠাৰ বাবে এক শ্রেণীহীন আৰু ৰাষ্ট্ৰহীন সমাজৰ সৃষ্টি হ'ব। সাম্যবাদীসকলে মন্তব্য কৰে যে বর্তমানৰ ৰাষ্ট্ৰীয় আৰু আন্তর্জাতিক পর্যায়ত পুঁজিবাদে নিজৰ প্ৰাসংগিকতা হেৰুৱাইছে।

৯.৩.৩ আন্তর্জাতিক ৰাজনীতিত আদর্শৰ প্ৰভাৱ

আদর্শই আন্তর্জাতিক ৰাজনীতিত কিমানদূৰ প্ৰভাৱ পেলায় সেইক্ষেত্ৰত ৰাজনীতি বিজ্ঞানীসকলে একমত হ'ব পৰা নাই। একচাম দার্শনিকে অনুভৱ কৰে যে আদর্শৰ গাঢ় প্ৰভাৱ আছে আৰু আন কিছুমান পণ্ডিতে মন্তব্য কৰে যে ইয়াৰ কোনো উল্লেখনীয় প্ৰভাৱ নাই। অৱশ্যে আমি আন্তর্জাতিক ৰাজনীতিত আদর্শৰ প্ৰভাৱক নুই কৰিব নোৱাৰো। যেনে— বিশ্ব যুদ্ধৰ মাজৰ কালছোৱাত (১৯১৮-১৯৩৯), (প্ৰথম মহাসমৰৰ অন্ত আৰু দ্বিতীয় মহাসমৰৰ আৰম্ভণিৰ মাজৰ সময়ছোৱা) ইটালীত ফেচীবাদে আৰু জার্মানীত নাজীবাদে দেশসমূহৰ বৈদেশিক নীতি নির্ধাৰণত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল আৰু অন্য ৰাষ্ট্ৰৰ লগত সম্পর্কতো ইয়াৰ প্ৰভাৱ পৰিছে। আধুনিক সময়তো আদর্শই দেশসমূহৰ বৈদেশিক নীতি নির্ধাৰণত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। আদর্শই কোনো এখন দেশৰ ৰাষ্ট্ৰীয় নীতি ন্যায়সংগত আৰু যুক্তিসংগত বুলি যুক্তি দর্শায়। আদর্শই দুইধৰণৰ ভূমিকা পালন কৰে— বিৰুদ্ধাচৰণ কৰা আৰু সহযোগ কৰা। যেনেকৈ একেধৰণৰ আদর্শই ৰাষ্ট্ৰসমূহক একত্ৰিত কৰে, তেনেকৈ বিপৰীত আদর্শই ৰাষ্ট্ৰসমূহক বিভক্ত কৰে।

৯.৩.৪ ৰাষ্ট্ৰীয় স্বার্থ আৰু আদর্শ

ৰাষ্ট্ৰীয় স্বার্থ আৰু আদর্শৰ মাজত নিবিড় সম্পর্ক আছে। ইটোৱে সিটোক প্ৰভাৱিত কৰে। ইতিহাস এনেধৰণৰ উদাহৰণেৰে ভৰি আছে, য'ত আদর্শই ৰাষ্ট্ৰীয় স্বার্থক প্ৰভাৱিত কৰিছিল। যেনে— গ্ৰেট ব্ৰিটেইনে, ভাৰতবর্ষক মানৱীয়তাৰ আৰু সভ্যতাৰ ভেঁটিত যেতিয়া নিজৰ সাম্ৰাজ্যত চামিল কৰিছিল, তেতিয়া তেওঁলোকৰ প্ৰকৃত স্বার্থ আছিল অর্থনৈতিক শোষণ পৰিপূর্ণ কৰা। সংযোজিত কৰাটো সাম্ৰাজ্যবাদী প্ৰক্ৰিয়াৰে এক উদাহৰণস্বৰূপ। অৱশ্যে এই উদ্দেশ্য পূৰণৰ বাবে তেওঁলোকে মানৱীয়তাবাদৰ আদর্শক সন্মুখত ৰাখিছিল। ঠিক তেনেধৰণে আমেৰিকায়ো ইউৰোপৰ ৰাজনীতিত দখল দিছিল, যেতিয়া তেওঁলোকে সাম্যবাদৰ গ্ৰাসৰ পৰা গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহক ৰক্ষা কৰিব বিচাৰিছিল। এইদৰে ক'ব পাৰি

যে আদর্শ আৰু ৰাষ্ট্রীয় স্বার্থ, ইটোৱে সিটোক প্রভাৱিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আদর্শই বৈদেশিক নীতি নির্ধাৰণ আৰু কায্যকৰীকৰণক বাৰুকৈয়ে প্রভাৱিত কৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ২ ঃ মর্গেনথিউৱে আদর্শক কি কি তিনিটা শ্রেণীবিভাগত ভাগ কৰিছে?

.....

.....

.....

প্রশ্ন নং ৩ ঃ উদাৰতাবাদক ..... আৰু ..... আদর্শ হিচাপেও জনা যায়। (খালী ঠাই পূৰ কৰক)

.....

.....

প্রশ্ন নং ৪ ঃ আন্তঃৰাষ্ট্রীয় ৰাজনীতিত আদর্শৰ প্রভাৱ সম্পর্কে লিখক। (৫০টাশব্দৰ ভিতৰত)।

.....

.....

.....

৯.৪ আদর্শৰ গুৰুত্ব হ্রাস আৰু আদর্শৰ বিতর্কৰ অৱসান

৯.৪.১ আদর্শৰ গুৰুত্ব হ্রাস

"আদর্শৰ গুৰুত্ব হ্রাস" তত্ত্বৰ বিশ্লেষকসকলে ক'ব খোজে যে উত্তৰ ঔদ্যোগিক সমাজ (Post Industrial Society)ৰ উত্থানকালত দেখা দিয়া বিজ্ঞান আৰু প্রযুক্তিৰ দ্রুত বর্দ্ধমান গুৰুত্বই মতাদর্শৰ পতনৰ সূচনা কৰিলে। এই সমাজখন আর্থিকভাবে পৰিপুষ্ট হোৱাৰ পলত বাঢ়ি অহা সমৃদ্ধি আৰু সুখবোধে সামাজিক অসন্তুষ্টি আতৰ কৰিলে। মার্কিন ৰাজনীতি বিজ্ঞানী *ফ্রান্সিচ্ ফুকুয়ামা* (Francis Fukuyama)ৰ 'ইতিহাসৰ অৱসান' (end of history) সূত্রৰ বক্তব্যই এইটোকে বুজাব বিচাৰে যে পূর্ব্বৰ সংযুক্ত চোভিয়েট গণৰাজ্য (USSR) খণ্ড-বিখণ্ড হোৱাৰ লগে লগে শীতল যুদ্ধৰ অন্ত পৰিল আৰু ইয়েই বিশ্বত পশ্চিমীয়া উদাৰতাবাদী আদর্শৰ বিজয় প্রতিপন্ন কৰিলে।



ফ্রেন্সিচ ফুকুয়ামা ঃ আমেৰিকাৰ এজন আগশাৰীৰ দার্শনিক আৰু ৰাজনৈতিক অর্থনীতিবিদ।

"আদর্শৰ গুৰুত্ব হ্রাস" তত্ত্বৰ সমর্থকসকলে বিশ্বাস কৰে যে মানৱ সংক্রান্ত সকলো বিষয়তে

মতাদর্শৰ প্রভাৱ চিৰস্থায়ী। তাকে হ'লেও তেওঁলোকে এইটোও কয় যে 'আদর্শৰ গুৰুত্ব হ্রাস' তত্ত্বৰ সত্যতা কেতবোৰ বিশেষ চর্ত সাপেক্ষ। এই চর্তবিলাক ইতিমধ্যেই পশ্চিমীয়া ঔদ্যোগিক সমাজত পূর্ণতা প্রাপ্ত হৈছে আৰু বিশ্বৰ অনান্য প্রান্তৰত কেইখনমান বিকশিত ৰাষ্ট্রয়ো সেই পথতেই গতি লৈছে। কিন্তু বিকাশশীল বিশ্বত ইয়াৰ প্রভাৱ এতিয়াও পৰাগৈ নাই। ইয়াৰে দুটা চর্ত বিশেষভাৱে প্রণিধানযোগ্য ঃ (ক) ফেছীবাদ, নাজীবাদ আৰু জাতি বিভাজনবাদী আদর্শৰ আপেক্ষিক দুর্যশ (discredits) আৰু (খ) শীতল যুদ্ধোত্তৰ বিশ্বৰ জনমানসত যুদ্ধৰ প্রতি বাঢ়ি অহা অনীহা বিশেষকৈ যুদ্ধক ৰাষ্ট্রীয় নীতিৰ আহিলা গণ্য কৰা অশুভ ধাৰণাৰ প্রতি মোহভংগতা।

তাতোকৈ মনকৰিবলগীয়া কথাটো হ'ল বিৰুদ্ধ মতাদর্শী দেশসমূহৰ মাজতো ক্রমবর্দ্ধমান সহযোগিতাই ইয়াকে প্রমাণ কৰে যে সাম্প্রতিক বিশ্বত আদর্শৰ প্রাসংগিতা ভালেখিনি মোলান পৰিলে। আজিৰ বিশ্বত আদর্শৰ বান্ধোন আগৰ দৰে কটকটীয়া হৈ থকা নাই। যাই কি নহওক 'আদর্শৰ গুৰুত্ব হ্রাস' তত্ত্বৰ যথার্থতা এতিয়াও সমালোচনা মুক্ত হোৱা নাই সেয়ে ইয়াৰ সত্যাসত্যতাক একচাম পণ্ডিতে সন্দেহ কৰে। পাচাত্য জগতত আদর্শৰ এতিয়াও পতন হোৱা বুলি কব নোৱাৰি। পৰিব্যাপ্ত দৰিদ্র আৰু জাতিবিদ্বেষ, লগতে নব্য বামপন্থা আৰু মতবদ্ধ ৰক্ষণশীলতাৰ সমান্তৰাল উত্থানে তাকেই সূচনা কৰে। এইটোও কোৱা হয় যে আন্তর্জাতিক ৰাজনীতিৰ বৈদেশিক আৰু সামৰিক নীতি নির্দ্ধাৰণ কৰোতে ভিন্ ভিন্ মতাদর্শৰ সহায় লোৱা হয়। সেইদৰেই বিভিন্ন ৰাষ্ট্রৰ পাৰস্পৰিক সম্পর্ক আৰু সংহতি স্থাপনৰ ক্ষেত্রতো আদর্শ ভিত্তিক বুজাপৰাৰ প্রয়োজন অপৰিহার্য।

৯.৪.২ আদর্শৰ বিতর্কৰ অৱসান

দুশ বছৰতকৈও আধিক কাল যোৱা বিশ্ব ইতিহাসৰ এটা প্রধান উপাদান হৈছে আদর্শ। আদর্শৰ ধাৰণাই যদিও পোন প্রথমেই পশ্চিমৰ উদ্যোগীকৰণৰ সময়তে গঢ় লৈছিল, পৰৱর্ত্তীকালত কিন্তু ই সমগ্র বিশ্বতেই পৰিচিত হৈ পৰিল। সামাজিক ৰূপান্তৰ আৰু ৰাজনৈতিক বিকাশ প্রক্রিয়াত আদর্শৰ ঘনিষ্ঠ সম্পর্ক তেনেই স্পষ্ট। কিন্তু মানৱ ইতিহাসত আদর্শৰ ভূমিকা সম্পর্কে মতাভিন্নতা নুই কৰিব নোৱাৰি।

দ্বিতীয় মহাযুদ্ধৰ পৰৱর্ত্তীকালীন বিশ্বৰ সমাজ বিজ্ঞানত সংঘটিত প্রধান বিতর্কবোৰৰ ভিতৰত 'আদর্শৰ অৱসান' বিতর্কই অন্যতম। "আদর্শৰ অৱসান" ধাৰণাটোৱে এনেকুৱা এটা ইংগিত দিয়ে যে উদ্যোগ প্রধান উন্নত দেশ বিলাকত আদর্শগত মতবিভেদসমূহ ক্রমান্বয়ে আঁতৰি গৈ সদ্যহতে কেৱল ঐক্যমতেৰেহে সামাজিক আৰু অর্থনৈতিক লক্ষ্য সমূহ সাধিত কৰা হৈছে। কিছু সংখ্যক মার্কিন সমাজ বিজ্ঞানী, যেনে— এডৱার্ড্ শিচলচ্ (Edward Shills), ডেনিয়েল বেল (Daniel Bell), চেমুৰ মার্টিন লিপচেত্ (Seymour Martin Lipset) আৰু ৰে'মণ আৰণ্ (Raymond Aron)এ ঘোষণা

কৰিছিল যে দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্ত্তী সময়তে আদর্শৰ অৱসান ঘটিছে। চেমুৰ মার্টিন লিপচেতে তেওঁৰ ১৯৫৯ চনত প্ৰকাশ পোৱা "Political Man" নামৰ গ্ৰন্থত আৰু ***ডেনিয়েল বেলে*** তেওঁৰ ১৯৬০ চনত প্ৰকাশিত "The End of Ideology : On The Exhanstion of Political Ideas in The Fifties" নামৰ গ্ৰন্থত "আদর্শৰ অৱসান" তত্ত্বকেই সজোৰে সমর্থন জনাইছে। বিগত শতিকাৰ পঞ্চাশ আৰু ষাঠিৰ দশকতে এই ধাৰণাটোৱে জনপ্ৰিয়তা অর্জন কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ সপক্ষে ১৯৬০ চনতে অতি লেখত ল'বলগীয়া মন্তব্য প্ৰদান কৰে মার্কিন শিক্ষাবিদ আৰু ৰচনাকাৰ ডেনিয়েল বেলে তেওঁৰ গ্ৰন্থ "The End of Ideology : On The Exhanstion of Political Ideas in The Fifties" বেলে এনেকুৱা এটা ধাৰণাৰ আভাষ দিলে যে ঊনবিংশ আৰু কুৰি শতিকাৰ আৰম্ভণি পর্যন্ত প্ৰচলিত থকা পুৰণা মানৱধৰ্ম্মী আদর্শসমূহ সদ্যহতে দুর্ব্বল হৈ আহি প্ৰায় অচল অৱস্থাত পৰিণত হৈছেহি। গতিকে সেইবিলাকৰ ঠাইত এতিয়া কিছুমান নতুন আৰু সংকীর্ণ চৰিত্ৰৰ আদর্শ উদ্ভাৱন হ'ব। তেওঁ আৰু প্ৰমাণ কৰিব বিচাৰিলে যে পাচাত্যৰ গণতন্ত্ৰসমূহত সিদ্ধ হোৱা উদাৰ গণতান্ত্ৰিক ঐক্যমতে সেই দেশবিলাকত সকলো আদর্শগত ভেদাভেদ নির্মূল কৰি পেলালে।



ডেনিয়েল বেল ঃ
আমেৰিকাৰ হার্ভার্ড বিশ্ববিদ্যালয়ৰ প্ৰফেছাৰ আৰু এজন সমাজতত্ত্ববিদ ।

ডেনিয়েল বেলৰ মতে পশ্চিমীয়া ৰাষ্ট্ৰসমূহত বুদ্ধিজীৱীসকলে একাধিক ৰাজনৈতিক সিদ্ধান্তৰ সন্দর্ভত মোটামুটি ভাৱে ঐক্যমত পোষণ কৰিবলৈ সক্ষম হৈছে। এনে কেটবোৰ সিদ্ধান্ত হৈছে— কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণা, ক্ষমতাৰ বাঞ্ছনীয় বিকেন্দ্ৰীকৰণ, মিশ্ৰ অর্থনীতি আৰু ৰাজনৈতিক বহুত্ববাদ (Political Pluralism)। সেই অর্থত, "আদর্শৰ যুগ" শেষ হোৱা যেনেই অনুভৱ হয়।

পৰৱৰ্ত্তী সময়ত পশ্চিম ইউৰোপীয় লেখকসকলেও "আদর্শৰ অৱসান" তত্ত্বতেই হয়ভৰ দিয়া দেখা গ'ল। সেই একেই ধাৰণাৰ সমার্থক অন্য দুটা প্ৰচলিত পৰিভাষা আছিল "তত্ত্ব মুক্তিকৰণ" (deideologisation) আৰু "আদর্শ যুগৰ কানিমুনিবেলা" (The twilight of the era of ideology)। সমগোত্ৰীয় আন কেতবোৰ ধাৰণা, যেনে— "উত্তৰ পুঁজিবাদী যুগ" (Post-Capitism era), "বিকাশৰ বিভিন্ন স্তৰ সূত্ৰ" (Stages of growth theory), "উত্তৰ ঔদ্যোগিক সমাজ" (Post industrial Society) তথা পুঁজিবাদ আৰু সাম্যবাদৰ অভিসৰণ (Convergence) ইত্যাদি কাৰণত "আদর্শৰ অৱসান" তত্ত্বই অধিকতৰ আস্থা লাভ কৰিবলৈ সক্ষম হৈছিল।

সেয়ে হ'লেও বেলে এইটোও বিশ্বাস কৰিছিল যে পশ্চিম জগতত অতীতৰ আদর্শমূলক সিদ্ধান্ত বিলাককলৈ বা সেই সম্পর্কীয় বৌদ্ধিক বিতর্কৰ পৰম্পৰা ক্ৰমাত নিস্তেজ হৈ আহিলেও উন্নয়নশীল দেশসমূহৰ সামাজিক আৰু অর্থনৈতিক বিকাশৰ প্ৰচেষ্টাত তেতিয়াও আদর্শই প্ৰধান চালিকা শক্তি হৈ আছিল। এছিয়া আৰু আফ্ৰিকা মহাদেশত ন ন আদর্শই গা কৰি উঠিছিল। এই দুই মহাদেশৰ বিকাশমান দেশবিলাকে নিজ নিজ জনতাক উদ্বুদ্ধ কৰিব পৰা বিধৰ নতুন আদর্শ গঢ় দি লৈছিল। উন্নশীল দেশবোৰৰ

আদর্শকেন্দ্রীক বিবাদৰ মূল কাৰক আছিল প্রখৰ গোষ্ঠীচেতনা আৰু জাতীয়তাবোধ বা স্বাদেশিকতা। (source- http://socsci.uci.edu/-rdalton/archive/jjps06.pdf)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ "'আদর্শৰ অৱসান" তত্ত্বৰ সপক্ষে ডেনিয়েল বেলে লিখা কিতাপখনৰ নাম লিখক ।

.....

প্রশ্ন নং ৬ ঃ আদর্শৰ অৱসান ৰ বাবে দায়ী দুটা প্রধান কাৰণ উল্লেখ কৰক।

.....

.....

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রতিখন ৰাষ্ট্রই নিজ নিজ জাতীয় স্বার্থৰ উপযোগী লক্ষ্যসমূহ সাধনৰ অর্থে আদর্শ অৱলম্বন কৰে। বৈদেশিক নীতি নির্দ্ধাৰণতো আদর্শৰ ভূমিকা অতি গুৰুত্বপূর্ণ।
- আন্তঃৰাষ্ট্রীয় ৰাজনীতিত বিভিন্ন ৰাষ্ট্রই আদর্শৰ ভিত্তিতে নিজৰ অনুকৰণীয় নীতি বিধান প্রস্তুত কৰে, ব্যাখ্যা কৰে আৰু নায্যতা প্রদান কৰে।
- প্রতিখন ৰাষ্ট্রই নিজ নিজ আদর্শৰ আধাৰতে নিজৰ নীতি-বিধানৰ নায্যতা সাব্যস্ত কৰাৰ উপৰিও অন্য ৰাষ্ট্রৰ বিশেষকৈ প্রতিদ্বন্দ্বীৰ ৰাষ্ট্রনীতিক সমালোচনা বা নস্যাত কৰাও দেখা যায়।
- আন্তর্জাতিক ৰাজনীতিতেই হওক বা আন্তর্জাতিক সম্পর্ক স্থাপন ব্যৱস্থাতেই হওক এখন ৰাষ্ট্রৰ আচাৰ-সংহিতা নিৰূপণ প্রক্রিয়াত আদর্শৰ ভূমিকা বিশেষ গুৰুত্বপূর্ণ। বৈদেশিক নীতি প্রস্তুতকৰণ আৰু ৰূপায়ণতো আদর্শৰ প্রভাৰ অনস্বীকার্য।
- হেনছ জে মৰগেনথিউৰে আদর্শক তিনিটা ভাগত ভাগ কৰিছে। সেইবোৰ হ'ল স্থিতাৱস্থাৰ আদর্শ, সম্প্রসাৰণবাদী আদর্শ আৰু অনিশ্চিত আদর্শ। বিশ্বৰ মুখ্য আদর্শসমূহ হ'ল — উদাৰতাবাদ, সর্বাত্মকবাদ আৰু সাম্যবাদ।
- 'আদর্শৰ অৱসান' তত্ত্বৰ ব্যক্তব্য অনুসৰি উত্তৰ ঔদ্যোগীক সমাজৰ উত্থান আৰু বিজ্ঞান প্রযুক্তি বিদ্যাৰ বর্দ্ধমান সমাদৰেই আদর্শৰ অৱসানৰ প্রধান কাৰক। তাৰোপৰি ক্রমবর্দ্ধমান অর্থনৈতিক স্বচ্ছলতা আৰু জীৱন কুশলতাৰ অনুকুল প্রভাৱত সামাজিক অসন্তুষ্টিও প্রায় শাম কাটিল।
- মার্কিন ৰাজনীতি বিজ্ঞানী ফ্রান্সিচ্ ফুকয়ামা (Francis Fukuyama)ৰ মতে পূর্বৰ চোভিয়েট

গণৰাজ্য খণ্ড-বিখণ্ড হোৱাৰ ফলত বিশ্বৰ পৰা শীতল যুদ্ধ ছাঁয়া আতৰি গৈ পশ্চিমীয়া উদাৰতাবাদী আদর্শ আৰু উদাৰ গণতন্ত্রৰ বিজয় সূচনা কৰিলে। ইয়াকে তেওঁ "ইতিহাসৰ অৱসান" বুলিও অভিহিত কৰিছে।

- আদর্শৰ অৱসানৰ বিভিন্ন কাৰণ সমূহৰ দুটা বিশেষভাবে তাৎপর্যপূর্ণ। সেইয়া হ'ল (ক) ফেচীবাদ, নাজীবাদ, জাতিবিদ্বেষ নীতিৰ আপেক্ষিক গ্লানি আৰু (খ) শীতল যুদ্ধোত্তৰ কালত যুদ্ধক ৰাষ্ট্রনীতিৰ উপাদান জ্ঞান কৰাৰ প্রৱণতাৰ প্রতি গা-কৰি উঠা গভীৰ মোহভঙ্গতা।
- তাৰোপৰি সমকালীন বিশ্বত পৰিপন্থী মতাদর্শ বিশ্বাসী দেশসমূহৰ মাজত বৃদ্ধি পোৱা পাৰস্পৰিক সহযোগিতাই আদর্শৰ প্রাসংগিকতাৰ ওপৰতো প্রশ্ন তুলিলে। গতিকে সমকালীন বিশ্বত আদর্শৰ প্রভাৱ পূর্ব্বৰ দৰে কটকটীয়া হৈ নাথাকিল।
- "আদর্শৰ অৱসান" তত্ত্বৰ ব্যৱহাৰিক বাস্তৱতাৰ তীব্র সমালোচনাও নোহোৱাকৈ নাথাকিল। পশ্চিম জগতত তেতিয়াও বর্ত্তী থকা ব্যাপক দৰিদ্রতা আৰু জাতিবিদ্বেষৰ লগতে নব্য বাম পন্থা আৰু কষ্টৰ ৰক্ষণশীল ভাৱাদর্শৰ উত্থানে প্রমাণ কৰিলে যে "আদর্শৰ অৱসান " তত্ত্বৰ যথার্থতা সন্দেহমুক্ত নহয়।
- আন্তর্জাতিক ৰাজনীতিৰ পৰিবেশত এখন ৰাষ্ট্রৰ বৈদেশিক তথা সামৰিক নীতিত ভিন্ন ভিন্ন মতাদর্শভিত্তিক উপাদানৰ প্রয়োগৰ প্রসংগও বিতর্কৰ বিষয়। গতিকে বিভিন্ন ৰাষ্ট্রই পাৰস্পাৰিক সংযোগ সংস্থাপনৰ ক্ষেত্রতো নিজ নিজ আদর্শ অনুসৰণ নীতিকেই অব্যাহত ৰখাটোকে সমীচীন জ্ঞান কৰে।



৯.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্র, নায়ক, অধ্যাপক প্রতুল চন্দ্র আৰু পাটগিৰি, ড° ৰুবুল। (২০১২)। *স্নাতক মহলাৰ আন্তর্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

২) চক্রৱর্তী, দিলীপ কুমাৰ। (২০০৫)। *আন্তর্জাতিক আইন আৰু কূটনীতি।* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

1. Asirvatham, Eddy and K.K. Misra (2003). *Political Theory*. New Delhi: S. Chand & Company Ltd.
2. Chander, Prakash, & Arora, Prem. (2015). *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.
3. Ghosh, Peu (2013). *International Relations*. New Delhi: PHI Learning Pvt. Ltd.

4. Heywood, Andrew (2003). *Political Ideologies-An Introduction*. New York: Palgrave Macmillan.
5. Johari, J.C. (1982). *Comparative Politics*. New Delhi: Sterling Publishers Pvt. Ltd.
6. Malhotra , Vinay Kumar (2006). *International Relations*.New Delhi:Anmol Publications Pvt.Ltd.
7. Singhal, S.C. (2006). *International Politics*. Agra: Lakshmi Narain Agarwal Publication.

৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ(ক) স্থিতাৱস্থাৰ আদর্শ (খ) সম্প্রসাৰণবাদী আদর্শ (গ) অনিশ্চিত আদর্শ।

৩ নং প্রশ্নৰ উত্তৰ ঃ স্বাধীনতা আৰু বিশ্ব শান্তি

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রতিখন ৰাষ্ট্রই নিজ নিজ জাতীয় স্বার্থৰ উপযোগী লক্ষ্যসমূহ সাধনৰ অর্থে আদর্শ অৱলম্বন কৰে। বৈদেশিক নীতি নির্দ্ধাৰণতো আদর্শৰ ভূমিকা অতি গুৰুত্বপূর্ণ। আন্তঃৰাষ্ট্রীয় ৰাজনীতিত বিভিন্ন ৰাষ্ট্রই আদর্শৰ ভিত্তিতে নিজৰ অনুকৰণীয় নীতি বিধান প্রস্তুত কৰে, ব্যাখ্যা কৰে আৰু নায্যতা প্রদান কৰে। প্রতিখন ৰাষ্ট্রই নিজ নিজ আদর্শৰ আধাৰতে নিজৰ নীতি-বিধানৰ নায্যতা সাব্যস্ত কৰাৰ উপৰিও অন্য ৰাষ্ট্রৰ বিশেষকৈ প্রতিদ্বন্দ্বীৰ ৰাষ্ট্রনীতিক সমালোচনা বা নস্যাত কৰাও দেখা যায়। আন্তর্জাতিক ৰাজনীতিতেই হওক বা আন্তর্জাতিক সম্পর্ক স্থাপন ব্যৱস্থাতেই হওক এখন ৰাষ্ট্রৰ আচাৰ-সংহিতা নিৰূপণ প্রক্রিয়াত আদর্শৰ ভূমিকা বিশেষ গুৰুত্বপূর্ণ। বৈদেশিক নীতি প্রস্তুতকৰণ আৰু ৰূপায়ণতো আদর্শৰ প্রভাৱ অনস্বীকার্য। আন্তর্জাতিক ৰাজনীতিত আদর্শ হ'ল সংঘাত আৰু সহযোগিতাৰ উৎস ।

৫ নং প্রশ্নৰ উত্তৰ ঃ The End of Ideology : On The Exhanstion of Political Ideas in The Fifties

৬ নং প্রশ্নৰ উত্তৰ ঃ

(ক) ফেচীবাদ, নাজীবাদ, জাতিবিদ্বেষ আদি আদর্শৰ আপেক্ষিক অপযশ।

(খ) শীতল যুদ্ধৰ অৱসানৰ পিছত যুদ্ধক ৰাষ্ট্রনীতিৰ উপাদান হিচাপে ব্যৱহাৰ কৰা ভাৱাদর্শৰ প্রতি গভীৰ মোহভঙ্গতা।



৯.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ আন্তর্জাতিক ক্ষেত্রত স্বাধীনতা আৰু ন্যায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা আদর্শ কোনটো?

প্রশ্ন ২ঃ "ইতিহাসৰ অৱসান"ৰ বিষয়ে কোনে উল্লেখ কৰিছিল?

প্রশ্ন ৩ঃ "আদর্শৰ অৱসান"ৰ তত্ত্বৰ প্রতিস্থাপন কৰা দুজন মার্কিন সমাজ বিজ্ঞানীৰ নাম লিখক।

(খ) চুটি প্রশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ মর্গেনথিউৱে আগবঢ়োৱা আদর্শৰ শ্রেণীবিভাজন ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ আন্তর্জাতিক ৰাজনীতিত আদর্শৰ ভূমিকাৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৩ঃ আন্তর্জাতিক ৰাজনীতিত আদর্শৰ প্রভাৱ পৰীক্ষা কৰক। সাম্যবাদ আদর্শৰ বিষয়ে চমুকৈ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ আদর্শৰ সংজ্ঞা দিয়ক। বিশ্বৰ মূল আদর্শসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ দ্বিতীয় বিশ্বযুদ্ধৰ উত্তৰ কালত আদর্শৰ অৱসান সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ঃ "আদর্শৰ অৱসান" বিতর্ক সম্বন্ধে আলোচনা কৰক।

* * * * *

অধ্যায় ১০ ঃ কূটনীতি

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ কূটনীতিৰ বিকাশ আৰু বৈশিষ্ট্য

১০.৩.১ কূটনীতিৰ উৎপত্তি আৰু বিকাশ

১০.৩.২ কূটনীতিৰ বৈশিষ্ট্য

১০.৪ কূটনীতিৰ শ্রেণীবিভাজন

১০.৪.১ প্রাচীন কূটনীতি

১০.৪.২ নতুন বা আধুনিক কূটনীতি

১০.৪.৩ প্রাচীন বনাম নতুন কূটনীতি

১০.৫ ৰাষ্ট্রদূতৰ কার্যাৱলী

১০.৬ কূটনীতিৰ গুৰুত্ব হ্রাস

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্রগতিৰ খতিয়ান

১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কূটনীতিৰ বিকাশ সম্পর্কে আলোচনা কৰিব পাৰিব
- কূটনীতিৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰিব পাৰিব
- কূটনীতিৰ শ্রেণীবিভাজন আলোচনা কৰিব পাৰিব
- প্রাচীন আৰু আধুনিক কূটনীতিৰ মাজৰ তুলনামূলক আলোচনা আগবঢ়াব পাৰিব
- কূটনীতিৰ গুৰুত্ব হ্রাস পোৱাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

আন্তঃৰাষ্ট্রীয় ৰাজনীতিত বিশ্বৰ দেশসমূহৰ মাজত সম্পর্কৰ বিষয়ে অধ্যয়ন কৰা হয়। কূটনীতিৰ সহায়েৰে বিশ্বৰ এই দেশসমূহৰ মাজৰ সম্পর্কৰ বিষয়ে জানিব পৰা যায় আৰু সম্পর্ক স্থাপন কৰিব পৰা যায়। কূটনীতি হ'ল এক মাধ্যম যাৰ জৰিয়তে ৰাষ্ট্রসমূহৰ সম্পর্ক বিনিময় হয়। আন কথাত ক'বলৈ হ'লে কূটনীতিৰ জৰিয়তে আন্তঃৰাষ্ট্রীয় সম্পর্ক স্থাপন আৰু নিয়ন্ত্রণ কৰা হয়। এই অধ্যায়টিত আমি আন্তঃৰাষ্ট্রীয় ৰাজনীতিৰ এটা গুৰুত্বপূর্ণ দিশ হিচাপে কূটনীতিৰ বিষয়ে আলোচনা কৰিম ।

১০.৩ কূটনীতিৰ বিকাশ আৰু বৈশিষ্ট্য

১০.৩.১ কূটনীতিৰ উৎপত্তি আৰু বিকাশ

প্ৰাচীন গ্ৰীচৰ নগৰ ৰাষ্ট্ৰসমূহতে কূটনীতিয়ে জন্ম লাভ কৰে। কিন্তু ইয়াতকৈয়ো আগতে আন কিছুমান ঠাইতো চালুকীয়া পৰ্যায়ত কূটনীতিৰ প্ৰচলন হৈছিল। **হেৰল্ড নিকলচনে** তেওঁৰ গ্ৰন্থ 'The Evolution of Diplomacy'ত কূটনীতিৰ ক্ৰমবিকাশ সম্পৰ্কে ব্যাখ্যা দাঙি ধৰিছিল। তেওঁ প্ৰাচীন দলবদ্ধ মানুহে আন চুবুৰীয়া দলববদ্ধ মানুহৰ লগত চিকাৰৰ ভূমিকা লৈ হোৱা বুজাবুজিৰ বিষয়ে উল্লেখ কৰিছে। তেওঁলোকে অতি সহজেই বুজি উঠিছিল যে যিকোনো পক্ষৰে দূতক হত্যা কৰিলে মধ্যস্থতা গঢ়ি উঠিব নোৱাৰে। খ্ৰীষ্টপূৰ্ব পাঁচ শতিকাৰ আগেয়ে নগৰৰাষ্ট্ৰসমূহ কিছুমান নীতিৰ দ্বাৰা পৰিচালিত হৈছিল। আধুনিক কূটনৈতিক ব্যৱস্থাৰ ভেঁটি এই নীতিসমূহতে লুকাই আছিল।

ছাৰ হেৰল্ড নিকলচন (২১ নৱেম্বৰ, ১৮৮৬ - ১ মে', ১৯৬৮) ঃ তেওঁ এজন ইংৰাজ কূটনীতিজ্ঞ আৰু লেখক আছিল।

কূটনৈতিক ক্ষেত্ৰত ৰোমানসকলৰ অৱদান উল্লেখযোগ্য নাছিল। কিন্তু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক স্থাপন কৰাত তেওঁলোকৰ ভূমিকা উল্লেখযোগ্য আছিল। পূব ৰোমান সাম্ৰাজ্যৰ কূটনৈতিক পদ্ধতিসমূহ অধিক গ্ৰহণযোগ্যতাৰে আৰম্ভ হৈছিল। ইয়াত প্ৰতিনিধিসকলে কিছুমান দক্ষ ৰাজনীতিবিদ নিয়োগ কৰিছিল আৰু তেওঁলোক দূৰদৃষ্টি, লক্ষ্য, প্ৰতিবেদন জ্ঞাপন আৰু প্ৰতিনিধিত্ব কৰাৰ ক্ষেত্ৰত দক্ষ আছিল। মধ্যযুগত (৬০০ খ্ৰীষ্টাব্দৰ পৰা পোন্ধৰ শতিকাৰ শেষ ভাগলৈকে) কূটনীতিয়ে দলিল বা নথি-পত্ৰৰ অধ্যয়নৰ বাবেহে গুৰুত্ব দিছিল। আন্তঃৰাষ্ট্ৰীয় বুজাপৰাৰ ক্ষেত্ৰত ইয়াৰ কোনো বৰঙণি নাছিল। মুধ্যযুগৰ মাজভাগত ইটালীত আধুনিক কূটনীতিয়ে জন্মগ্ৰহণ কৰিছিল। ইয়াৰ সৰ্বপ্ৰথম লিখিত উদাহৰণ পোৱা যায় ১৪৫৫ চনৰ জেনেভাৰ মিলানৰ ডিউকৰ পৰা। ইয়াৰ পিছৰ শতিকাত ইটালিৰ নগৰৰাষ্ট্ৰসমূহে লণ্ডন, পেৰিচ আৰু পবিত্ৰ ৰোমান সাম্ৰাজ্যত নিজৰ নিজৰ স্থায়ী ৰাষ্ট্ৰদূত প্ৰেৰণ কৰা দেখা গৈছিল। এই পৰ্যায়ত কূটনীতিয়ে এক সন্তোষজনক মানদণ্ড স্থাপন কৰিব পৰা নাছিল। ইয়াৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য আছিল বিদেশত থকা লোকসকলৰ স্বাৰ্থ পূৰণ কৰা।

সাত শতিকাত কূটনীতিৰ ধাৰণাত বহুতো পৰিবৰ্তন আহে। কূটনীতিক এক বৃত্তি হিচাপে গ্ৰহণ কৰা হয় আৰু এখন দেশে সিখন দেশৰ লগত সম্পৰ্ক স্থাপন কৰাত বিশেষকৈ ১৬৪৮ চনৰ ৱেষ্ট ফেলিয়াৰ সন্ধি স্বাক্ষৰ হোৱাৰ পিচত ইউৰোপৰ ডাঙৰ ডাঙৰ ৰাষ্ট্ৰসমূহ লগ হৈ ইখনে সিখন দেশৰ ভৌগোলিক ভূখণ্ডক স্বীকৃতি দিয়ে আৰু ইয়াৰ ফলতে জাতীয় ৰাষ্ট্ৰীয় ব্যৱস্থাৰ সৃষ্টি হয়। এইখিনি সময়তে কূটনীতিয়ে এখ উল্লেখযোগ্য আহিলা ৰূপে গঢ় লৈ উঠে। বিভিন্ন ৰাষ্ট্ৰৰ কূটনীতিবিদসকল ফ্ৰান্সৰ ৰজা চতুৰ্দশ লুইচৰ সভাত মিলিত হয়। ১৮ শতিকাৰ কূটনীতিয়ে সোণালি যুগত ভৰি থয়। ১৮ শতিকাত হোৱা উদ্যোগিক বিপ্লৱ, আমেৰিকাৰ স্বাধীনতাৰ বিপ্লৱ আৰু ফৰাচী বিপ্লৱৰ মূল্যবোধ

আদিয়ে এক নতুন ধৰণৰ কূটনীতিৰ জন্ম দিয়ে। এইখিনি সময়তে শাসন প্ৰক্ৰিয়াত জনমতৰ গুৰুত্ব বৃদ্ধি পায় আহে। অধিক গণতান্ত্ৰিক ব্যৱস্থাই কূটনীতিবিদসকলৰ কামৰ পৰিসৰ বঢ়াই দিয়ে আৰু জটিল কৰি তোলে। এই সময়ছোৱাত কূটনীতিয়ে এক সন্মানজনক মানদণ্ড আৰু গ্ৰহণযোগ্যতা লাভ কৰে। এইক্ষেত্ৰত ভিয়েনাৰ কংগ্ৰেছৰ ভূমিকা মন কৰিবলগীয়া। সেই সময়ত কংগ্ৰেছত নিৰ্ধাৰিত নীতি-নিয়মসমূহ আজিও অনুকৰণ কৰা হয়। অধিক্ৰম নীতি অনুসৰি তেতিয়াৰ কংগ্ৰেছত ঘাইকৈ চাৰিধৰণৰ কূটনীতিবিদৰ বিষয়ে উল্লেখ কৰা হৈছিল। সেয়া হ'ল— ৰাষ্ট্ৰদূত, পোপৰ প্ৰতিনিধি, বিশেষ ৰাষ্ট্ৰদূত, ৰাষ্ট্ৰৰ প্ৰধানক প্ৰতিনিধিত্ব কৰাৰ সম্পূৰ্ণ কৰ্তৃত্ব থকা এজন কূটনৈতিক প্ৰতিনিধি (Ministers Plenipotentiary) আৰু Charge d'affairs (ৰাষ্ট্ৰ দূতালয়ত মুৰব্বীৰ অনুপস্থিতিত কোনো কূটনীতিবিদে ব্যৱহাৰ কৰা উপাধি)।

১৮ শতিকাত প্ৰচলিত কূটনীতি প্ৰাচীন বা পৰম্পৰাগত কূটনীতি বুলি জনা যায়। কিন্তু ১৯ শতিকাৰ আৰম্ভণিৰ লগে লগে কূটনীতিয়ে এক আধুনিক ৰূপ পায়। আধুনিক কূটনীতিক নতুন পদ্ধতি, নতুন বিষয়া আৰু কূটনীতিৰ নতুন প্ৰকৃতিৰ পৰিচয় সাধন কৰা হয়। এই পদ্ধতিসমূহ বিভিন্নধৰণৰ আন্তঃৰাষ্ট্ৰীয় সন্ধি বা চুক্তিত উল্লেখ কৰা হয়। হেৰল্ড নিকলচনে ১৯ আৰু ২০ শতিকাত কূটনৈতিক তত্ত্বত প্ৰভাৱ পেলোৱা তিনিধৰণৰ বিকাশৰ কথা আলোচনা কৰে। সেইবোৰ হ'ল—

(ক) ৰাষ্ট্ৰসমূহৰ সামূহিক সজাগতা

(খ) জনমতৰ গুৰুত্ব বৃদ্ধি

(গ) প্ৰচাৰ মাধ্যমসমূহৰ উন্নতি।

বৰ্তমানৰ কূটনীতিক নতুন কূটনীতি বুলিও কোৱা হয়। বৰ্তমানে কূটনীতিবিদসকেল ঘাইকৈ তেওঁলোকে প্ৰতিনিধিত্ব কৰা চৰকাৰৰ নিৰ্দেশ অনুসৰি কাৰ্যনিৰ্বাহ কৰে। তেওঁলোকে নিজৰ ইচ্ছা অনুসৰি আন ৰাষ্ট্ৰৰ লগত কূটনীতি সম্পৰ্ক পৰিচালনা কৰিব নোৱাৰে। এই ক্ষেত্ৰত তেওঁলোকৰ ক্ষমতা কম। বৰ্তমান যুগত বিভিন্ন সন্মিলনৰ জৰিয়তে কূটনীতিয়ে জনপ্ৰিয়তা লাভ কৰা দেখা গৈছে।

১০.৩.২ কূটনীতিৰ বৈশিষ্ট্য

কূটনীতি অৰ্থনৈতিক নহয়, এইটো কোনো মিছা প্ৰচাৰকাৰ্য চলোৱা বা আনক ঠগোৱাৰ কলাও নহয়। এইটো হ'ল বিভিন্ন সম্পৰ্ক স্থাপন কৰা এক আহিলা মাথোন। কূটনীতিৰ সহায়ত ৰাষ্ট্ৰসমূহৰ মাজত সম্পৰ্ক স্থাপন কৰিব পৰা যায়। কূটনীতিৰ কেইটামান মূল বৈশিষ্ট্য এনেধৰণৰ—

- কূটনীতি হ'ল ৰাষ্ট্ৰসমূহৰ মাজত সম্পৰ্ক সৃষ্টিকাৰী একধৰণৰ চৰকাৰী আহিলা। এইক্ষেত্ৰত কূটনৈতিক বিষয়াসকলে কেতবোৰ কৰ্তব্য পালন কৰিবলগীয়া হয়,

সেয়া হ'ল ৰাষ্ট্রদূত প্রেৰণ, বাণিজ্যিক দূত প্রেৰণ, বিভিন্ন দেশত দূতাবাস আৰু বাণিজ্য দূতাবাস স্থাপন। ইয়াৰ বাবে তেওঁলোকে এক নির্দিষ্ট নীতি-নিয়ম প্রতিষ্ঠা কৰে আৰু মানি চলে।

- কূটনীতি সাধাৰণতে দুই পক্ষীয়। কিন্তু আন্তঃৰাষ্ট্রীয় সম্মিলন আন্তঃৰাষ্ট্রীয় সংগঠন, আঞ্চলিক মধ্যস্থতা আদিয়ে বর্তমান ইয়াক বহুপক্ষীয় হিচাপে প্রতিষ্ঠা কৰিছে।
- কূটনীতিয়ে বর্তমান যুদ্ধ আৰু শান্তিৰ দৰে সাধাৰণ বিষয়ৰ ওপৰত গুৰুত্ব দিয়াৰ উপৰি অন্যান্য বিষয়সমূহ সাঙুৰি লৈ ইয়াৰ পৰিসৰ বা পৰিধিৰ প্রসাৰ ঘটাইছে। কূটনীতিয়ে যুদ্ধৰ উপৰি আন বিভিন্ন সমস্যাৰো সমাধান উলিয়াইছে। বিভিন্ন পণ্ডিতে কোৱাৰ নিচিনা কূটনীতিয়ে কেৱল শান্তিৰ সময়তহে ভূমিকা পালন কৰে যুদ্ধৰ সময়ত নহয়; এয়া সঁচা নহয়। আনকি যুদ্ধ চলি থকা সময়তো ইয়াৰ ভূমিকা গুৰুত্বপূর্ণ হয়। অৱশ্যে এই সময়ত শান্তিৰ কূটনীতি যুদ্ধৰ কূটনীতিলৈ পৰিবর্তিত হয়।
- কূটনীতি ফলপ্রসূ হ'বলৈ ৰাষ্ট্রসমূহৰ মাজত কিছু পৰিমাণে সহযোগিতা থকাটো আৱশ্যক। কাৰণ ইয়াৰ অবিহণে কূটনৈতিক সম্পর্ক স্থাপন কৰিব পৰা নাযায়।
- কূটনীতিৰ সহায়ত ৰাষ্ট্রসমূহে বৈদেশিক নীতিৰ জৰিয়তে ৰাষ্ট্রীয় স্বার্থৰ লক্ষ্যত উপনীত হ'ব বিচাৰে। কূটনীতিয়ে সদায় নিজৰ ৰাষ্ট্রখনৰ স্বার্থক প্রতিনিধিত্ব কৰে। এখন ৰাষ্ট্রৰ কূটনৈতিক সম্পর্কৰ সফলতা ৰাষ্ট্রখনৰ ৰাষ্ট্রীয় স্বার্থৰ উদ্দেশ্যসমূহ পূৰণেৰে নির্ধাৰণ কৰা হয়।
- কূটনীতি আৰু ৰাষ্ট্রীয় ক্ষমতা ইটো সিটোৰ লগত জড়িত। এখন ৰাষ্ট্রৰ ৰাষ্ট্রীয় ক্ষমতা যিমান শক্তিশালী সেই দেশৰ কূটনৈতিক সম্পর্ক সিমানেই শক্তিশালী হয়।
- আন্তঃৰাষ্ট্রীয় ৰাজনীতিত প্রৰোচনা আৰু প্রভাৱৰ জৰিয়তে ক্ষমতাৰ ব্যৱহাৰ কৰা হয়। কূটনীতিয়ে কেতিয়াও শক্তি বা হিংসাৰ আশ্রয় ল'ব নোৱাৰে। ভাবুকি দিয়া, নির্দিষ্ট সময় ধার্য কৰি দিয়া, পুৰস্কাৰ প্রদানৰ লোভ দেখুওৱা আৰু শাস্তিৰ ব্যৱহাৰ কৰা ইত্যাদিয়ে হ'ল কূটানতিক কৌশল। অৱশ্যে কূটনীতিয়ে প্রত্যক্ষভাৱে ইয়াতকৈ অধিক শক্তি প্রদর্শন কৰিব নোৱাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মধ্যযুগত কূটনীতিয়ে পুৰণি দলিল বা নথিপত্রৰ অধ্যয়নৰ বাবেহে গুৰুত্ব দিছিল। আন্তঃৰাষ্ট্রীয় বুজাপৰাৰ ক্ষেত্রত ইয়াৰ কোনো বিশেষ বৰঙণি নাছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ২ ঃ হেৰল্ড নিকলচনে কূটনীতিৰ তত্ত্বত আৰু ব্যৱস্থাত প্রভাৱ পেলোৱা কোনে তিনিধৰণৰ বিকাশৰ বিষয়ে আলোচনা কৰিছিল?

.....

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ ১৮ শতিকাত প্রচলিত হোৱা কূটনীতিক ..... কূটনীতি বুলি জনা যায়। (খালী ঠাই পূৰ কৰক)

.....

প্রশ্ন নং ৪ ঃ কূটনীতিৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

.....

১০.৪ কূটনীতিৰ শ্রেণীবিভাজন

কূটনীতিক ঘাইকৈ দুটা ভাগত ভাগ কৰা হয়— প্রাচীন কূটনীতি আৰু আধুনিক বা নতুন কূটনীতি। এই দুয়ো প্রকাৰৰে নিজা নিজা বৈশিষ্ট্য আছে। ১৬৪৮ চনত স্বাক্ষৰিত হোৱা ৱেষ্ট ফেলিয়াৰ শান্তি চুক্তিতে কূটনীতিৰ উৎপত্তি হয়। ১৯ শতিকাৰ শেষ ভাগলৈকে প্রাচীন কূটনীতি প্রচলিত হৈ আছিল। কিন্তু ভিয়েনাৰ কংগ্রেছৰ সময়ত প্রযুক্তিবিদ্যা, সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক বিকাশৰ পিচতেই কূটনীতিয়ে এখ নতুন ৰূপ লাভ কৰে আৰু আধুনিক কূটনীতিৰ জন্ম হয়।

১০.৪.১ প্রাচীন কূটনীতি

প্রাচীন কূটনীতিৰ ক্ষেত্রত তিনিধৰণৰ আর্হি দেখিবলৈ পোৱা যায়। যেনে— ইটালী, ফ্রান্স আৰু জার্মান আর্হি। কিন্তু প্রকৃততে ফ্রান্সৰ আর্হিকে সাধাৰণতে প্রাচীন আর্হি হিচাপে জনা যায়। ৰিছেলিউ (Richelieu) হ'ল প্রাচীন কূটনীতিৰ জন্মদাতা। এই আর্হিসমূহ ঘাইকে ১৭ শতিকাৰ পৰা ১৯ শতিকালৈ ইউৰোপৰ দেশসমূহত প্রচলিত হৈ আছিল। প্রাচীন কূটনীতিৰ দোষ-গুণ দুয়োটাই দেখিবলৈ পোৱা যায়।

➢ **প্রাচীন কূটনীতিৰ বৈশিষ্ট্যসমূহ ঃ**

- প্রাচীন কূটনীতি সাধাৰণতে ইউৰোপৰ ৰাষ্ট্রসমূহতে দেখা পোৱা গৈছিল। সেয়েহে ৰাজনীতি বিজ্ঞানীসকলে ইয়াক ইউৰোপীয় কূটনীতি বুলি অভিহিত কৰিছিল। ইংলেণ্ড, ফ্রান্স, প্রুছিয়া, অষ্ট্রিয়া আৰু স্পেইনতে এনেধৰণৰ কূটনীতিৰ প্রচলন আছিল। এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ দেশসমূহত প্রাচীন কূটনীতিৰ প্রচলন নাছিল। কাৰণ সেই সময়ত এইবোৰ উপনিবেশহে আছিল। আনকি ১৮৯৭ চনলৈকে আমেৰিকাও ইয়াৰ পৰা দূৰত আছিল। সেয়েহে এনে কূটনীতি ইউৰোপীয় ৰাষ্ট্রসমূহত প্রচলিত আছিল।
- প্রাচীন কূটনীতিৰ মতে বিশ্ব শান্তি ৰক্ষা কৰাত বৃহৎ শক্তিসমূহৰ ভূমিকা অধিক।
- সৰু আৰু দৰিদ্র দুখীয়া ৰাষ্ট্রসমূহে এইক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব নোৱাৰে। সেই ৰাষ্ট্রসমূহে ডাঙৰ শক্তিসমূহৰ উপগ্রহৰ দৰে কাম কৰে। তেওঁলোকে কূটনীতিত অধিক বৰঙণি যোগাব নোৱাৰে।
- কূটনীতিবিদসকলক সেই সময়ত ৰজাই অভিজাত সম্প্রদায়ৰ লোকসকলৰ মাজৰ পৰা নিযুক্তি দিছিল। তেওঁলোক বৃত্তিগতভাৱে আৰু নির্বাচনী প্রক্রিয়াৰ জৰিয়তে নিযুক্ত কূটনীতিবিদ নাছিল।
- প্রাচীন কূটনীতি গোপনীয় প্রকৃতিৰ আছিল। এই গোপনীয় কার্য কূটনীতিবিদসকলে আন আন ৰাষ্ট্রত সম্পাদন কৰিবলগীয়া হৈছিল। কূটনীতিবিদসকলে নিজৰ চৰকাৰ আৰু আন দেশসমূহৰ মাজৰ এক মাধ্যম হিচাপে কার্যনির্বাহক কৰিছিল। সকলো কার্য গোপনীয়ভাৱে কৰা হৈছিল। সাধাৰণ মানুহক বিশ্বাসত লোৱা নহৈছিল আৰু কোনো বিষয় সম্পর্কে সাধাৰণ মানুহক অৱগত কৰা নহৈছিল।

১০.৪.২ নতুন বা আধুনিক কূটনীতি

বিংশ শতিকাত প্রাচীন কূটনীতিৰ স্থান আধুনিক বা নতুন কূটনীতিয়ে অধিগ্রহণ কৰি পেলাইছিল। নতুন কূটনীতি কিছুমান ক্ষেত্রত প্রাচীন কূটনীতিতকৈ বেলেগ আছিল। নতুন কূটনীতি এক মুক্ত ব্যৱস্থালৈ আগবাঢ়িছিল আৰু এইক্ষেত্রত বহুপক্ষীয় কূটনীতিৰ অৱতাৰণা কৰিছিল। বহুপক্ষীয় কূটনীতিৰ জৰিয়তে বহুতো ৰাষ্ট্রই এখন উমৈহতীয়া মঞ্চত যেনে আন্তঃৰাষ্ট্রীয় সন্মিলন অথবা সংস্থা যেনে— ৰাষ্ট্রসংঘ, বিশ্ববাণিজ্য সংগঠন আদিত অংশগ্রহণ কৰি নিজৰ মাজৰ সমস্যাসমূহ কূটনৈতিকভাৱে সমাধান কৰিছিল। একে সময়তে নতুন কূটনীতিয়ে প্রাচীন দ্বিপক্ষীয় (দুখন দেশৰ মাজৰ কূটনৈতিক সম্পর্ক) আৰু শীর্ষ বা শিখৰ সন্মিলনৰ (Summit diplomacy) (য'ত বৈদেশিক মন্ত্রী, প্রধামন্ত্রী আৰু ৰাষ্ট্রৰ প্রধানসকলে কূটনৈতিক সমস্যা সমাধানৰ বাবে মিলিত হয়) কূটনৈতিকো সমর্থন জনাইছে। অৱশ্যে এইটো কোৱাটো ভুল হ'ব যে নতুন কূটনীতি সম্পূর্ণভাৱে পুৰণি কূটনীতিতকৈ পৃথক বা বেলেগ।

➢ **নতুন কূটনীতিৰ বৈশিষ্ট্যসমূহ ঃ**

❍ **মুক্ত কূটনীতি ঃ** পুৰণি কূটনীতি সাধাৰণতে গোপনীয় সন্ধি, চুক্তি, অনুচ্ছেদ আদিৰ জৰিয়তে প্ৰভাৱিত আছিল। কিন্তু নতুন কূটনীতি মুক্ত চৰিত্ৰৰ। আমেৰিকাৰ ৰাষ্ট্ৰপতি উড্ৰো উইলচন মুক্ত কূটনীতিৰ ঘোৰ সমৰ্থক আছিল। তেওঁ কংগ্ৰেছৰ ভাষণত শান্তি প্ৰতিষ্ঠাৰ বাবে চৈধ্য দফীয়া নীতিক সমৰ্থন জনাইছিল। তেওঁ কৈছিল যে শান্তি প্ৰতিষ্ঠাৰ মুক্ত চুক্তিসমূহৰ পিচত ৰাষ্ট্ৰসমূহৰ মাজৰ সম্পৰ্ক নিৰ্ধাৰণ কৰাৰ বাবে কোনোধৰণৰ ব্যক্তিগত সন্ধি চুক্তি প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজন নহ'ব। এইক্ষেত্ৰত উইলচনে কেৱলমাত্ৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিকে ৰাজহুৱা কৰাৰ কথা কোৱা নাই, বৰং সমগ্ৰ কূটনৈতিক প্ৰক্ৰিয়াটোকে সকলোৰে বাবে মুক্ত কৰাৰ প্ৰয়োজন সেই কথাও উল্লেখ কৰিছিল। সময়ৰ সোতত এই নীতি সকলোৰে বাবে গ্ৰহণযোগ্য হ'বলৈ ধৰে। জাতি সংঘৰ চনদত মুক্ত চুক্তিৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। এই নীতিক ৰাষ্ট্ৰসংঘৰ চনদওে সমৰ্থন কৰিছিল। ৰাষ্ট্ৰসংঘৰ ১০২ নং অনুচ্ছেদৰ দ্বাৰা কোনো এক সদস্য ৰাষ্ট্ৰই কোনো আন্তঃৰাষ্ট্ৰীয় সন্ধিচুক্তি স্বাক্ষৰ কৰিলে, সেই সন্ধিচুক্তি ৰাষ্ট্ৰসংঘৰ সচিবালয়ত পঞ্জীভুক্ত কৰিব লাগিব আৰু সচিবালয়ে সেই সন্ধিচুক্তিখনক প্ৰকাশ কৰিব লাগিব। ৰাষ্ট্ৰসংঘৰ এই নীতিসমূহৰ জৰিয়তে ৰাষ্ট্ৰসমূহক গোপনীয় সন্ধি চুক্তিত মিলিত হোৱাৰ পৰা বিৰত ৰখা হয়। প্ৰায়বিলাক ৰাষ্ট্ৰই বৰ্তমানে এনে নীতি মানি চলে।

❍ **বহুজাতীয় কূটনীতি ঃ** বহুজাতীয় কূটনীতি নতুন কূটনীতিৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। কিন্তু নতুন কূটনীতিয়ে দ্বিপক্ষীয় কূটনীতিকো স্থান দিছে। বৰ্তমান যুগত এইক্ষেত্ৰত নতুন পৰিবৰ্তন অনাৰ প্ৰয়োজনীয়তা আহি পৰিছে। কাৰণ বৰ্তমানে এঠাইত দেখা দিয়া সমস্যাই গোটেই বিশ্বজুৰি ইয়াৰ প্ৰবাৰ পেলায়। সেয়েহে এনে সমস্যাসমূহ ৰাষ্ট্ৰসমূহৰ প্ৰয়োজনীয়তাৰ মাজেৰে সমাধান কৰিব লাগে। যিহেতু বৰ্তমানে এটা আন্তঃৰাষ্ট্ৰীয় বিধান মণ্ডলৰ ব্যৱস্থা কৰা হোৱা নাই য'ত পৃথিৱীৰ সকলো ৰাষ্ট্ৰই নিজৰ প্ৰতিনিধি প্ৰেৰণ কৰিব পাৰে, বহুপক্ষীয় কূটনৈতিক সম্পৰ্ক স্থাপন কৰাটো অপৰিহাৰ্য হৈ পৰিছে। এনেধৰণৰ সন্মিলনসমূহত আলোচনা-বিলোচনাৰ জৰিয়তে কোনো সন্ধি বা চুক্তিত উপনীত হ'ব পাৰি।

❍ **শীৰ্ষ কূটনীতি ঃ** শীৰ্ষ কূটনীতিয়ে বৈদেশিক মন্ত্ৰী, প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰীয় প্ৰধানসকলে কূটনৈতিক বুজাপৰাৰ বাবে সন্মিলিত হোৱাটোকে বুজায়। উইনষ্টন চাৰ্চিলে ১৯৫৩ চনত ছোভিয়েট ৰাছিয়াত অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় প্ৰধানসকলৰ সন্মিলনকে শীৰ্ষ কূটনীতি বুলি অভিহিত কৰিছিল। ১৯৫৩ চনতে ইয়াৰ নামংকন

কৰা হৈছিল যদিও বহু শতিকাৰ আগতে কূটনৈতিক সমস্যা সমাধানৰ বাবে শীর্ষ সন্মিলনত সন্মিলিত হোৱা দেখা গৈছিল। ইতিহাসত এনে বহুতো উদাহৰণ পোৱা যায় যেনে— ১৮১৫ৰ ভিয়েনাৰ কংগ্রেছ, ১৯১৯ৰ পেৰিচ শান্তি সন্মিলন, ১৯৪৫ চনৰ য়েল্টা সন্মিলন, আটলাণ্টিক সন্মিলন, ১৯৪৩ চনৰ কাইৰো সন্মিলন আৰু ১৯৪৯ চনৰ পচদাম সন্মিলন আদিয়ে সকলোতকৈ প্রধান।

১০.৪.৩ প্রাচীন বনাম নতুন কূটনীতি

- প্রাচীন কূটনীতি গোপনীয় সন্ধি, চুক্তি, অনুচ্ছেদ আৰু গুপ্তচৰ আদিৰে ভৰপূৰ আছিল। কিন্তু নতুন কূটনীতি ৰাইজৰ আগত সম্পূর্ণ মুক্ত। অৱশ্যে দুয়োবিধৰে কার্যৰ কৌশল, উদ্দেশ্য আদি প্রায়ে একে, কাৰণ দুয়োটাই ৰাষ্ট্রীয় স্বার্থ পূৰণৰ বাবে কাম কৰে।
- পুৰণি কূটনীতি ইউৰোপীয় চৰিত্র আছিল। কাৰণ ইউৰোপীয় ৰাজনীতিৰ মাজতেই গঢ় লৈ উঠিছিল। আফ্রিকা আৰু এছিয়াৰ দেশসমূহে এনে কূটনীতিত স্থান পোৱা নাছিল। পুৰণি কূটনীতিয়ে কেৱল মাত্র মহান ক্ষমতাসমূহকহে সাঙুৰি লৈছিল। কিন্তু নতুন কূটনীতিয়ে বিশ্বৰ ৰাজনীতিত সৰু-ডাঙৰ সকলো ৰাষ্ট্রৰ ভূমিকা স্বীকাৰ কৰিছিল। সকলো স্বাধীন ৰাষ্ট্রই বর্তমানে ৰাষ্ট্রসংঘৰ সদস্য।
- প্রাচীন কূটনীতিবিদৰ মতে বিশ্বশান্তি ৰক্ষাৰ ক্ষেত্রত ক্ষমতাশালী ৰাষ্ট্রসমূহৰহে ভূমিকা আছে। বর্তমানে সৰু-ডাঙৰ সকলো ৰাষ্ট্রই সমানে শান্তি প্রতিষ্ঠাৰ ক্ষেত্রত অংশগ্রহণ কৰা দেখা যায়।
- প্রাচীন কূটনীতিত অভিজাত শ্রেণী লোকসকলৰ একাধিপত্য আছিল। আনহাতে নতুন কূটনীতিত সমাজৰ সকলো শ্রেণীৰ পৰা অহা বিষয়াসকলে অংশগ্রহণ কৰে। এই নীতিৰ প্রকৃতি গণতান্ত্রিক। প্রাচীন কূটনীতি গোপনীয় প্রকৃতিৰ আছিল আৰু এই সময়ত সকলো কর্মৰাজিয়ে গোপনীয়ভাৱে কৰা হৈছিল।
- প্রাচীন কূটনীতিয়ে কূটনীতিবিদসকলক অধিক পৰিমাণে স্বেচ্ছাধীন ক্ষমতা ব্যৱহাৰ কৰিব দিছিল। কিন্তু নতুন কূটনীতিয়ে কূটনীতিবিদসকলক স্বইচ্ছাই ক্ষমতা প্রয়োগ কৰাৰ পৰা বিৰত ৰাখে আৰু তেওঁলোকৰ আচৰণ ৰাষ্ট্রীয় চৰকাৰৰ দ্বাৰা নির্ধাৰণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কূটনীতিক ঘাইকৈ কোন দুটা শ্রেণীবিভাগত বিভক্ত কৰিব পাৰি?

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ বহুজাতীয় কূটনীতিক কূটনীতিৰ এটা বৈশিষ্ট্য হিচাপে আলোচনা কৰক।

.....

.....

.....

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৭ ঃ প্রাচীন কূটনীতি সার্বজনীন চৰিত্রৰ আছিল আৰু ই বিশ্বৰ বিভিন্ন প্রান্তৰ ৰাষ্ট্রসমূহক সাঙুৰি লৈছিল। (শুদ্ধ/অশুদ্ধ)

.....

১০.৫ ৰাষ্ট্রদূতৰ কার্যাৱলী

ৰাষ্ট্রসমূহৰ বৈদেশিক নীতিৰ ফলপ্রসু ৰূপায়ণৰ ক্ষেত্রত কূটনৈতিক দপ্তৰটোৱে মহত্বপূর্ণ অৰিহণা আগবঢ়ায়। সেইদৰে ৰাষ্ট্রদূত সকলৰো বিভিন্ন পালনীয় কার্য আছে। সেই বিষয়ে তলত আলোচনা কৰ হ'ল —

- **প্রতিনিধিত্বকৰণ** (Representation)ঃ

  পৰ ৰাষ্ট্রত নিজৰ ৰাষ্ট্রৰ প্রতিনিধিৰূপে এগৰাকী ৰাষ্ট্রদূতে ভালেমান গুৰুত্বপূর্ণ কার্য সম্পাদন কৰিব লগীয়া হয়। ৰাষ্ট্রদূত এগৰাকীয়ে নিজৰ ৰাষ্ট্রক তিনি প্রকাৰে প্রতিনিধিত্ব কৰে — প্রতীকাত্মক ভাৱে বা নামমাত্র (symbolic), ন্যায়িক ভাৱে (legal) আৰু ৰাজনৈতিক ভাৱে (political)। প্রতিনিধি হিচাপে ৰাষ্ট্রদূত গৰাকীয়ে গৃহস্থ (host) ৰাষ্ট্রখনত উদ্‌যাপিত হোৱা সেই ৰাষ্ট্রৰ বিভিন্ন ৰাষ্ট্রীয় উৎসৱ অনুষ্ঠানত যোগদান কৰে। এনে উৎসৱ অনুষ্ঠানৰ কেইটামান উদাহৰণ হৈছে স্বাধীনতা, গণতন্ত্র দিৱসৰ পেৰেডে ইত্যাদিৰ নিচিনা অনুষ্ঠান কার্যসূচী। নিজৰ ৰাষ্ট্রৰ ন্যায়িক প্রতিনিধি হিচাপে ৰাষ্ট্রদূত গৰাকীয়ে তেওঁৰ দেশৰ চৰকাৰৰ নিদের্শিত বা চৰকাৰৰ হৈ আন্তঃৰাষ্ট্রীয় সন্মিলন-অভিবর্তন বা মহাসভাত ভোটদান কৰিব পাৰিব। ৰাজনৈতিক প্রতিনিধি হিচাপে ৰাষ্ট্রদূতগৰাকীয়ে নিজৰ দেশৰ বৈদেশিক নীতি আৰু কার্যকৰী পদক্ষেপসমূহক উচিত ৰক্ষণাবেক্ষণ দি নিজৰ দেশৰ বৈদেশিক নীতিৰ যথার্থতা প্রতিপন্ন কৰিবলৈ চেষ্টা কৰে। নিজৰ দেশৰ প্রতিনিধি হিচাপে এগৰাকী ৰাষ্ট্রদূতে

তেওঁৰ নিজৰ ৰাষ্ট্ৰ আৰু গৃহস্থ (host) ৰাষ্ট্ৰখনৰ মাজৰ বন্ধুত্বৰ এনাজৰী সুদৃঢ় কৰিবলৈ চেষ্টা কৰে আৰু দুয়োখন ৰাষ্টৰ মাজত সাংস্কৃতিক, অৰ্থনৈতিক আৰু বৈজ্ঞানিক প্ৰযুক্তিগত সম্পৰ্কৰ বিকাশত মনোনিবেশ কৰে।

- **আলোপ আলোচনা** (Negotiation) ঃ

  গৃহস্থ ৰাষ্ট্ৰখনৰ চৰকাৰৰ লগত আলাপ-আলোচনা এগৰাকী ৰাষ্ট্ৰদূতৰ দ্বিতীয় মুখ্য কাৰ্য। ইয়াত আলাপ-আলোচনাই আলোচনাৰ এনে এটা প্ৰক্ৰিয়াক সূচাই য'ত আপোচ আৰু বিনিময় আদি প্ৰক্ৰিয়াৰ মাজেদি সন্তোষজনক বুজাবুজিলৈ আহিব পাৰি। অৱশ্যে এতিয়া যোগাযোগ প্ৰযুক্তিৰ বিকাশৰ বাবে বিভিন্ন ৰাষ্ট্ৰৰ প্ৰধান আৰু বৈদেশিক মন্ত্ৰীসকলে প্ৰত্যক্ষভাবে পাৰস্পৰিক ভাব বিনিময় কৰিব পাৰে। যি কি নহওক কূটনীতিৰ প্ৰয়োজনীয়তা আজিও আছে, কিয়নো ৰাষ্ট্ৰদূতসকল আপোচ মীমাংসাৰ ক্ষেত্ৰত অতি পটু। তেওঁলোকে পটুতাৰে নিজৰ দেশৰ জাতীয় স্বাৰ্থ সুৰক্ষিত হোৱাকৈ আপোচ মীমাংসাত ব্ৰতী হৈ সফলতা অৰ্জন কৰে। ইয়াৰ উপৰিও ৰাষ্ট্ৰদূত সকলে বিভিন্ন প্ৰকাৰৰ দ্বিপাক্ষিক আৰু বহুপক্ষীয় বুজাবুজিৰ চুক্তি পৰিকল্পনা (drafting) কৰাত আগভাগ লয়।

- **তথ্যৰ আহৰণ আৰু তথ্য যোগান ধৰা** (Obtaining Information and Reporting) ঃ

  এগৰাকী আবাসীক (resident) ৰাষ্ট্ৰদূতে তেওঁ থকা গৃহস্থ ৰাষ্ট্ৰখনৰ প্ৰত্যক্ষ কৰা সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, বৈজ্ঞানিক আৰু অন্যান্য পৰিস্থিতিসমূহৰ তথ্য আহৰণ কৰে। তেওঁ আহৰণ কৰা তথ্যসমূহ নিজৰ গৃহ ৰাষ্ট্ৰলৈ প্ৰেৰণ কৰে। এনে প্ৰাপ্ত তথ্যসমূহে ৰাষ্ট্ৰদূত গৰাকীৰ গৃহ ৰাষ্ট্ৰৰ চৰকাৰক গুৰুত্বপূৰ্ণ সমলৰ যোগান ধৰে আৰু সেই সমলে বৈদেশিক নীতি নিৰ্ধাৰণ আৰু সিদ্ধান্ত গ্ৰহণত সহায় কৰে। প্ৰত্যেকটো কূটনৈতিক দূতাবাস (mission) ত ভালে সংখ্যক সহদূত (attaché) থাকে। এই সহদূতসকল দূতাবাসত থাকে আৰু ৰাজদূতৰ অধীনত কাম কৰে। এইদৰে আৰ্থিক দিশৰ লগত জড়িত সহদূতসকলে গৃহ ৰাষ্ট্ৰৰ চৰকাৰক তেওঁলোক থকা গৃহস্থ ৰাষ্ট্ৰখনৰ ব্যৱসায় বাণিজ্য আৰু বিনিয়োগৰ লগতজড়িত বিষয়সমূহৰ তথ্য যোগায়। সামৰিক দিশৰ লগত জড়িত সহদূতসকলে তেওঁলোক থকা গৃহস্থ ৰাষ্ট্ৰখনৰ সামৰিক ক্ষমতা, সম্ভাব্য দ্বিপাক্ষীয় সামৰিক সহযোগিতা ইত্যাদিৰ প্ৰতিবেদন নিজৰ গৃহ ৰাষ্ট্ৰক আগবঢ়ায়।

- **গৃহস্থ ৰাষ্ট্ৰখনত থকা নিজ ৰাষ্ট্ৰৰ নাগৰিকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে নিজ ৰাষ্ট্ৰৰো স্বাৰ্থ সুৰক্ষিত কৰা** (Protecting the interest of the home country and nationals in the host country) ঃ

  ৰাষ্ট্ৰদূত এগৰাকী যিখন দেশতে থাকে, তেওঁ তাত বাস কৰা নিজৰ ৰাষ্ট্ৰৰ নাগৰিকসকলক সুৰক্ষা প্ৰদান কৰা উচিত। তেওঁৰ ৰাষ্ট্ৰৰ নাগৰিক ৰাষ্ট্ৰদূতগৰাকী কৰ্তব্যৰত হৈ থকা

দেশখনলৈ ব্যৱসায়িক প্রয়োজনত আহিব পাৰে বা পর্যটক হিচাপে আহিব পাৰে। যেতিয়া ৰাষ্ট্রদূতগৰাকী কর্তব্যৰত হৈ থকা গৃহস্থ ৰাষ্ট্রখনত গৃহ যুদ্ধৰ সূচনা হয় তেতিয়া ৰাষ্ট্রদূত গৰাকীৰ দায়িত্ব অধিক গুৰুত্বপূর্ণ হৈ পৰে। তেনে অৱস্থাত তেওঁ এইটো সুনিশ্চিত কৰিব লাগে যাতে তাত থকা দেশৰ নাগৰিকসকলৰ জীৱন আৰু সম্পত্তিলৈ কোনো ধৰণৰ ভাবুকি নাহে। ইয়াৰ উপৰিও ৰাষ্ট্রদূতে তেওঁৰ নিজৰ গৃহ ৰাষ্ট্রৰ স্বার্থ সুৰক্ষিত কৰিব লাগে আৰু আন্তঃৰাষ্ট্রীয় আইনৰ বিধি ব্যৱস্থা আৰু নীতি অনুসৰণ কৰি নিজৰ কৰণীয় দায়িত্ব পালন কৰি যাব লাগে। তেওঁ কর্তব্যৰত হৈ থকা গৃহস্থ ৰাষ্ট্রখনৰ লগত বন্ধুত্বপূর্ণ সম্বন্ধ বর্তাই ৰাখিব লাগে আৰু এইটো কথাৰ প্রতি লক্ষ্য ৰাখিব লাগে যাতে গৃহস্থ ৰাষ্ট্রৰ কোনো বিচ্ছিন্নতাবাদী গোটে তেওঁৰ গৃহ ৰাষ্ট্রখনৰ স্বার্থত আঘাত সানিব নোৱাৰে। তাৰ বাবে তেওঁ অতি সজাগ হোৱা উচিত।

- **ৰাষ্ট্রদূতৰ অপৰিহার্য্য আৰু বিধি সম্বন্ধীয় কার্যাৱলী** (Substantive and Procedural functions of diplomacy) ঃ

  আমেৰিকাৰ কূটনীতিবিদ প'লাডা (Poullada) ৰ মতে ৰাষ্ট্রদূতৰ কার্যাৱলীৰ লগত কেতবোৰ অপৰিহার্য্য আৰু বিধি সম্বন্ধীয় দিশ জড়িত। (উৎস ঃ Malhotra, Vinay Kumar (2006). *International Relations.* New Delhi : Anmol Publications Pvt. Ltd.)

  প'লাডাই ৰাষ্ট্রদূতৰ অপৰিহার্য কার্যাৱলীৰ বিষয়ে কৈছে। সেই কার্যসমূহ হৈছে —

  (ক) সংঘাত ব্যৱস্থাপনা, (খ) সমস্যা সমাধান, (খ) পাৰস্পৰিক সংস্কৃতি বিনিময়, (ঘ) আপোচ মীমাংসা আৰু বিনিময় চুক্তি জনিত প্রসংগ, (ঙ) কার্যসূচীৰ ব্যৱস্থাপনা।

  প'লাডাই লগতে কৈছে যে এই অপৰিহার্য কার্যাৱলী সম্পাদন কৰিবলৈ ৰাষ্ট্রদূত গৰাকীয়ে বিভিন্ন ধৰণৰ বিধি অনুসৰণ কৰে। তাৰ ভিতৰত পাৰিব আচৰণবিধিৰ পৰিশীলন, কূটনৈতিক খচৰা প্রস্তুত, প্রচাৰ মাধ্যমৰ লগত সম্পর্ক ৰক্ষা ইত্যাদি।

১০.৬ কূটনীতিৰ গুৰুত্ব হ্রাস

বহুতে মন্তব্য কৰে যে শেহতীয়াভাৱে কূটনীতিৰ গুৰুত্ব বহু পৰিমাণে হ্রাস পাইছে। ইয়াৰ কাৰণসমূহ হ'ল—

- **প্রচাৰ মাধ্যমৰ বিকাশ ঃ**

  আধুনিক ব্যৱস্থাত প্রচাৰ মাধ্যমসমূহৰ আমূল পৰিবর্তন আৰু বিকাশে কূটনীতিৰ ভূমিকা বহু পৰিমাণে সলনি কৰিছে। আগৰ যুগৰ কূটনীতিবিদসকলে কিছুমান গুৰুত্বপূর্ণ সিদ্ধান্ত নিজৰ চৰকাৰৰ অনুমতি অবিহনে ল'ব পাৰিছিল। কিন্তু বর্তমানে এইটো সম্ভৱ নহয়, কাৰণ এই সমস্যাটো যাতায়াত ব্যৱস্থা আৰু প্রচাৰ মাধ্যমৰ বিকাশৰ লগে লগে শেষ

হৈ আহিছে। বর্তমানে ৰাষ্ট্ৰীয় দূতসকলে লগে লগেই নিজৰ চৰকাৰৰ লগত আলোচনা কৰে। বর্তমান এখন ৰাষ্ট্ৰই আনখন ৰাষ্ট্ৰৰ লগত প্ৰত্যক্ষ সম্পৰ্ক স্থাপন কৰাটো আৰু যোগাযোগ কৰাটো অধিক দ্ৰুত আৰু সহজ হৈ পৰিছে। এইবোৰে আন্তঃৰাষ্ট্ৰীয় বুজাপৰাৰ ক্ষেত্ৰত যথেষ্ট পৰিবর্তন আনিছে।

- **মুক্ত কূটনীতিৰ আগমন ঃ**

  মুক্ত কূটনীতিৰ আগমন আন এটা উপাদান যিয়ে কূটনীতিক প্ৰভাৱিত কৰিছে। গোপনীয়তা আধুনিক কূটনীতিৰ অংশ নহয়। পুৰণি কূটনীতিক মুক্ত কূটনীতিয়ে আঁতৰাই পেলাইছে। মুক্ত কূটনীতি অনুসৰি বর্তমানে গণতান্ত্ৰিক বিশ্বৰ সকলো মানুহৰে আন্তঃৰাষ্ট্ৰীয় সিদ্ধান্তসমূহৰ বিষয়ে নিজৰ নিজৰ প্ৰতিনিধিসকলৰ পৰা জনাৰ অধিকাৰ আছে। ইয়াৰ জৰিয়তে সকলো ক্ষেত্ৰতে ৰাইজে অংশগ্ৰহণ কৰিব পাৰিব আৰু বিভিন্ন আলোচনা আৰু বিতর্কত নিজৰ প্ৰতিনিধিৰ জৰিয়তে অংশগ্ৰহণ কৰিব পাৰিব।

- **বিশ্বৰ মানচিত্ৰত দুই মহাশক্তিৰ আৱির্ভাৱ ঃ**

  দ্বিতীয় বিশ্বযুদ্ধৰ পিচত ইউৰোপীয় শক্তিসমূহৰ ক্ষমতা হ্ৰাস হয় আৰু আমেৰিকা আৰু ৰাছিয়া দুই মহাশক্তিৰ ৰূপত আৱির্ভাৱ হয়। পিচত এই দুই মহাশক্তিয়ে শীতল যুদ্ধৰ ৰাজনীতিত নামি পৰে। ইয়াৰ ফলস্বৰূপে কূটনীতিয়ে নিজৰ স্থান হেৰুৱায়। এই সময়ছোৱাত কূটনীতিবিদসকলক নিজ ইচ্ছা অনুসৰি বিবাদসমূহ বুজাপৰা কৰিব পৰাৰ ক্ষমতা দিয়া নাছিল আৰু সেয়েহে মুক্ত কূটনীতিয়ে দ্বিমেৰুবাদৰ বলি হ'বলগা হৈছিল।

- **সমসাময়িক বিশ্বৰ ৰাজনীতিৰ প্ৰকৃতি ঃ**

  দ্বিতীয় মহাসমৰৰ পিচৰ কালছোৱাত আৰু শীতল যুদ্ধৰ পিছৰ কালছোৱাত আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ এক নতুন অধ্যায়ৰ সুচনা হয় আৰু এই নতুন পৰিস্থিতিয়ে কূটনীতিৰ স্থান বা গুৰুত্ব হ্ৰাস কৰে। এই সময়ছোৱাত সকলো কূটনৈতিক কৌশলে দ্বিমেৰুবাদী বিশ্ব ৰাজনীতিৰ ভয়াৱহতা দূৰ কৰাৰ ওপৰত গুৰুত্ব দিছিল। শীতল যুদ্ধৰ ৰাজনীতিয়ে কূটনীতিৰ গুৰুত্ব বহু পৰিমাণে হ্ৰাস কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ আলোপ আলোচনা কূটনীতিৰ এটা কার্য হিচাপে আলোচনা কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ প'লাডাই আগবঢ়োৱা ৰাষ্ট্ৰদূতৰ পাঁচটা অপৰিহার্য কার্যাৱলীৰ বিষয়ে উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ১০ ঃ শেহতীয়াভাৱে বিশ্বত কূটনীতিৰ গুৰুত্ব হ্রাস কৰাৰ যিকোনো দুটা কাৰণ উল্লেখ কৰক।

.....

.....

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংগঠিত কূটনীতিৰ উৎপত্তি প্রাচীন গ্রীচৰ নগৰ ৰাষ্ট্রসমূহত দেখা যায়। কূটনীতি হ'ল ৰাষ্ট্রসমূহৰ মাজত সম্পর্ক সৃষ্টিকাৰী একধৰণৰ চৰকাৰী আহিলা।
- ১৮ শতিকাত ব্যৱহাৰ কৰা কূটনীতি প্রাচীন বা পৰম্পৰাগত কূটনীতি বুলি জনা যায়। প্রাচীন কূটনীতিৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ই মূলতঃ ইউৰোপীয় ৰাষ্ট্রসমূহৰ মাজতে সীমাবদ্ধ আছিল। প্রাচীন অথবা পৰম্পৰাগত কূটনীতি গোপনীয় প্রকৃতিৰ আছিল।
- ১৮ শতিকাত হোৱা উদ্যোগিক বিপ্লৱ, আমেৰিকা আৰু ফৰাচী বিপ্লৱৰ মূল্যবোধ আদিয়ে এক নতুন ধৰণৰ কূটনীতিৰ সূচনা কৰে।
- ১৯ শতিকাৰ আৰম্ভণিৰ লগে লগে কূটনীতিয়েও এটা নতুন ৰূপ লাভ কৰে, যাক আধুনিক কূটনীতি হিচাপে অভিহিত কৰা হয়।
- বর্তমানৰ কূটনীতি নতুন কূটনীতি বুলিও জনা যায়। নতুন কূটনীতি বিভিন্ন ধৰণৰ পৰিৱর্তিত ঘটনাৰ ফলশ্রুতি। নতুন কূটনীতি মুক্ত চৰিত্রৰ। আমেৰিকাৰ ৰাষ্ট্রপতি উড্রো উইলচন মুক্ত কূটনীতিৰ ঘোৰ সমর্থক আছিল।
- বহুজাতীয় কূটনীতি আৰু শীর্ষ কূটনীতি নতুন কূটনীতিৰ উল্লেখযোগ্য বৈশিষ্ট্য।
- মুক্ত কূটনীতিৰ কূটনীতিবিদসকলে তেওঁলোকে প্রতিনিধিত্ব কৰা ৰাষ্ট্রীয় চৰকাৰৰ নীতিৰ সৈতে সামঞ্জস্য ৰাখি কার্য ৰূপায়ণ কৰিব লাগে।
- কূটনীতিৰ জৰিয়তে প্রতিনিধিত্বকৰণ, আলোচনা, তথ্য আহৰণ আৰু প্রতিবেদন দাখিল কৰা, ৰাষ্ট্রৰ নাগৰিকৰ স্বার্থ ৰক্ষা কৰা আৰু অপৰিহার্য আৰু বিধিসন্মত কার্য সম্পাদন কৰা যায়।

- প্রায়ে মন্তব্য কৰা যায়ে যে বর্তমান সময়ত কূটনীতিৰ গুৰুত্ব আগতকৈ বহু পৰিমাণে হ্রাস পাইছে। কূটনীতিৰ গুৰুত্ব হ্রাস পোৱাৰ কিছুমান কাৰণ হ'ল প্রচাৰ মাধ্যমৰ বিকাশ, মুক্ত কূটনীতিৰ আগমন, বিশ্বৰ মানচিত্রত দুই মহাশক্তিৰ আৱির্ভাৱ, সমসাময়িক বিশ্বৰ ৰাজনীতিৰ প্রকৃতি।



১০.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্র; নায়ক, অধ্যাপক প্রতুল চন্দ্র আৰু পাটগিৰি, ড° ৰুবুল। (২০১২)। *স্নাতক মহলাৰ আন্তর্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

২) চক্রৱর্তী, দিলীপ কুমাৰ। (২০০৫)। *আন্তর্জাতিক আইন আৰু কূটনীতি*। গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

1) Chander, Prakash, & Arora, Prem. (2015). *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

2) Malhotra , Vinay Kumar (2006). *International Relations*.New Delhi:Anmol Publications Pvt.Ltd.

3) Ghai, K.K. (2005) *International Relations – Theory and Practice*.New Delhi :Kalyani Publishers.



১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ ক) ৰাষ্ট্রসমূহৰ সামূহিক সজাগতা। খ) জনমতৰ গুৰুত্ব বৃদ্ধি।
গ) প্রচাৰ মাধ্যমসমূহৰ উন্নতি।

৩ নং প্রশ্নৰ উত্তৰ ঃ পুৰণি বা প্রাচীন কূটনীতি।

৪ নং প্রশ্নৰ উত্তৰ ঃ

ক) কূটনীতিয়ে বর্তমান যুদ্ধ আৰু শান্তিৰ দৰে সাধাৰণ বিষয়ৰ ওপৰত গুৰুত্ব দিয়াৰ উপৰিও অন্যান্য বিষয়সমূহ সাঙুৰি লৈ ইয়াৰ পৰিসৰ বা পৰিধিৰ প্রসাৰ ঘটাইছে। কূটনীতিয়ে যুদ্ধৰ উপৰি আন বিভিন্ন সমস্যাৰো সমাধান উলিয়াইছে। বিভিন্ন পণ্ডিতে কোৱাৰ নিচিনা কূটনীতিয়ে কেৱল শান্তিৰ সময়তহে ভূমিকা পালন

কৰে যুদ্ধৰ সময়ত নহয়— এয়া সঁচা নহয়। আনকি যুদ্ধ চলি থকা সময়তো ইয়াৰ ভূমিকা গুৰুত্বপূৰ্ণ হয়। অৱশ্যে এই সময়ত শান্তিৰ কূটনীতি যুদ্ধৰ কূটনীতিলৈ পৰিৱৰ্তিত হয়।

খ) কূটনীতি আৰু ৰাষ্ট্ৰীয় ক্ষমতা ইটো সিটোৰ লগত জড়িত। এখন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় ক্ষমতা যিমান শক্তিশালী সেই দেশৰ কূটনৈতিক সম্পৰ্ক সিমানেই শক্তিশালী হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাচীন কূটনীতি আৰু নতুন কূটনীতি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বহুজাতীয় কূটনীতি নতুন কূটনীতিৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। কিন্তু নতুন কূটনীতিয়ে দ্বিপক্ষীয় কূটনীতিকো স্থান দিছে। বৰ্তমান যুগত এইক্ষেত্ৰত নতুন পৰিবৰ্তন অনাৰ প্ৰয়োজনীয়তা আহি পৰিছে। কাৰণ বৰ্তমানে এঠাইত দেখা দিয়া সমস্যাই গোটেই বিশ্বজুৰি ইয়াৰ প্ৰভাৱ পেলায়। সেয়েহে এনে সমস্যাসমূহ ৰাষ্ট্ৰসমূহৰ প্ৰয়োজনীয়তাৰ মাজেৰে সমাধান কৰিব লাগে। যিহেতু বৰ্তমানে এটা আন্তঃৰাষ্ট্ৰীয় বিধান মণ্ডলৰ ব্যৱস্থা কৰা হোৱা নাই য'ত পৃথিৱীৰ সকলো ৰাষ্ট্ৰই নিজৰ প্ৰতিনিধি প্ৰেৰণ কৰিব পাৰে, বহুপক্ষীয় কূটনৈতিক সম্পৰ্ক স্থাপন কৰাটো অপৰিহাৰ্য হৈ পৰিছে। এনেধৰণৰ সন্মিলনসমূহত আলোচনা-বিলোচনাৰ জৰিয়তে কোনো সন্ধি বা চুক্তিত উপনীত হ'ব পাৰি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ আলাপ-আলোচনাই আলোচনাৰ এনে এটা প্ৰক্ৰিয়াক সূচাই য'ত আপোচ আৰু বিনিময় আদি প্ৰক্ৰিয়াৰ মাজেদি সন্তোষজনক বুজা বুজিলৈ আহিব পাৰি। অৱশ্যে এতিয়া যোগাযোগ প্ৰযুক্তিৰ বিকাশৰ বাবে বিভিন্ন ৰাষ্ট্ৰৰ প্ৰধান আৰু বৈদেশিক মন্ত্ৰীসকলে প্ৰত্যক্ষভাৱে পাৰস্পৰিক ভাব বিনিময় কৰিব পাৰে। যি কি নহওক কূটনীতিৰ প্ৰয়োজনীয়তা আজিও আছে, কিয়নো ৰাষ্ট্ৰদূতসকল আপোচ মীমাংসাৰ ক্ষেত্ৰত অতি পটু। তেওঁলোকে পটুতাৰে নিজৰ দেশৰ জাতীয় স্বাৰ্থ সুৰক্ষিত হোৱাকৈ আপোচ মীমাংসাত ব্ৰতী হৈ সফলতা অৰ্জন কৰে। ইয়াৰ উপৰিও ৰাষ্ট্ৰদূত সকলে বিভিন্ন প্ৰকাৰৰ দ্বিপাক্ষিক আৰু বহুপক্ষীয় বুজাবুজিৰ চুক্তি পৰিকল্পনা (drafting) কৰাত আগভাগ লয়।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সংঘাত ব্যৱস্থাপনা, (খ) সমস্যা সমাধান, (খ) পাৰস্পৰিক সংস্কৃতি বিনিময়, (ঘ) আপোচ মীমাংসা আৰু বিনিময় চুক্তি জনিত প্ৰসংগ, (ঙ) কাৰ্যসূচীৰ ব্যৱস্থাপনা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ক) মুক্ত কূটনীতিৰ আগমন।

খ) বিশ্বৰ মানচিত্ৰত দুই মহাশক্তিৰ আৰিৰ্ভাৰ।



১০.১০ আহিঁ প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ হেৰল্ড নিক'লচনে লিখা গ্ৰন্থখনৰ নাম লিখক।

প্ৰশ্ন ২ঃ বৰ্তমান কূটনীতিয়ে বহুজাতিক চৰিত্ৰ অৱলম্বন কৰিছে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৩ঃ পৰম্পৰাগত কূটনীতি আফ্ৰিকাতেই সীমাবদ্ধ আছিল। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ঃ কোনে পোন প্ৰথমবাৰৰ বাবে 'শীৰ্ষ কূটনীতি' শব্দটো ব্যৱহাৰ কৰিছিল?

(খ) চুটি প্ৰশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ প্ৰাচীন কূটনীতিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ঃ নতুন কূটনীতিৰ বৈশিষ্ট্যসমূহ লিখক।

প্ৰশ্ন ৩ঃ কূটনীতিৰ দুটা কাৰ্য বৰ্ণনা কৰক।

প্ৰশ্ন ৪ঃ প্ৰাচীন বনাম নতুন কূটনীতিৰ ওপৰত এটা চমুটোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ কূটনীতিৰ ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰক। কূটনীতিৰ বৈশিষ্ট্যসমূহ লিখক।

প্ৰশ্ন ২ঃ পৰম্পৰাগত কূটনীতি আৰু নতুন কূটনীতিৰ ধাৰণা বৰ্ণনা কৰক।

প্ৰশ্ন ৩ঃ নতুন কূটনীতিৰ অৰ্থ কি? বৰ্তমান সময়ত কূটনীতিৰ গুৰুত্ব হ্ৰাস পোৱাৰ কাৰণসমূহ কি কি?

প্ৰশ্ন ৪ঃ কূটনীতিৰ কাৰ্যসমূহ বিৱৰণ কৰক।

* * * * *

অধ্যায় ১১ ঃ বৈদেশিক নীতি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ বৈদেশিক নীতি

১১.৩.১ বৈদেশিক নীতিৰ অর্থ

১১.৩.২ বৈদেশিক নীতিৰ উদ্দেশ্য

১১.৩.৩ বৈদেশিক নীতিৰ নির্ধাৰকসমূহ

১১.৩.৪ বৈদেশিক নীতিৰ আহিলাসমূহ

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৫ অধিক জানিবলৈ

১১.৬ অগ্রগতিৰ খতিয়ান

১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৈদেশিক নীতিৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- বৈদেশিক নীতিৰ গুৰুত্ব আলোচনা কৰিব পাৰিব
- বৈদেশিক নীতিৰ উদ্দেশ্য ব্যাখ্যা কৰিব পাৰিব
- বৈদেশিক নীতিৰ নির্ধাৰকসমূহ আলোচনা কৰিব পাৰিব
- এই নির্ধাৰকসমূহে কেনেকৈ বৈদেশিক নীতিৰ নির্ধাৰণ আৰু কার্যকৰীকৰণত প্রভাৱ পেলায় সেয়া আলোচনা কৰিব পাৰিব
- বৈদেশিক নীতিৰ কাৰকসমূহ বর্ণনা কৰিব পাৰিব
- এখন ৰাষ্ট্রই বৈদেশিক নীতিৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ বাবে কেনেদৰে এই কাৰকসমূহ ব্যৱহাৰ কৰে আলোচনা কৰিব পাৰিব ।

১১.২ পৰিচয়

আন্তর্জাতিক সম্পর্ক আৰু আন্তর্জাতিক ৰাজনীতি অধ্যয়নত বৈদেশিক নীতিৰ অধ্যয়ন এক গুৰুত্বপূর্ণ দিশ। সকলো আন্তর্জাতিক সম্বন্ধ অধ্যয়নৰ বাবে ইয়াক এক মাধ্যম বুলিব পাৰি। এখন ৰাষ্ট্রৰ বৈদেশিক আচৰণৰ যুক্তিপূর্ণ ধাৰণা গ্রহণৰ বাবে ইয়াৰ অধ্যয়ন আৱশ্যকীয়। বৈদেশিক নীতিসমূহৰ অধ্যয়ন অবিহনে আন্তঃৰাষ্ট্রীয় সম্বন্ধৰ জ্ঞান লাভ কৰা অসম্ভৱ।

আন্তর্জাতিক সম্বন্ধ আৰু আন্তর্জাতিক ৰাজনীতিৰ বহল ক্ষেত্রখনত প্রত্যেক ৰাষ্ট্রৰে নিজৰ অধিকাৰ আৰু দায়িত্বৰ মাজেৰে নিজৰ দেশৰ লক্ষ্য, উদ্দেশ্য আৰু আকাংক্ষা পূৰণৰ অধিকাৰ আৰু কর্তব্য আছে। বাস্তৱিকতে কোনো ৰাষ্ট্রই সম্পূর্ণভাৱে আত্মনির্ভৰশীল বা স্বয়ং সম্পূর্ণ নহয়। কোনো ৰাষ্ট্রই এককভাৱে আন্তঃৰাষ্ট্রীয় সম্বন্ধক উপেক্ষা কৰি আগবাঢ়িব নোৱাৰে। আন্তর্জাতিক সম্বন্ধত পৰস্পৰ নির্ভৰশীলতা এক অপ্রতিৰোধ্য দিশ। প্রত্যেক ৰাষ্ট্রই অন্য ৰাষ্ট্রৰ লগত পাৰস্পৰিকভাৱে সম্বন্ধিত হ'বলৈ আৰু এই সম্বন্ধক ৰক্ষণাবেক্ষণ দিবলৈ বাধ্য। বাস্তৱিকতে প্রত্যেক ৰাষ্ট্রৰ আচৰণ বিধি অন্য ৰাষ্ট্রৰ বৈদেশিক আচৰণৰ দ্বাৰা প্রভাৱিত হয়। প্রত্যেক ৰাষ্ট্রই নিজৰ দেশীয় স্বার্থ পূৰণৰ কাৰণে লক্ষ্য ৰাখে আৰু অন্য ৰাষ্ট্রৰ কার্যবিধিৰ পৰাও নিজৰ সর্বোচ্চ লাভ বা সুবিধা হোৱাটো বিচাৰে। সেয়েহে প্রত্যেক ৰাষ্ট্রই বৈদেশিক নীতি নির্ধাৰণ আৰু গ্রহণ কৰোতে জনসাধাৰণৰ আশা-আকাংক্ষাৰ লগতে নীতিসমূহৰ পৰা ৰাষ্ট্রৰ সর্বোচ্চ উপযোগিতাৰ ওপৰত গুৰুত্ব দিয়ে। ৰাষ্ট্রসমূহে ৰাষ্ট্রীয় স্বার্থ পূৰণৰ প্রতি লক্ষ্য ৰাখিহে আন্তর্জাতিক সম্বন্ধ আৰু ৰাজনীতিৰ কথা বিচাৰ কৰে।

১১.৩ বৈদেশিক নীতি

১১.৩.১ বৈদেশিক নীতিৰ অর্থ

বৈদেশিক নীতিৰ এটা নিশ্চিত আৰু যথার্থ সংজ্ঞা দিয়া যথেষ্ট দুৰূহ। বিশেষজ্ঞসকলে বৈদেশিক নীতিৰ ওপৰত বিভিন্ন সংজ্ঞা আগবঢ়াইছে যদিও এই সংজ্ঞাসমূহ সম্বন্ধে মতভেদ আছে। এই সংজ্ঞাসমূহৰ কিছুমান হ'ল ঃ

- পেডেল ফ'র্ড আৰু লিংকনৰ মতে, "বৈদেশিক নীতি এনে এক প্রধান উপাদান, যাৰ দ্বাৰা ৰাষ্ট্রই নিজৰ লক্ষ্য আৰু আগ্রহৰ মূর্ত্ত প্রকাশৰ মাজেৰে ৰাষ্ট্রস্বার্থ পূৰণ আৰু উদ্দেশ্যত উপনীত হ'ব পাৰে।" (Chander, Prakash and Prem Arora. (2000). *International Relations*. New Delhi: Cosmos Bookhive Pvt. Ltd., p.70)
- জর্জ মডেলস্কিৰ মতে, "বৈদেশিক নীতি এক কর্ম পদ্ধতি যাৰ দ্বাৰা ৰাষ্ট্রই অন্যৰাষ্ট্রৰ আচৰণবিধিৰ পৰিবর্তন ঘটাই আৰু আন্তর্জাতিক পৰিৱেশ অনুযায়ী নিজৰ কার্যপদ্ধতিৰ সাল-সলনি কৰে।" (Khanna, V.N. (2007). *Foreign Policy of India*. New Delhi: Vikas Publishing House Pvt. Ltd. , p.1)
- হাগ গিব্চন-এ বৈদেশিক নীতিৰ সংজ্ঞা দি কয় যে, "বিদেশী ৰাষ্ট্রসমূহৰ লগত সম্বন্ধৰ বাবে চৰকাৰ এখনৰ জ্ঞান আৰু অভিজ্ঞতাৰ ওপৰত প্রতিষ্ঠিত এক সুষম, নির্ভৰযোগ্য আঁচনি।"(Khanna, V.N. (2007). *Foreign Policy of India*. New Delhi: Vikas Publishing House Pvt. Ltd. , p.1)

- নৰমান হিলৰ মতে, বৈদেশিক নীতি হৈছে "ৰাষ্ট্রই নিজৰ স্বার্থ-প্রতিষ্ঠাৰ কাৰণে কৰা প্রচেষ্টাৰ সাৰাংশ।"(Chandra, Prakash. (2009). *Theories of International Relations*. New Delhi: Vikas Publishing House Pvt. Ltd., p.93)
- শ্লেইচাৰে বৈদেশিক নীতিৰ সংজ্ঞা দিছে— "এখন ৰাষ্ট্রই আর্ন্তজাতিক সম্বন্ধৰ ক্ষেত্রত নির্ধাৰণ কৰা উদ্দেশ্য, আঁচনি আৰু কর্ম।"(Malhotra, Vinay Kumar. (2006). *International Relations*. New Delhi: Anmol Publications Pvt. Ltd., p.184)
- মহেন্দ্র কুমাৰে বৈদেশিক নীতিৰ সংজ্ঞা দিছে যে, "ৰাষ্ট্রৰ স্বার্থপূৰণৰ আদর্শৰে অৱলম্বন কৰা চিন্তা প্রসূত কার্যপদ্ধতি যাৰদ্বাৰা আর্ন্তজাতিক সম্বন্ধৰ লক্ষ্যত উপনীত হ'ব পৰা যায়।"(Khanna, V.N. (2007). *Foreign Policy of India*. New Delhi: Vikas Publishing House Pvt. Ltd., p.3)

চিন্তাবিদসকলে আগবঢ়োৱা এই অর্থ আৰু সংজ্ঞাসমূহৰ অৱলম্বনত আমি বৈদেশিক নীতিৰ সংজ্ঞা দিব পাৰোঁ যে, ই এনে এক নীতি আৰু মাধ্যম যাৰ দ্বাৰা ৰাষ্ট্রই দেশীয় স্বার্থৰ সুৰক্ষা আৰু উদ্দেশ্যসমূহ বাস্তৱীকৰণৰ মাজেৰে অন্য ৰাষ্ট্রৰ লগত সম্বন্ধ স্থাপন কৰে।

১১.৩.২ বৈদেশিক নীতিৰ উদ্দেশ্য

সকলো ৰাষ্ট্রৰ বৈদেশিক নীতিৰ কিছুমান উমৈহতীয়া উদ্দেশ্য থাকে। ইয়াৰে কিছুমান হ'ল—

- **ৰাষ্ট্রীয় স্বার্থ ঃ** ৰাষ্ট্রীয় স্বার্থৰ প্রসাৰণ আৰু সুৰক্ষা বৈদেশিক নীতিৰ প্রাথমিক লক্ষ্য। ৰাষ্ট্রীয় স্বার্থ এখন দেশৰ বৈদেশিক নীতি গ্রহণত এক প্রধান মৌলিক উপাদান।
- **আঞ্চলিক সংহতি ঃ** বৈদেশিক নীতিয়ে ৰাষ্ট্রৰ আঞ্চলিক সংহতিৰ সংৰক্ষণত গুৰুত্ব দিয়ে। ৰাষ্ট্রই ইয়াৰ দ্বাৰা আন্তর্জাতিক আৰু দেশীয় ক্ষেত্রত উভয়তে নাগৰিকৰ আগ্রহ আৰু ইচ্ছা পূৰণত আৰু সংৰক্ষণত প্রাধান্য দিয়ে।
- **অর্থনৈতিক স্বার্থ ঃ** ৰাষ্ট্রৰ অর্থনৈতিক স্বার্থৰ প্রসাৰণ বৈদেশিক নীতি গ্রহণৰ এক মুখ্য উদ্দেশ্য। আন্তর্জাতিক মঞ্চত এখন ৰাষ্ট্রৰ স্থিতি সাধাৰণতে ৰাষ্ট্রখনৰ আর্থিক স্থিতিৰ ওপৰত নির্ভৰ কৰে। প্রত্যেক ৰাষ্ট্রই এনে এক বৈদেশিক নীতি গ্রহণত প্রাধান্য দিয়ে যিয়ে ৰাষ্ট্রৰ অর্থনৈতিক উন্নয়নত বৰঙণি যোগাব পাৰে আৰু সমৃদ্ধি লাভ কৰে। আন্তর্জাতিক ৰাজনীতিত এনে সমৃদ্ধিশালী ৰাষ্ট্রই অধিক গুৰুত্বপূর্ণ ভূমিকা লাভ কৰে।
- **ৰাষ্ট্রীয় সুৰক্ষা ঃ** ৰাষ্ট্রীয় সুৰক্ষা বৈদেশিক নীতি গ্রহণৰ অন্য এক মূল উদ্দেশ্য। বৈদেশিক নীতি গ্রহণৰ মাজেৰে ৰাষ্ট্রই নিজৰ সুৰক্ষাৰ লক্ষ্য স্থিৰ কৰে।

- **ৰাষ্ট্ৰীয় ক্ষমতা বা শক্তি ঃ** ৰাষ্ট্ৰীয় ক্ষমতা বা শক্তি লাভ বৈদেশিক নীতি গ্ৰহণৰ এক অতি উল্লেখযোগ্য উদ্দেশ্য। প্ৰত্যেক ৰাষ্ট্ৰই নিজৰ ক্ষমতা বৃদ্ধিৰ দ্বাৰা আন্তৰ্জাতিক মঞ্চত এক সবল স্থিতিৰ প্ৰতি লক্ষ্য ৰাখে।
- **ৰাষ্ট্ৰীয় সন্মান বা মৰ্যাদা ঃ** ৰাষ্ট্ৰীয় মৰ্যাদাৰ সংৰক্ষণ আৰু বৰ্ধন বৈদেশিক নীতি গ্ৰহণৰ এক মূল লক্ষ্য। প্ৰত্যেক ৰাষ্ট্ৰই উন্নতি আৰু ক্ষমতা আহৰণৰ মাজেৰে আৰ্ন্তজাতিক মঞ্চত নিজকে সন্মানিত আৰু বিশেষ অধিকাৰপ্ৰাপ্ত কৰিব বিচাৰে। ইয়াৰ দ্বাৰা অন্য ৰাষ্ট্ৰক প্ৰভাৱান্বিত কৰি তেওঁলোকৰ পৰা সন্মানজনক আচৰণ লাভৰ উদ্দেশ্য নিহিত থাকে।
- **বিশ্ব শান্তি আৰু শৃংখলাবদ্ধতা ঃ** বিশ্বৰ প্ৰায় সকলো দেশেই বিশ্ব শান্তি স্থাপন আৰু পৰিৱেশৰ শৃংখলাবদ্ধতাত প্ৰাথমিক গুৰুত্ব দিয়ে। ৰাষ্ট্ৰীয় সুৰক্ষাৰ স্থায়িত্ব আৰু অৰ্থনৈতিক উন্নয়নত বিশ্ব শান্তিৰ ভূমিকা অপৰিহাৰ্য। সেয়েহে বৈদেশিক নীতি গ্ৰহণত এখন ৰাষ্ট্ৰৰ বিশ্ব শান্তি শৃংখলা স্থাপনৰ উদ্দেশ্যও নিহিত থাকে।
- **আভ্যন্তৰীণ প্ৰগতি ঃ** সকলো ৰাষ্ট্ৰই দেশৰ সৰ্বাংগীন উন্নতিৰ লগতে দেশৰ মৰ্যদা অক্ষুণ্ণ ৰাখিবলৈ অহৰহ প্ৰচেষ্টা চলাই থাকে। ইয়াৰ দ্বাৰা ৰাষ্ট্ৰই নিজৰ ক্ষমতা বৃদ্ধিৰ লক্ষ্য ৰাখে। সেয়েহে ৰাষ্ট্ৰই বৈদেশিক নীতিৰ মাধ্যমেৰে দেশৰ আভ্যন্তৰীণ উন্নতিৰ লগতে জনসাধাৰণৰ উন্নতিও সাধন কৰে।
- **আদৰ্শ গত উদ্দেশ্য ঃ** প্ৰত্যেক ৰাষ্ট্ৰই নিৰ্দিষ্ট কিছুমান নৈতিক মান আৰু কৰ্মনীতি অনুসৰণ কৰে যিটো তেওঁলোকৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰত্যেক ৰাষ্ট্ৰৰ নিজা আদৰ্শবাদ আছে। সেয়েহে বৈদেশিক নীতিৰ মাধ্যমেৰে ৰাষ্ট্ৰই নিজৰ আদৰ্শক সুৰক্ষা দিব বিচাৰে আৰু এই আদৰ্শৰ ওপৰতে ৰাষ্ট্ৰৰ বৈদেশিক নীতিৰ আধাৰ ৰচিত হয়।

আচলতে, বৈদেশিক নীতিৰ সকলো উদ্দেশ্যৰ মাজতেই ৰাষ্ট্ৰীয় স্বাৰ্থৰ উদ্দেশ্য নিহিত থাকে। সেয়েহে বৈদেশিক নীতিৰ সকলোবোৰ উদ্দেশ্যকেই এটা শব্দৰ মাজতেই বুজাব পাৰি আৰু সেয়া হ'ল— "জাতীয় স্বাৰ্থ"।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ বৈদেশিক নীতিৰ অৰ্থ সংক্ষেপে লিখক।

.....

.....

.....

.....

প্ৰশ্ন ২ ঃ বৈদেশিক নীতিৰ যিকোনো দুটা উদ্দেশ্য উল্লেখ কৰক।

.....

.....

প্রশ্ন ৩ ঃ বৈদেশিক নীতিৰ লক্ষ্য হিচাবে ৰাষ্ট্ৰীয় ক্ষমতা আৰু ৰাষ্ট্ৰীয় মৰ্যদাৰ বিষয়ে লিখক।

.....

.....

.....

.....

.....

১১.৩.৩ বৈদেশিক নীতিৰ নিৰ্ধাৰকসমূহ

বৈদেশিক নীতি নিৰ্ধাৰণ এক গতিশীল (dynamic) পদ্ধতি। এখন ৰাষ্ট্ৰৰ বৈদেশিক নীতিসমূহ বিভিন্ন কাৰকৰ দ্বাৰা নিৰ্ধাৰিত হয়। পেডেল ফ'ৰ্ড আৰু লিংকনৰ মতে, "মৌলিকভাৱে, বৈদেশিক নীতিৰ ঘাই শিপা ৰাষ্ট্ৰৰ নিজস্ব ঐতিহাসিক পটভূমি, ৰাজনৈতিক অনুষ্ঠান, পৰম্পৰা, আৰ্থিক প্ৰয়োজনীয়তা, ক্ষমতা কেন্দ্ৰিকতা, আশা-আকাংক্ষা, ভৌগোলিক পাৰিপাৰ্শ্বিকতা আৰু প্ৰাথমিক মূল্যবোধৰ মাজতেই নিহিত থাকে" (Khanna, V.N. (2007). *Foreign Policy of India*. New Delhi: Vikas Publishing House Pvt. Ltd., p.7)। জে. বন্দোপাধ্যায়ৰ মতে, 'বৈদেশিক নীতিৰ মূল নিৰ্ধাৰক উপাদানসমূহৰ ভিতৰত ভৌগোলিক অৱস্থান, আৰ্থিক উন্নতি, ৰাজনৈতিক পৰম্পৰা, জাতীয় পৰিৱেশ, আন্তৰ্জাতিক পৰিৱেশ, সামৰিক শক্তি আৰু জাতীয় চৰিত্ৰ আদিকে অন্তৰ্ভুক্ত কৰিব পাৰি "(Bandyopadhyaya, Jayantanuja. (2003). *The Making of India's Foreign Policy*. New Delhi: Allied Publishers Pvt. Ltd., p.29) । সেয়েহে বৈদেশিক নীতিক এটা বা ততোধিক কাৰকৰ দ্বাৰা কেতিয়াও নিৰ্ধাৰণ কৰিব নোৱাৰি। ইয়াক বিভিন্ন কাৰকৰ যৌথ ক্ৰিয়া বুলিব পাৰি। এখন দেশৰ বৈদেশিক নীতি নিৰ্ধাৰণত এই কাৰকসমূহে বিভিন্ন দিশেৰে প্ৰভাৱিত কৰে। বৈদেশিক নীতিৰ এই মুখ্য কাৰক বা নিৰ্ধাৰক সমূহক দুটা শ্ৰেণীত বিভক্ত কৰিব পাৰি

(ক) আভ্যন্তৰীণ কাৰকসমূহ (Internal Factors) ঃ

- **ভৌগোলিক অৱস্থান ঃ** ভূগোল বা ভৌগোলিক অৱস্থান বৈদেশিক নীতিৰ এক অতি প্ৰভাৱশালী কাৰক। ভৌগোলিক অৱস্থান এক স্থায়ী আৰু সুস্থিৰ কাৰক। ভৌগোলিক অৱস্থান, উৰ্বৰতা শক্তি, জলবায়ু, চুবুৰীয়া ৰাষ্ট্ৰৰ অৱস্থান, জলপথ আদিয়ে এখন দেশৰ বৈদেশিক নীতি গ্ৰহণত গুৰুত্বপূৰ্ণ কাৰকৰ ভূমিকা পালন কৰে। দেশ এখনৰ আত্মনিৰ্ভৰশীলতাত ভূগোল বা ভৌগোলিক অৱস্থানৰ গুৰুত্ব আছে। ভৌগোলিক অৱস্থানক বৈদেশিক নীতিৰ এক উল্লেখযোগ্য উপাদান বুলি গণ্য কৰা হয় যদিও, বিজ্ঞানৰ প্ৰগতি আৰু প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত ইয়াৰ গুৰুত্ব তুলনামূলকভাৱে কমিছে।

- **আকাৰ ঃ** ৰাষ্ট্ৰ এখনৰ আকাৰেও বৈদেশিক নীতি নির্ধাৰণৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰভাৱিত কৰে। এখন ৰাষ্ট্ৰৰ আকাৰে বহু পৰিমাণে মনস্তাত্বিক আৰু অভিযান সংক্ৰান্তীয় পৰিৱেশক প্ৰভাৱিত কৰে আৰু বৈদেশিক নীতি প্ৰণয়নকাৰীৰ আৰু জনসাধাৰণৰো মনযোগ আকর্ষণ কৰে। বৃহৎ জনসম্পদ আৰু ভৌগোলিক সম্পদৰ সমাহাৰেৰে ৰাষ্ট্ৰখনে সদায় ক্ষমতাশালী হৈ থাকিব বিচাৰে আৰু আন্তর্জাতিক ক্ষেত্ৰতো এনে ৰাষ্ট্ৰই প্ৰভাৱশালী হিচাবে নিজকে প্ৰতিষ্ঠা কৰাৰ সুযোগ পায়। আমেৰিকা আৰু ৰাছিয়াৰ বিশাল ভৌগোলিক পৰিসীমা বৈদেশিক নীতিৰ এক গুৰুত্বপূর্ণ কাৰক। অৱশ্যেই ভৌগোলিক পৰিসীমা ৰাষ্ট্ৰৰ বাবে বৈদেশিক নীতি নির্ধাৰণৰ একক আৰু স্বাধীন কাৰক নহয়। উদাহৰণস্বৰূপে, কম জনসংখ্যা আৰু ক্ষুদ্ৰ পৰিসীমাৰ ৰাষ্ট্ৰ ইজৰাইলে এক সক্ৰিয় আৰু কিছু পৰিমাণে আগ্ৰাসী (aggressive) বৈদেশিক নীতি গ্ৰহণ কৰিছে।
- **জনসংখ্যা ঃ** জনসংখ্যা বৈদেশিক নীতি নির্ধাৰণত এক গুৰুত্বপূর্ণ কাৰক। এখন দেশৰ বৈদেশিক নীতি বহু পৰিমাণে দেশখনৰ আকাৰ, জনসংখ্যা আৰু ইয়াৰ বৈশিষ্ট্য, জনসংখ্যাৰ গাঁথনি আদিৰ দ্বাৰা নির্ণীত হয়। এইটো সাধাৰণতে ধাৰণা কৰা হয় যে, বৃহৎ জনসংখ্যাৰ আকাৰে এখন শক্তিশালী ৰাষ্ট্ৰক নির্দেশ কৰে। ভাৰত আৰু চীনৰ বৃহৎ জনসংখ্যা দুই ৰাষ্ট্ৰৰ বৈদেশিক নীতি গ্ৰহণৰ এক মুখ্য উপাদান। আনহাতে, জনসংখ্যাৰ গুণগত মানদণ্ডই বৈদেশিক নীতি ৰূপায়ণৰো গুণগত দিশত প্ৰভাৱ পেলায়।
- **ঐতিহাসিক প্ৰথা ঃ** ৰাষ্ট্ৰৰ ঐতিহাসিক পৰম্পৰাই বৈদেশিক নীতিক গভীৰভাৱে প্ৰভাৱিত আৰু পৰিচালিত কৰে। প্ৰাচীন বুৰঞ্জীৰ সমলে এখন ৰাষ্ট্ৰৰ নিজস্ব ৰীতি, সংস্কৃতি, সভ্যতা আৰু আদর্শ গঠন কৰে, যিবিলাকে বৈদেশিক নীতিৰ আধাৰশিলা গঠনৰ ভূমিকা লয়। বুৰঞ্জীয়ে জাতি এটাৰ বীৰত্ব মহানতাৰ লগতে জাতিটোৰ জয়-পৰাজয়ৰো অভিলেখ বহন কৰে। বর্তমানৰ সমস্যাসমূহৰ সমাধান কৰিব যাওঁতে বৈদেশিক নীতি নির্ধাৰকসকলে অতীত অভিজ্ঞতা, কৃতকার্যতা-অকৃতকার্যতা আদিৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হয়। উদাহৰণস্বৰূপে ভাৰতবর্ষত বৃটিছ সাম্ৰাজ্যৰ উপনিৱেশ আৰু স্বাধীনতাৰ কাৰণে কৰা সংগ্ৰামৰ ইতিহাসে বৈদেশিক নীতি প্ৰণেতাসকলক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে।
- **সংস্কৃতি ঃ** সাংস্কৃতিক সমল ৰাষ্ট্ৰ এখনৰ বৈদেশিক নীতি গ্ৰহণত এক উল্লেখযোগ্য উপাদান। বৈদেশিক নীতিৰ প্ৰণেতাসকলে ৰাষ্ট্ৰৰ সংস্কৃতি, পৰম্পৰা আৰু ঐতিহ্যৰ দ্বাৰা পৰিচালিত হয়। সাংস্কৃতিক সম্প্ৰীতিৰে শৃংখলিত জনসাধাৰণৰ প্ৰতিচ্ছবিয়ে বৈদেশিক নীতি ৰূপায়ণকাৰীসকলক উৎসাহিত কৰে। সংস্কৃতিৰ ধাৰা আৰু ইয়াৰ ঐতিহ্যই ৰাষ্ট্ৰক অন্য ৰাষ্ট্ৰৰ লগত সম্বন্ধৰ প্ৰকৃতি বিশ্লেষণ আৰু সম্বন্ধৰ লক্ষ্য নির্ধাৰণত সহায় কৰে।

- **জাতিগত লক্ষণ আৰু প্ৰমূল্যবোধ ঃ** জাতিগত লক্ষণ আৰু প্ৰমূল্যবোধ বৈদেশিক নীতি নিৰ্ধাৰণত এক প্ৰভাৱকাৰী উপাদান। এটা জাতিৰ নীতিগত বৈশিষ্ট্য য'ত জাতিটোৰ বিশ্বাস, আচৰণ, অভ্যাস আদি সন্নিৱিষ্ট হয় আৰু ভৱিষ্যৎ প্ৰজন্মলৈ পৰ্যৱসিত হয়। বৈদেশিক নীতিৰ প্ৰণেতাসকলে সমাজৰ প্ৰাথমিক মূল্যবোধক আওকাণ কৰি বৈদেশিক নীতি গঠন কৰিব নোৱাৰে। উদাহৰণস্বৰূপে, ইংলেণ্ডৰ গণতান্ত্ৰিক মূল্যবোধ আৰু ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতা দৃঢ়ভাৱে ইমান সংৰোপিত যে, এই ৰাষ্ট্ৰকেইখনৰ বৈদেশিক নীতি প্ৰণেতাসকলে তাৰ স্থায়িত্বকৰণত বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে।
- **সামাজিক গাঁথনি ঃ** এখন সমাজৰ সামাজিক গাঁথনিয়ে বৈদেশিক নীতি ৰচনাত এক গুৰুত্বপূৰ্ণ নিৰ্ধাৰক হিচাপে বিবেচিত হৈ আহিছে। বৰ্তমানৰ সমাজ ব্যৱস্থাত গণতান্ত্ৰিক ভাবধাৰাৰ অন্তৰ্ভুক্তিয়ে সামাজিক গাঁথনিৰ গুৰুত্ব বৃদ্ধি কৰি বৈদেশিক নীতিত ইয়াক এক প্ৰভাৱশালী উপাদান হিচাপে ঠাই দিছে। সামাজিক গাঁথনিসমূহৰ মাজেৰে গোটসমূহৰ প্ৰকৃতি আৰু পা�ৰস্পৰিক সম্বন্ধ প্ৰকাশ পায়, যিটো পাৰস্পৰিক মৈত্ৰী আৰু সংঘৰ্ষৰ মাজত প্ৰতিফলিত হয়। এখন সমতাপূৰ্ণ সমাজে শক্তিশালী সামাজিক ঐক্য নিশ্চিত কৰে আৰু বৈদেশিক নীতিসমূহৰ গঠনতো ইয়াৰ প্ৰভাৱ পৰিস্ফুত হয়। আনহাতে সামাজিকভাৱে বিশৃংখল, ঐক্যহীন, সংঘৰ্ষজৰ্জৰ ৰাষ্ট্ৰ এখনৰ বৈদেশিক নীতিও দুৰ্বল হয়।
- **ৰাষ্ট্ৰীয় সক্ষমতা ঃ** ৰাষ্ট্ৰীয় সক্ষমতাই দেশখনৰ সামৰিক শক্তি, প্ৰযুক্তিগত উন্নয়ন, আধুনিক সংযোগ ব্যৱস্থা আৰু অৰ্থনৈতিক প্ৰগতিকেই সূচায়। ই বিচক্ষণ নাগৰিক আৰু ৰাজনৈতিক অনুষ্ঠানসমূহকো অন্তৰ্ভুক্ত কৰে। ৰাষ্ট্ৰৰ বৈদেশিক নীতি গ্ৰহণত ৰাষ্ট্ৰখনৰ সক্ষমতাই বহু পৰিমাণে নিৰ্ণায়কৰ ভূমিকা লয়। সাধাৰণ ভাষাত বৈদেশিক নীতি প্ৰত্যক্ষভাৱেই দেশখনৰ সামূহিক সক্ষমতাৰ লগত জড়িত। ৰাষ্ট্ৰীয় সক্ষমতাৰ বৃদ্ধি আৰু হ্ৰাসে বৈদেশিক নীতিতো পৰিৱৰ্তনৰ সূচনা কৰে। উদাহৰণস্বৰূপে, দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ইউৰোপৰ আটাইতকৈ শক্তিশালী ৰাষ্ট্ৰ বৃটেইনে পূৰ্বৰ ক্ষমতা হেৰুৱাইছিল আৰু বিশ্ব ৰাজনৈতিক মানচিত্ৰত এই ৰাষ্ট্ৰৰ আগৰ প্ৰভাৱ কিছু পৰিমাণে স্তিমিত হয়। এই পৰিৱৰ্তনে বৃটেইনৰ বৈদেশিক নীতিত সুদূৰ প্ৰসাৰী পৰিৱৰ্তনৰ সূচনা কৰিছিল।
- **অৰ্থনৈতিক প্ৰগতি ঃ** এখন ৰাষ্ট্ৰৰ বৈদেশিক নীতিত অৰ্থনৈতিক প্ৰগতি এক অবিচ্ছেদ্য উপাদান। অৰ্থনৈতিক ক্ষেত্ৰত ৰাষ্ট্ৰই লাভ কৰা স্থিতি আৰু আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক নিৰ্ভৰশীলতা এক গুৰুত্বপূৰ্ণ নিৰ্ধাৰক। সেয়েহে ৰাষ্ট্ৰই বৈদেশিক নীতি গ্ৰহণৰ সময়ত এক স্ব-নিৰ্ভৰশীল আৰু প্ৰগতিশীল নীতিৰ প্ৰতি বিশেষ সতৰ্কতা অৱলম্বন কৰে।

- **প্রাকৃতিক সম্পদ ঃ** প্রাকৃতিক সম্পদসূহে খাদ্য, খনিজ দ্রব্য, ধাতু, কয়লা, অপৰিশোধিত তেল, জলসম্পদ আদিকে অন্তর্ভুক্ত কৰে। বৈদেশিক নীতি নির্ধাৰণত প্রাকৃতিক সম্পদসমূহ উল্লেখনীয় উপাদান হিচাবে বিবেচিত হয়, কিয়নো এই সম্পদসমূহে ৰাষ্ট্র এখনৰ ক্ষমতাকো বিশেষভাৱে প্রভাৱিত কৰে। বৈদেশিক সম্বন্ধৰ ক্ষেত্রত প্রাকৃতিক সম্পদৰ প্রাচুর্যই ৰাষ্ট্র এখনক এক সুবিধাজনক স্থিতিত উপনীত কৰায় আৰু ইয়াৰ দুর্বল ভঁৰালে ৰাষ্ট্রক অনগ্রসৰ বৈদেশিক নীতি গ্রহণত সীমাবদ্ধ ৰাখে।
- **প্রযুক্তি ঃ** প্রযুক্তি বৈদেশিক নীতিৰ নির্ধাৰণৰ এক গুৰুত্বপূর্ণ উপাদান। প্রযুক্তিগত উন্নয়নে ৰাষ্ট্র এখনৰ সামৰিক শক্তি, অর্থনৈতিক সক্ষমতাক প্রভাৱিত কৰে আৰু ইয়াৰ প্রভাৱ দেশৰ বৈদেশিক নীতিতো পৰে। এইটো সততে দেখা যায় যে উন্নত প্রযুক্তিৰ ৰাষ্ট্র এখনে আন্তর্জাতিক সম্বন্ধৰ ক্ষেত্রতো বহু পৰিমাণে প্রভাৱশালী ভূমিকা গ্রহণ কৰে।
- **সামৰিক শক্তি ঃ** সামৰিক শক্তিক ৰাষ্ট্রৰ বৈদেশিক নীতি প্রণয়নৰ ক্ষেত্রত এক অতি মহত্বপূর্ণ উপাদান বুলি বিবেচনা কৰা হয়। অত্যাধুনিক আৰু বিশাল সামৰিক শক্তি, অত্যাধুনিক যুদ্ধৰ আহিলা আদিৰ প্রাচুর্যই ৰাষ্ট্র এখনক কিছু পৰিমাণে সক্রিয় আৰু আক্রমণাত্মক বৈদেশিক নীতি গ্রহণৰ প্রতি আগ্রাহান্বিত কৰে। দুর্বল সামৰিক শক্তি সম্পন্ন ৰাষ্ট্রসমূহে এইক্ষেত্রত কিছুপৰিমাণে প্রতিকূল পৰিৱেশৰ সন্মুখীন হয় আৰু বহু সময়ত শান্তিপূর্ণ সমাধানৰ বাবেও উৎসাহ নাপায়। সাধাৰণতে এখন প্রথম শ্রেণীৰ সামৰিক শক্তিসম্পন্ন ৰাষ্ট্রই এক উদ্যমী আৰু সাহসী বৈদেশিক নীতি অনুসৰণ কৰে, তেনেদৰে দুর্বল সামৰিক শক্তিসম্পন্ন ৰাষ্ট্রই যথাসম্ভৰ নিম্ন প্রতিকূলতাৰ চেষ্টা কৰে।
- **জনমত ঃ** জনমতে বৈদেশিক নীতিত এক নির্ণায়কৰ ভূমিকা গ্রহণ কৰে। বৈদেশিক নীতি প্রণয়নকাৰী সকলো ৰাষ্ট্রই, বিশেষকৈ গণতান্ত্রিক ৰাষ্ট্রসমূহে জনমতক এক গুৰুত্বপূর্ণ স্থান দিয়ে। ৰাষ্ট্রসমূহে দেশৰ জনমতক আওকান কৰিব বা তাৰ বিৰুদ্ধে মত গ্রহণ কৰিব নোখোজে। বৈদেশিক নীতি ৰূপায়ণ আৰু কার্যকৰীকৰণত জনমতে কেতিয়াবা বহল পৰিৱর্তন অনা দেখা যায়। উদাহৰণস্বৰূপে, জনমতৰ হেঁচাত সেও মানি আমেৰিকাই ভিয়েটনামৰ পৰা সামৰিক শক্তি প্রত্যাহাৰ কৰিছিল।
- **ৰাজনৈতিক অনুষ্ঠান বা সংগঠন ঃ** ৰাজনৈতিক সংগঠনসমূহে বৈদেশিক নীতিৰ কার্যক্রমত এক গুৰুত্বপূর্ণ নিয়ন্ত্রকৰ ভূমিকা লয়। ৰাজনৈতিক সংগঠনসমূহে দলীয় ৰাজনৈতিক পদ্ধতি আৰু নিজস্ব গঠন ৰীতিৰে বৈদেশিক নীতি নির্ধাৰণ আৰু কার্যকৰীকৰণত বিভিন্ন ধৰণেৰে চাপ পেলায়। স্বেচ্ছাচাৰী (authoritarian) আৰু গণতান্ত্রিক দুই চৰকাৰ ব্যৱস্থাত বৈদেশিক নীতিৰো

পার্থক্য পৰিলক্ষিত হয়। আনকি গণতান্ত্রিক পদ্ধতিৰ চৰকাৰ ব্যৱস্থাতো বিভিন্ন ৰাজনৈতিক সংগঠনৰ ভূমিকাৰ হেতু বৈদেশিক নীতি বহু সময়ত পৰিৱৰ্তিত হয়। উদাহৰণস্বৰূপে সংসদীয় বা ৰাষ্ট্ৰপতীয় চৰকাৰী ব্যৱস্থা একদলীয়, দ্বিদলীয় বা বহুদলীয় ৰাজনৈতিক ব্যৱস্থা, এই সমূহৰ প্ৰভাৱত বৈদেশিক নীতি গঠনতো বিভিন্নতা দেখা যায়।

- **নেতৃত্ব ঃ** ৰাষ্ট্ৰ এখনৰ বৈদেশিক নীতি নিৰ্ধাৰণ আৰু ৰূপায়ণত নেতৃত্বই এক প্ৰভাৱশালী উপাদান ৰূপে দেখা দিয়ে। নেতৃত্বই বৈদেশিক নীতিৰ শক্তি আৰু দিশ নিৰ্ণায়িত কৰে। নেতৃত্বৰ ভাবমূৰ্ত্তি, উপস্থাপন, ধাৰণা শক্তি, গুণগত মান এই সকলোৱে বৈদেশিক নীতিৰ গঠন আৰু ৰূপায়ণত গভীৰ চাপ পেলায়।
- **সংবাদ মাধ্যমৰ ভূমিকা ঃ** ৰাষ্ট্ৰ এখনৰ বৈদেশিক নীতি গঠনত সংবাদ মাধ্যম এক উল্লেখযোগ্য আৰু প্ৰভাৱশালী শক্তিৰূপে বিবেচিত হৈছে। সংবাদ মাধ্যমে দেশৰ জনতাৰ মত, আগ্ৰহ, ইচ্ছা, প্ৰয়োজন আদিৰ খতিয়ান দাঙি ধৰে আৰু এইবোৰে বৈদেশিক নীতি নিৰ্ধাৰকসকলৰ কাৰণে তথ্যপূৰ্ণ আৰু প্ৰয়োজনীয় সংবাদৰ যোগান ধৰে। দেশৰ বৈদেশিক নীতিৰ যথাযথ, তথ্যপূৰ্ণ প্ৰচাৰ সংবাদ মাধ্যমৰেই কৰ্তব্য। অৱশ্যে বৈদেশিক নীতি নিৰ্ধাৰণত সংবাদ মাধ্যমৰ ভূমিকা বিশদভাৱে দেশৰ ৰাজনৈতিক পৰিৱেশ আৰু পদ্ধতি, জনসংখ্যাৰ সাক্ষৰতাৰ হাৰ আৰু চৰকাৰৰ উপস্থাপনৰ ওপৰত নিৰ্ভৰ কৰে।
- **ৰাজনৈতিক দায়বদ্ধতা ঃ** ৰাজনৈতিক দলসমূহৰ মাজত বৰ্তি থকা ৰাজনৈতিক দায়বদ্ধতাই এখন ৰাষ্ট্ৰৰ বৈদেশিক নীতি নিৰ্ধাৰণত এক প্ৰমুখ্য অংশ গ্ৰহণ কৰে। বৈদেশিক নীতিৰ মুখ্য নিৰ্ধাৰকসকলে চৰকাৰৰ দেশ তথা নাগৰিকৰ প্ৰতি থকা দায়বদ্ধতাক সততে মনত ৰাখিব লাগে। সেয়েহে ৰাষ্ট্ৰ এখনৰ বৈদেশিক নীতিয়ে জনসাধাৰণৰ আশা আকাংক্ষাৰ প্ৰতিচ্ছবিকে বহন কৰে বুলি ক'ব পাৰি।
- **আদৰ্শবাদ ঃ** বৈদেশিক নীতিৰ নিৰ্দ্ধাৰণত আদৰ্শবাদো এক অবিচ্ছেদ্য উপাদান। বৈদেশিক নীতিসমূহ যুক্তিবাদৰ ওপৰত প্ৰতিষ্ঠিত আৰু ই এক ধৰণৰ বিচক্ষণ পৰিকল্পনা, যাৰ দ্বাৰা দেশৰ আশা আকাংক্ষা আৰু উদ্দেশ্য পূৰণ হয়। ৰাষ্ট্ৰৰ উমৈহতীয়া আশা-আকাংক্ষা আৰু আগ্ৰহ পূৰণৰ অৰ্থে, জনসাধাৰণৰ গ্ৰহণযোগ্যতাৰ ভিত্তিতহে বৈদেশিক নীতিৰ আঁচনি প্ৰস্তুত কৰা হয়।

(খ) বাহ্যিক কাৰকসমূহ (External Factors)

- **আন্তৰ্জাতিক পৰিৱেশ ঃ** আন্তৰ্জাতিক ৰাজনীতিত বৰ্তি থকা পৰিৱেশে ৰাষ্ট্ৰৰ বৈদেশিক নীতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। বৈদেশিক নীতিৰ নিৰ্ধাৰণ আৰু কাৰ্যকৰীকৰণত সাময়িক বিশ্ব পৰিৱেশে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বিশ্ব পৰিৱেশত বিৰাজ কৰা উদ্বেগজনক বা উদ্বেগহীন শান্ত পৰিৱেশ, শীতল যুদ্ধ

(Cold War) বা উত্তেজনা প্রশমণকৰণ, যুদ্ধ উন্মাদনা বা শান্তিকামী পৰিৱেশ আদিয়ে বৈদেশিক নীতিত প্ৰভাৱ পেলায়। বিশ্ব সন্ত্ৰাসবাদ, সংকীৰ্ণ ৰাজনীতি, সামৰিক মৰণাস্ত্ৰসমূহৰ অবাধ প্ৰয়োগ, পাৰমাণৰিক শক্তিৰ উন্মেষণা, অৰ্থনৈতিক ৰক্ষণশীলতা, শৰণাৰ্থী সমস্যা, পৰিৱেশ সুৰক্ষা আদি বিভিন্ন সমস্যাই বৈদেশিক নীতিক প্ৰভাৱান্বিত কৰে।

- **ক্ষমতাৰ গাঁথনি ঃ** এখন ৰাষ্ট্ৰৰ বাবে বৈদেশিক নীতি গ্ৰহণত বিশ্ব ৰাজনীতিত বৰ্তি থকা ক্ষমতাৰ গাঁথনি এটা অতিকৈ প্ৰভাৱশালী কাৰক। আন্তৰ্জাতিক ৰাজনীতি আৰু আন্তৰ্জাতিক সম্বন্ধক কেন্দ্ৰ কৰি বিশ্ব ৰাজনীতিত ক্ষমতাৰ গাঁথনিৰো পৰিৱৰ্তন ঘটি থাকে। এটা সফল বৈদেশিক নীতিৰ মূল উদ্দেশ্য হ'ল ৰাষ্ট্ৰসমূহৰ লগত বন্ধুত্ব আৰু সহযোগিতাৰ সম্বন্ধ ৰচনা। সেয়েহে বৈদেশিক নীতিৰ নিৰ্ণায়কসকলে সম-সাময়িক বিশ্ব-ক্ষমতাৰ গাঁথনি (structure)ক বৈদেশিক নীতিৰ এক উল্লেখযোগ্য উপাদান হিচাবে গণ্য কৰে।
- **আন্তৰ্জাতিক সংস্থাসমূহ ঃ** আন্তৰ্জাতিক সংস্থাসমূহো বৈদেশিক নীতিৰ সংৰচনাত এক প্ৰভাৱকাৰী উপাদান। আন্তৰ্জাতিক সংস্থাসমূহ যেনে— ৰাষ্ট্ৰসংঘ (UN), UNESCO, বিশ্ব স্বাস্থ্য সংস্থা, আন্তৰ্জাতিক শ্ৰমিক সংস্থা, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি আদি সংস্থাসমূহ বিশ্ব শান্তি আৰু শৃংখলাৰ লক্ষ্যৰে স্থাপন কৰা হৈছে। ৰাষ্ট্ৰসমূহে নিজৰ বৈদেশিক নীতি নিৰ্ধাৰণ কৰোতে এই সংস্থাসমূহৰ মূল নীতিৰ প্ৰতি আনুগত্য অক্ষুণ্ণ ৰাখে।
- **অন্য ৰাষ্ট্ৰৰ প্ৰতিক্ৰিয়া ঃ** অন্য ৰাষ্ট্ৰসমূহৰ প্ৰতিক্ৰিয়াও বৈদেশিক নীতিৰ এক অতি গুৰুত্বপূৰ্ণ বিষয়। ৰাষ্ট্ৰই নিজৰ বৈদেশিক নীতি ৰচনা কৰোতে অন্য ৰাষ্ট্ৰৰ প্ৰতিক্ৰিয়াও লক্ষ্য কৰা উচিত। কোনো ৰাষ্ট্ৰই বৈদেশিক নীতি প্ৰণয়ন কৰোতে অন্য ৰাষ্ট্ৰৰ ইচ্ছাৰ বিৰুদ্ধে নীতিসমূহৰ সততে পৰ্যালোচনা কৰে। সংকীৰ্ণ ৰাষ্ট্ৰীয় স্বাৰ্থ বিজড়িত নীতিসমূহে অন্য ৰাষ্ট্ৰসমূহক উদ্বিগ্ন কৰি প্ৰতিকূল পৰিৱেশৰ সৃষ্টি কৰে।
- **বিশ্ব জনমত ঃ** বিশ্ব জনমতে এক ক্ৰিয়াশীল শক্তিৰূপে আন্তৰ্জাতিক পৰিৱেশ আৰু ৰাজনীতিক প্ৰভাৱান্বিত কৰে। যেতিয়া বহুকেইখন ৰাষ্ট্ৰৰ ব্যক্তিগত জনমত এখন ৰাষ্ট্ৰৰ বৈদেশিক নীতি প্ৰণয়নত সংযুক্ত হয়, তেতিয়া এখন ৰাষ্ট্ৰৰ বৈদেশিক নীতিত বিশ্ব জনমতে সাময়িকভাৱে ক্ৰিয়া কৰে। তেতিয়া ইয়াক বেছি ক্ৰিয়াশীল নিৰ্ধাৰক হিচাবে গণ্য কৰা হয়।
- **মিত্ৰ জোঁট ঃ** মিত্ৰজোঁট বা মিত্ৰ ৰাষ্ট্ৰসমূহে বৈদেশিক নীতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সাধাৰণতে ৰাষ্ট্ৰই বৈদেশিক নীতি ৰচনা কৰোতে নিজৰ মিত্ৰ জোঁটসমূহৰ অনুৰোধ, দাবী আৰু প্ৰতিক্ৰিয়াৰ প্ৰতি লক্ষ্য ৰাখে। ৰাষ্ট্ৰই নিজ মিত্ৰ জোঁটসমূহক অমান্য কৰি বা অসন্তুষ্ট কৰি বৈদেশিক নীতি গ্ৰহণৰ পৰা বিৰত থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ বৈদেশিক নীতিৰ দুটা আভ্যন্তৰীণ কাৰক উল্লেখ কৰক।

.....

.....

প্রশ্ন ৫ঃ বৈদেশিক নীতিৰ নির্ণায়ক হিচাবে দুটা বাহ্যিক কাৰক উল্লেখ কৰক।

.....

.....

১১.৩.৪ বৈদেশিক নীতিৰ আহিলাসমূহ

ৰাষ্ট্রৰ স্বার্থৰ সুৰক্ষা আৰু উন্নয়নৰ কাৰণে বৈদেশিক নীতি এক অতি গুৰুত্বপূর্ণ আৰু প্রয়োজনীয় মাধ্যম। ৰাষ্ট্রৰ সক্ষমতা আৰু সম্পদৰ সহায়ত ৰাষ্ট্রীয় স্বার্থ আৰু উদ্দেশ্য পূৰণ কৰি বৈদেশিক নীতি গ্রহণ কৰাত যিবোৰ মাধ্যম বা সঁজুলিৰ সহায় লোৱা হয় সেই মাধ্যমসমূহকেই বৈদেশিক নীতিৰ আহিলা বা Instrument বুলিব পাৰি।

বৈদেশিক নীতিৰ বিভিন্ন মাধ্যমসূহ হ'ল—

- **কূটনীতি (Diplomacy) ঃ** কূটনীতি বৈদেশিক নীতিৰ এক গুৰুত্বপূর্ণ আহিলা । ৰাষ্ট্রই জাতীয় স্বার্থৰ ৰক্ষা আৰু ইয়াৰ পৰিবর্ধনৰ বাবে কূটনীতিৰ আশ্রয় লয়। ৰাষ্ট্রই প্রতিনিধি আৰু পাৰস্পৰিক বুজাবুজি (negotiation)ৰে অন্য ৰাষ্ট্রৰ লগত সম্বন্ধ স্থাপন কৰাকে কূটনীতি বুলিব পাৰি। আন্তর্জাতিক ৰাজনীতিত কূটনীতিয়ে মূলতঃ পাৰস্পৰিক সদ্ভাৰ, আপোচ, প্রত্যয়মূলক আচৰণ আদিৰে বিচক্ষণতা আৰু বুদ্ধিমত্তাৰ প্রয়োগক বুজায়। আন্তর্জাতিক সম্বন্ধত চুক্তি, সন্ধি আদিৰ কার্যকৰীকৰণত কূটনীতি এক উপযুক্ত মাধ্যম।
- **প্রচাৰ আৰু উদ্দেশ্যধর্মী প্রচাৰ (Publicity and Propaganda) ঃ** সমকালীন আন্তর্জাতিক ৰাজনীতিত প্রচাৰ আৰু উদ্দেশ্যধর্মী প্রচাৰ বা অপপ্রচাৰৰ গুৰুত্ব আওকাণ কৰিব নোৱাৰি। প্রচাৰৰ জৰিয়তে অবাঞ্চনীয় ভাবধাৰা আৰু বিচাৰক বহুসময়ত প্রচাৰৰ সহায়ত এক সুবিধাজনক, আকাংক্ষিত ভাৱধাৰালৈ সলনি কৰা হয়। এক উদ্দেশ্যধর্মী আৰু সু-পৰিকল্পিত প্রচাৰৰ দ্বাৰা ৰাষ্ট্রই নিজ ৰাষ্ট্রৰ জনসাধাৰণ, ৰাজনৈতিক দলৰ লগতে বিদেশী ৰাষ্ট্রসমূহৰো নিজৰ বৈদেশিক নীতিৰ আঁচনিসমূহৰ সপক্ষে সমর্থন আদায় কৰে। আন্তর্জাতিক ৰাজনীতিত ৰাষ্ট্রই প্রচাৰৰ মাধ্যমেৰে প্রভাৱশালী হিচাপে নিজকে পৰিগণিত কৰে। ৰেডিঅ', টেলিভিশ্যন, ইণ্টাৰনেট, বাতৰিকাকত, আলোচনী আদি প্রচাৰ মাধ্যমে বৈদেশিক নীতি প্রণয়ন আৰু কার্যকৰীকৰণত ৰাষ্ট্রক সহায় কৰে।

- **সাম্ৰাজ্যবাদ (Imperialism) ঃ** বৈদেশিক নীতিৰ বিষয়বস্তুৰ লগত সাম্ৰাজ্যবাদৰ ধাৰণাও গুৰুত্বপূৰ্ণভাৱে জড়িত হৈ আছে। বহু অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক আঁচনিৰ মূল ভেঁটি সাম্ৰাজ্যবাদ। সাম্ৰাজ্যবাদী ধাৰণাৰে প্ৰভাৱিত হৈ বিশ্বৰ প্ৰধান শক্তি গোষ্ঠীসমূহে অন্য ৰাষ্ট্ৰৰ ওপৰতো নিজ শক্তিৰ প্ৰভাৱ পেলাই সাম্ৰাজ্যবাদ সদৃশ ৰাজনৈতিক পৰিৱেশ সৃষ্টিৰ প্ৰয়াস কৰে। এই সাম্ৰাজ্যবাদ কেৱল শক্তি প্ৰতিষ্ঠাৰ ধাৰণাতে সীমাবদ্ধ। নৈতিক দিশত ইয়াক গুৰুত্ব প্ৰদান কৰা নহয়। দুৰ্বল ৰাষ্ট্ৰসমূহৰ ওপৰত শক্তিশালী ৰাষ্ট্ৰসমূহৰ শক্তি প্ৰতিষ্ঠাই ইয়াৰ মূল লক্ষ্য।
- **অৰ্থনৈতিক মাধ্যম (Economic Instrument) ঃ** অৰ্থনৈতিক আঁচনিসমূহো ৰাষ্ট্ৰই বৈদেশিক নীতিৰ ৰূপায়ণত বহুলভাৱে প্ৰয়োগ কৰে। বৈদেশিক নীতিৰ উদ্দেশ্যসমূহত সফলভাৱে উপনীত হ'বলৈ ৰাষ্ট্ৰই অৰ্থনৈতিক সক্ষমতা, অনুষ্ঠান আৰু প্ৰযুক্তিৰ প্ৰয়োগ কৰে আৰু এই মাধ্যমসমূহকেই অৰ্থনৈতিক মাধ্যম বা আধাৰ বোলে। অৰ্থনৈতিক মাধ্যম বা আধাৰ ৰাষ্ট্ৰৰ বৈদেশিক নীতি সমূহৰ সফলতাৰ বাবে প্ৰয়োগ কৰা হয়।
- **ক্ষমতাৰ ভাৰসাম্যতা (Balance of Power) ঃ** ক্ষমতাৰ ভাৰসাম্যতা আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত এক প্ৰাথমিক উপাদান। এই ব্যৱস্থাত ৰাষ্ট্ৰ সমূহৰ মাজত ক্ষমতাৰ সমতাপূৰ্ণ বিতৰণ আৰু ক্ষমতাৰ কেন্দ্ৰীয়কৰণ বা অসমতা হ্ৰাস কৰি সংশ্লিষ্ট ৰাষ্ট্ৰসমূহক ৰাজনৈতিকভাৱে শক্তিশালী কৰাৰ প্ৰয়াস কৰা হয়। উদাহৰণস্বৰূপে ইউৰোপৰ ক্ষমতাৰ ৰাজনীতিত দীৰ্ঘকালৰ বাবে বৃটেইনত ক্ষমতাৰ কেন্দ্ৰীয়কৰণ বৰ্তি আছিল আৰু বৃটেইনে প্ৰধান মৰ্যদা ৰক্ষকৰ ভূমিকা পালন কৰিছিল। এই ব্যৱস্থাত ইউৰোপৰ অন্য ৰাষ্ট্ৰসমূহৰ ক্ষমতা বৃদ্ধিও বাধাগ্ৰস্ত হৈছিল।
- **সামূহিক সুৰক্ষা (Collective Security) ঃ** আন্তৰ্জাতিক ৰাজনীতি মাধ্যমেৰে বিশ্ব শান্তি আৰু নিৰস্ত্ৰীকৰণৰ দ্বাৰা সামূহিক সুৰক্ষাৰ প্ৰচেষ্টা কৰা হয়। ক্ষমতাৰ ভাৰসাম্যতা আৰু সামূহিক সুৰক্ষা তুলনামূলকভাৱে দুৰ্বল, কম ক্ষমতাসম্পন্ন ৰাষ্ট্ৰসমূহৰ নিৰাপত্তাৰ কাৰণে বিশেষভাৱে লাভদায়ক। সামূহিক সুৰক্ষা ব্যৱস্থা আগ্ৰামী বা আক্ৰমণাত্মক শক্তিসমূহৰ বিৰুদ্ধে আৰু ক্ষমতাৰ ভাৰসাম্যতা স্বৈৰতান্ত্ৰিক ক্ষমতাৰ বিৰুদ্ধে এক সফল প্ৰতিৰোধ ব্যৱস্থা।
- **আন্তৰ্জাতিক আইন (International Law) ঃ** আন্তৰ্জাতিক সম্বন্ধ ৰক্ষাৰ বাবে ৰাষ্ট্ৰই গ্ৰহণ কৰা নিয়ম, প্ৰচলিত দস্তুৰ, নীতিগত বিধি, চুক্তি আদিৰ সমষ্টিয়েই আন্তৰ্জাতিক আইনৰ বিষয়বস্তু। আন্তৰ্জাতিক সম্বন্ধ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ মাজেৰে বৈদেশিক নীতিৰ উদ্দেশ্যত সফলতা লাভ কৰিবলৈ আন্তৰ্জাতিক আইনৰ গুৰুত্ব অনস্বীকাৰ্য।

- **আন্তর্জাতিক অনুষ্ঠান (International Organization) ঃ** বৈদেশিক নীতিৰ সফল প্ৰয়োগৰ বাবে ৰাষ্ট্ৰই আন্তর্জাতিক অনুষ্ঠানসমূহৰ সাহায্য লয়। এইটো সততে লক্ষ্য কৰা হয় যে তৃতীয় বিশ্বৰ দেশসমূহে ৰাষ্ট্ৰসংঘ (UN)ৰ সহায়ত নিজৰ প্ৰাথমিক উদ্দেশ্যসমূহ কাৰ্যত পৰিণত কৰিবলৈ প্ৰচেষ্টা চলায়। উপনিবেশিক শাসন, সাম্প্ৰদায়িকতা, নিৰস্ত্ৰীকৰণ, অৰ্থনৈতিক শোষণ আদিৰ বিৰুদ্ধে এই ৰাষ্ট্ৰসমূহে ৰাষ্ট্ৰসংঘৰ নিচিনা আন্তর্জাতিক অনুষ্ঠানৰ সহায় লাভ কৰিবলৈ প্ৰচেষ্টা কৰে।
- **বৈদেশিক সাহায্য (Foreign Aid) ঃ** বৈদেশিক নীতিৰ উদ্দেশ্য পূৰণত বৈদেশিক সাহায্য এক গুৰুত্বপূৰ্ণ মাধ্যম। ৰাষ্ট্ৰই বৈদেশিক নীতিৰ মাধ্যমেৰে অন্য ৰাষ্ট্ৰৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলে আৰু ইয়াৰ ভিত্তিত বিভিন্ন মানৱীয় সমস্যাৰ সমাধানত বৈদেশিক সাহায্য লাভ কৰে। বৈদেশিক সামৰিক শক্তিৰ সাহায্য, মানৱীয় সমস্যাৰাজিৰ সমাধানৰ সাহায্য, অৰ্থনৈতিক সাহায্য, খাদ্য আৰু আন কিছুমান সাধাৰণ বিকাশ সাহায্য আদি বৈদেশিক সাহায্যৰ উদাহৰণ।
- **যুদ্ধ (War) ঃ** শতিকাজুৰি মানুহৰ অস্তিত্বৰ ইতিহাসত যুদ্ধ এক অবিচ্ছেদ্য ঘটনা বুলি বিবেচিত হৈ আহিছে। ৰাজনীতিত যুদ্ধ এক সমাধানহীন জটিল সাঁথৰ স্বৰূপ। বহু সময়ত বৈদেশিক নীতিৰ সমাধানহীন সমস্যাসমূহৰ শেষ পৰিণতি হয়গৈ যুদ্ধ। কিন্তু ৰাষ্ট্ৰৰ বৈদেশিক সমস্যাসমূহৰ সমাধান যুদ্ধৰ মাজেৰে নহয়। বৈদেশিক নীতিৰ উদ্দেশ্য আৰু সমস্যাসমূহৰ সমাধানত অন্য মাধ্যমসমূহৰ বিফল ভূমিকাই যুদ্ধৰ সূত্ৰপাত ঘটায়। অৱশ্যেই যুদ্ধক সমসাময়িক বিশ্বত এক গ্ৰহণযোগ্য বৈদেশিক সমস্যাৰ সমাধান বুলি গণ্য কৰা নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ বৈদেশিক নীতিৰ যিকোনো দুটা আহিলা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৭ ঃ বৈদেশিক নীতিৰ যিকোনো দুটা আহিলা হিচাপে সামূহিক সুৰক্ষা আৰু আন্তর্জাতিক আইনৰ বিষয়ে বৰ্ণনা কৰক।

.....

.....

.....



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৈদেশিক নীতি জাতীয় স্বাৰ্থৰ বিশ্লেষণ, ন্যায্যতা প্ৰাপ্তিৰ কাৰণে ৰাষ্ট্ৰই গ্ৰহণ কৰা এলানি নীতি আৰু পদ্ধতিৰ সমষ্টি। ই সকলো আন্তৰ্জাতিক সম্বন্ধৰেই মূল আধাৰ বা ভেঁটি।
- প্ৰত্যেক ৰাষ্ট্ৰই জনসাধাৰণৰ স্বাৰ্থৰ সুৰক্ষা আৰু নিৰাপত্তাৰ কাৰণে বৈদেশিক নীতিৰ আশ্ৰয় লয়। বৈদেশিক নীতিৰ মাজেৰে ৰাষ্ট্ৰই আন্তৰ্জাতিক সম্বন্ধ ৰক্ষা আৰু আন্তৰ্জাতিক ৰাজনীতিত ৰাষ্ট্ৰৰ স্থান নিশ্চিত কৰে।
- ৰাষ্ট্ৰৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহ হ'ল — ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰসাৰণ আৰু সুৰক্ষা, ৰাষ্ট্ৰৰ আঞ্চলিক সংহতিৰ সংৰক্ষণ, ৰাষ্ট্ৰৰ অৰ্থনৈতিক স্বাৰ্থৰ প্ৰসাৰণ , ৰাষ্ট্ৰীয় সুৰক্ষা,ৰাষ্ট্ৰীয় মৰ্যাদাৰ সংৰক্ষণ আৰু বৰ্ধন, বিশ্ব শান্তি স্থাপন আদি।
- ৰাষ্ট্ৰৰ বৈদেশিক নীতি বিভিন্ন কাৰকৰ দ্বাৰা প্ৰভাৱিত হয়। বৈদেশিক নীতি প্ৰভাৱিত হোৱা গুৰুত্বপূৰ্ণ কাৰকসমূহক দুটা শ্ৰেণীত ভাগ কৰিব পাৰি— বাহ্যিক আৰু আভ্যন্তৰীণ কাৰক।
- বৈদেশিক নীতিৰ জৰিয়তে ৰাষ্ট্ৰৰ উদ্দেশ্য আৰু স্বাৰ্থ পূৰণ কৰিবলৈ ৰাষ্ট্ৰৰ সক্ষমতা আৰু সম্পদসমূহৰ ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ বাবে যি মাধ্যমৰ সহায় লোৱা হয় সেইবোৰকে বৈদেশিক নীতিৰ আহিলা বোলে।বৈদেশিক নীতিৰ আহিলাসমূহ হ'ল —কূটনীতি , প্ৰচাৰ আৰু উদ্দেশ্যধৰ্মী প্ৰচাৰ, অৰ্থনৈতিক আঁচনি, সাম্ৰাজ্যবাদ, ক্ষমতাৰ ভাৰসাম্যতা, সামূহিক সুৰক্ষা, আন্তৰ্জাতিক আইন, আন্তৰ্জাতিক অনুষ্ঠান, বৈদেশিক সাহায্য, যুদ্ধ আদি।



১১.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ; নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল। (২০১২)। *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ। (২০০৫)। *আন্তৰ্জাতিক আইন আৰু কূটনীতি*। গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1. Bandyopadhyaya, Jayantanuja. (2003). *The Making of India's Foreign Policy*. New Delhi: Allied Publishers Pvt. Ltd.

2. Chandra, Prakash. (2009). *Theories of International Relations*. New Delhi: Vikas Publishing House Pvt. Ltd.

3. Chander, Prakash and Prem Arora. (2000). *International Relations*. New Delhi: Cosmos Bookhive Pvt. Ltd.
4. Khanna, V.N. (2007). *Foreign Policy of India*. New Delhi: Vikas Publishing House Pvt. Ltd.
5. Malhotra, Vinay Kumar. (2006). *International Relations*. New Delhi: Anmol Publications Pvt. Ltd., New Delhi.



১১.৬ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বৈদেশিক নীতি জাতীয় স্বাৰ্থৰ বিশ্লেষণ, ন্যায্যতা প্ৰাপ্তিৰ কাৰণে ৰাষ্ট্ৰই গ্ৰহণ কৰা এলানি কৰ্মনীতি আৰু পদ্ধতিৰ সমষ্টি। বৈদেশিক নীতি এনে এক মাধ্যম যাৰ দ্বাৰা ৰাষ্ট্ৰই দেশীয় স্বাৰ্থৰ সুৰক্ষা আৰু উদ্দেশ্যসমূহ বাস্তৱীকৰণৰ মাজেৰে অন্য ৰাষ্ট্ৰৰ লগত সম্বন্ধ স্থাপন কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰসাৰণ আৰু সুৰক্ষা আৰু ৰাষ্ট্ৰৰ আঞ্চলিক সংহতিৰ সংৰক্ষণ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় ক্ষমতা (National Power) ঃ ৰাষ্ট্ৰৰ ক্ষমতাৰ প্ৰসাৰণ আৰু উন্নয়ন এক গুৰুত্বপূৰ্ণ উদ্দেশ্য আৰু বৈদেশিক নীতি গ্ৰহণৰ মাজেৰে ইয়াক পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হয়। প্ৰত্যেক ৰাষ্ট্ৰই আন্তৰিকতাৰে নিজৰ দেশৰ ক্ষমতা বৃদ্ধিৰ বাবে যত্নপৰ হয়।

ৰাষ্ট্ৰীয় মৰ্যাদা (National Prestige) ঃ ৰাষ্ট্ৰীয় মৰ্যাদাৰ সংৰক্ষণ আৰু পৰিবৰ্ধন বৈদেশিক নীতিৰ এক মূল উদ্দেশ্য। প্ৰত্যেক ৰাষ্ট্ৰই উন্নতি আৰু মৰ্যাদা বৃদ্ধিৰ বাবে চেষ্টা কৰে আৰু ইয়াৰ দ্বাৰা আন্তৰ্জাতিক মঞ্চত নিজকে সন্মানিত আৰু প্ৰভাৱশালী হিচাবে প্ৰতিষ্ঠা কৰি অন্য ৰাষ্ট্ৰৰ পৰাও সদ্ আচৰণ আশা কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভৌগলিক অৱস্থান আৰু আকাৰ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তৰ্জাতিক পৰিৱেশ আৰু ক্ষমতাৰ গঠন

৬ নং প্ৰশ্নৰ উত্তৰ ঃ কূটনীতি আৰু অৰ্থনৈতিক আঁচনি

৭ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তৰ্জাতিক ৰাজনীতিত বিশ্ব শান্তি প্ৰতিষ্ঠা আৰু আগ্ৰাসন ৰোধৰ বাবে সামূহিক সুৰক্ষা এক প্ৰতিশ্ৰুতিপূৰ্ণ পদক্ষেপ। এই নীতিৰ সহায়ত সমূহীয়া প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰা হয় আৰু এখন শক্তিশালী ৰাষ্ট্ৰ বা ততোধিক ৰাষ্ট্ৰৰ পৰা আহিব পৰা আগ্ৰাসন বা যুদ্ধক প্ৰতিৰোধ কৰা হয়। দুৰ্বল ক্ষমতা সম্পন্ন ৰাষ্ট্ৰসমূহৰ কাৰণে ক্ষমতাৰ ভাৰসাম্যতা আৰু সমূহীয়া সুৰক্ষা অতি সহায়কাৰী ব্যৱস্থা। সমূহীয়া সুৰক্ষা ব্যৱস্থা ৰাষ্ট্ৰৰ আগ্ৰাসী নীতিৰ বিৰুদ্ধে ব্যৱহাৰ কৰা হয়।

আন্তর্জাতিক সম্বন্ধ ৰক্ষাৰ বাবে ৰাষ্ট্রই গ্রহণ কৰা নিয়ম, প্রচলিত দস্তুৰ, নীতিগত বিধি, চুক্তি আদিৰ সমষ্টিয়েই আন্তর্জাতিক আইনৰ বিষয়বস্তু। আন্তর্জাতিক সম্বন্ধ নিয়ন্ত্রণ আৰু পৰিচালনাৰ মাজেৰে বৈদেশিক নীতিৰ উদ্দেশ্যত সফলতা লাভ কৰিবলৈ আন্তর্জাতিক আইনৰ গুৰুত্ব অনস্বীকার্য।



১১.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ বৈদেশিক নীতিৰ যিকোনো দুটা উদ্দেশ্য লিখক ।

প্রশ্ন ২ঃ বৈদেশিক নীতিৰ যিকোনো চাৰিটা বাহ্যিক নির্ধাৰক উল্লেখ কৰক।

প্রশ্ন ৩ঃ বৈদেশিক নীতিৰ দুটা আহিলা উল্লেখ কৰক।

(খ) চুটি প্রশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ বৈদেশিক নীতিৰ চাৰিটা আহিলা বর্ণনা কৰক।

প্রশ্ন ২ঃ বৈদেশিক নীতিৰ আভ্যন্তৰীণ নির্ধাৰক হিচাবে জনমত আৰু সামৰিক শক্তিৰ বিষয়ে লিখক ।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বৈদেশিক নীতিৰ অর্থ ব্যাখ্যা কৰক। বৈদেশিক নীতিৰ যিকোনো পাঁচটা উদ্দেশ্য আলোচনা কৰক।

প্রশ্ন ২ ঃ বৈদেশিক নীতিৰ যিকোনো পাঁচটা নির্ধাৰক ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ বৈদেশিক নীতিৰ আহিলাৰ বিষয়ে আলোচনা কৰক।

* * * * *

অধ্যায় ১২ ঃ আন্তর্জাতিক আইন

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ আন্তর্জাতিক আইনৰ অর্থ

১২.৩.১ আন্তর্জাতিক আইনৰ সংজ্ঞা আৰু উৎপত্তি

১২.৪ আন্তর্জাতিক আইনৰ প্রকৃতি

১২.৪.১ আন্তর্জাতিক আইনক প্রকৃত আইন বুলিব পাৰিনে?

১২.৪.২ আন্তর্জাতিক আইনক প্রকৃত আইন বুলি বিবেচনা কৰাৰ আধাৰ

১২.৫ আন্তর্জাতিক আইনৰ প্রকাৰ

১২.৫.১ যুদ্ধ আৰু শান্তিৰ আন্তর্জাতিক আইন

১২.৫.২ ৰাজহুৱা আৰু ব্যক্তিগত আন্তর্জাতিক আইন

১২.৫.৩ আন্তর্জাতিক আইন আৰু পৌৰ আইনৰ মাজৰ সম্পর্ক

১২.৬ আন্তর্জাতিক আইনৰ পৰিসৰ

১২.৬.১ আন্তর্জাতিক আইন আৰু ৰাষ্ট্রসংঘ

১২.৭ আন্তর্জাতিক আইনৰ উৎস

১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৯ অধিক জানিবলৈ

১২.১০ অগ্রগতিৰ খতিয়ান

১২.১১ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আন্তর্জাতিক আইনৰ অর্থ, প্রকৃতি, উৎপত্তি আৰু গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- আন্তর্জাতিক আইনৰ বিভিন্ন প্রকাৰসমূহ আলোচনা কৰিব পাৰিব
- ৰাজহুৱা আৰু ব্যক্তিগত আন্তর্জাতিক আইনৰ মাজৰ ব্যৱধান ব্যাখ্যা কৰিব পাৰিব
- আন্তর্জাতিক আইন আৰু পৌৰ আইনৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰিব পাৰিব
- আন্তর্জাতিক আইনৰ পৰিৱর্তনশীল পৰিসৰ আলোচনা কৰিব পাৰিব
- আন্তর্জাতিক আইনৰ প্রসংগত ৰাষ্ট্রসংঘৰ ভূমিকা মূল্যায়ন কৰিব পাৰিব
- আন্তর্জাতিক আইনৰ বিভিন্ন উৎসসমূহ আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

"আন্তর্জাতিক আইন" (International Law) শব্দটো প্ৰথমবাৰৰ বাবে ইংৰাজ পণ্ডিত জেৰমি বেন্থামে ১৭৮০ চনতব্যৱহাৰ কৰিছিল। এই শব্দটোৰ আন এটা সমাৰ্থক শব্দ হৈছে "বহুজাতিক আইন"। আন্তর্জাতিক আইনৰ প্ৰধান কাম হৈছে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক তদাৰক কৰা। বিশ্বৰ সকলো সভ্য দেশেই আন্তঃৰাষ্ট্ৰীয় দায়বদ্ধতা সুচাৰ ৰূপে পালন কৰাৰ খাতিৰত আন্তর্জাতিক আইনৰ ৰীতি-বিধি সাবধানে মানি চলে। আন্তর্জাতিক আইনৰ এই বিধি-বিধানবিলাক সুত্ৰবদ্ধ কৰা হয় সামাজিক আচাৰ পৰম্পৰা আৰু আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ আধাৰত। যুদ্ধ কালিনেই হওক বা শান্তিৰ সময়তেই হওক, বিশ্বৰ সকলো সার্ব ভৌম ৰাষ্ট্ৰই পাৰস্পৰিক হিত সাধনৰ স্বাৰ্থত এই বিধি-বিধানবোৰ নিয়াৰিকৈ মানি চলে। আধুনিক মানসিকতা আৰু সংস্কৃতিবান চৰিত্ৰৰ পৰিচয় দিবলৈকে দেশবোৰে আন্তর্জাতিক আইনৰ আনুগত্য স্বীকাৰ কৰাৰে সমৰ্থন কৰে। উন্নত বিজ্ঞান-প্ৰযুক্তিৰ সম্প্ৰসাৰণে ৰাষ্ট্ৰসমূহৰ মাজত সম্ভৰ কৰি তোলা দ্ৰুত আদান প্ৰদানেৰে আন্তর্জাতিক আইনৰ গুৰুত্ব বহু পৰিমাণে বৃদ্ধি কৰিলে।

১২.৩ আন্তর্জাতিক আইনৰ অর্থ

বিশ্বৰ ৰাষ্ট্ৰসমূহে পাৰস্পৰিক সম্পৰ্ক সুচাৰুকৈ সন্তুলিত কৰি ৰাখিবলৈ স্বেচ্চাই মানি লোৱা কেতবোৰ নীতি-বিধিৰ সমষ্টিকে আন্তর্জাতিক আইন বুলিব পাৰি। এই আইনৰ চর্ত অনুযায়ী প্ৰতিখন ৰাষ্ট্ৰই যুদ্ধ কালিন অৱস্থাতেই হওক বা শান্তিপূৰ্ণ অৱস্থাতেই হওক উক্ত নীতি-বিধিবিলাক তথা নির্দ্দিষ্ট অধিকাৰ আৰু দায়িত্ববিলাক পৰ-ৰাষ্ট্ৰৰ সন্দর্ভতো পালন কৰিব লাগিব। প্ৰসিদ্ধ জার্মান আইন বিশাৰদ ওপে'নহেইম (Oppenheim)ৰ মতে কেৱল ৰাষ্ট্ৰসমূহে আন্তর্জাতিক আইনৰ প্ৰতি দায়বদ্ধ, কিন্তু লাউতাৰপেখ্ট্ (Lauterpacht), স্তার্ক (Starke) আৰু অন্যান্য আধুনিক চিন্তাবিদসকলে এই সুত্ৰ নাকচ কৰিছে। গতিকে আধুনিক আন্তর্জাতিক আইনৰ ব্যৱহাৰিক পৰিসৰ সম্প্ৰসাৰিত হৈ আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ কর্ম পদ্ধতি, ব্যক্তি আৰু ৰাষ্ট্ৰৰ প্ৰতি এই সংস্থাসমূহৰ দায়বদ্ধতা বা ৰাষ্ট্ৰবিলাকৰ মাজৰ পাৰস্পৰিক আচৰণ ইত্যাদি বিষয়বিলাকো সামৰি লৈছে। ১৬২৫ চনত প্ৰকাশিত 'The Law of War and Peace' নামৰ প্ৰখ্যাত গ্ৰন্থখনৰ প্ৰণেতা, ওলণ্ডজ পণ্ডিত হিউগ' গ্ৰটিয়াছ (Hugo Gratius) কে আন্তর্জাতিক আইনৰ পিতামহ স্বৰূপ জ্ঞান কৰা হয়। এই খনেই আছিল আন্তর্জাতিক আইনৰ প্ৰথম প্ৰণালীবদ্ধ সর্ব্বসম্পন্ন গ্ৰন্থ। হলেণ্ড, জীন্ ব'ধ (Jean Bodh), নিক'ল' মেকিয়াভেলী (Nicollo Machiavelli) আৰু থমাচ্ হবচ্ (Thomas Hobbos) আদি চিন্তাবিদসকলৰ লেখা মেলাতো আধুনিক সার্বভৌম ধর্ম্মনিৰপেক্ষ ৰাষ্ট্ৰৰ ধাৰণা আৰু এনে ৰাষ্ট্ৰ সমূহৰ পৰিচালন বিধিৰ খুটি-নাটিৰ সম্যক পৰিচয় পোৱা যায়। এই সকলেই আছিল আন্তর্জাতিক আইনৰ আধুনিক প্ৰতিৰূপৰ অতীত খনিকৰ।



জানি থোৱা ভাল

"আন্তর্জাতিক আইন"- এই শব্দৰ উদ্ভাৱন আপেক্ষিকভাৱে নতুন হলেও ইয়াৰ ধাৰণাগত স্থিতি বহুত প্ৰাচীন। অতীজৰ ৰজা মহাৰাজাসকলেও, অন্যান্য সাম্ৰাজ্যবিলাকৰ লগত সম্পৰ্ক বজাই ৰাখিবলৈও কেতবোৰ বিধি-বিধান মানি চলিছিল। যেতিয়াৰ পৰাই মানুহে নিজৰ সামূহিক স্থিতিক একোটা ৰাজনৈতিক সত্তা জ্ঞান কৰিবলৈ আৰম্ভ কৰিলে তেতিয়াৰ পৰাই তেওঁলোকে প্ৰণালীবদ্ধ বিধি-বিধান ব্যৱস্থাৰ প্ৰয়োজন বোধ কৰিবলৈকো আৰম্ভ কৰিলে। এই ৰীতি-বিধিবিলাকেই কালক্ৰমত আচাৰ সংহিতাৰ ৰূপ পৰিগ্ৰহণ কৰি পৰৱৰ্তী সময়ত জাতীয় আইনৰ মৰ্যদা লাভ কৰিলেগৈ। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি যে প্ৰাচীন কালৰ লিখনি কিছুমানত যুদ্ধৰ ৰীতি-নীতি, সন্ধিৰ চুক্তি, নিৰপেক্ষতা বা কুটনৈতিক প্ৰতিনিধি ইত্যাদি প্ৰসংগৰ অৱতাৰণা কৰা দেখা পাওঁ। উনবিংশ আৰু কুৰি শতিকাত এনে বিধি সংহিতাবিলাকৰ লিপিবদ্ধ সংস্কৰণবোৰকে আধুনিক ৰাষ্ট্ৰসমূহে গ্ৰহণ কৰা দেখা গ'ল। অৱশ্যে গ্ৰহণ কৰাৰ আগতে, আন্তর্জাতিক সন্মিলনবিলাকৰ অনুমোদন সাপেক্ষ কেতবোৰ প্ৰয়োজনায় সালসলনি বা পৰিশুদ্ধি নঘটোৱাকৈ নাথাকিল। ইয়াৰ ফলত আচাৰ; নিৰ্দ্দিষ্ট ৰীতি-বিধি বিলাকে সাৰ্বাজনীন স্বীকৃতি লাভ কৰাৰ উপৰিও সেইবোৰৰ প্ৰয়োগ সম্পৰ্কে সাম্ভাব্য বিভ্ৰান্তি বিলাকো আঁতৰ হ'ল। ইয়াকে কোৱা হ'ল আন্তর্জাতিক আইনৰ নিয়ম সংহিতা নিৰপন (Codification) ।

১২.৩.১ আন্তর্জাতিক আইনৰ সংজ্ঞা আৰু উৎপত্তি

আন্তর্জাতিক আইনৰ এজন প্ৰখ্যাত তাত্ত্বিক অধ্যাপক ও'পেনহেইমৰ মতে সুসভ্য ৰাষ্ট্ৰ সমূহে পাৰস্পৰিক সমন্বয়ৰ স্বাৰ্থত অনুসৰণ কৰিবলগীয়া আচাৰ সংহিতা আৰু চুক্তিৰ সমষ্টিকেই আন্তর্জাতিক আইনৰ আখ্যা দিয়া হয়।

জে. এল. ব্ৰিয়েৰলী (J.L. Brierly) ৰ মতে সভ্য দেশ বিলাকে নিজৰ মাজত সন্মতি পূৰ্ব্বকভাৱে পাৰস্পৰিক সমন্বয় সংস্থাপন কৰিবলৈ মানি চলা বিধা-বিধানবোৰকে আন্তর্জাতিক আইনৰ মৰ্যাদা প্ৰদান কৰা যায়।

প্ৰসিদ্ধ ইংৰাজ আইন বিশাৰদ লৰেঞ্চৰ ব্যাখ্যা মতে, সুসভ্য দেশ বিলাকে পাৰস্পৰিক সম্পৰ্ক বহাল ৰাখিবলৈ অনুসৰণ কৰা ৰীতি- বিধিবিলাককে আন্তর্জাতিক আইন বুলিব পাৰি। পাৰস্পৰিক সম্পৰ্কৰ বিসংগতিয়ে স্বাধীন তথা সাৰ্বাভৌম ৰাষ্ট্ৰবিলাকৰ মাজৰ সদ্‌ভাৱ বিনষ্ট কৰে। আন্তর্জাতিক আইনে ৰাষ্ট্ৰসমূহৰ আচৰণ প্ৰকৃতি নিয়ন্ত্ৰনাধীন কৰি বিধিবদ্ধভাৱে শৃঙ্খলিত কৰি ৰাখে।

জার্মান মূলৰ ইংৰাজ আইনজ্ঞ জর্জ শ্বোৱর্জেন বার্গাৰৰ দৃষ্টিত "আন্তর্জাতিক আইন এনে কেতবোৰ সর্বসন্মত বিধান যিবিলাক সকলো সার্বভৌম ৰাষ্ট্ৰ আৰু আন্তর্জাতিক জাতি সত্ত্বাৰ ক্ষেত্ৰতেই প্ৰযোগ কৰা হয়। প্ৰকৃত পক্ষে ৰাষ্ট্ৰ আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাবিলাকৰ আচৰণ-বিচৰণ ন্যায়নিষ্ঠভাৱে নিয়ন্ত্ৰিত কৰি ৰখাৰ চেষ্টা আন্তর্জাতিক আইনৰ সর্ব্বপ্ৰধান দায়িত্ব।"

ঊনবিংশ শতিকাৰ আদর্শবাদী চিন্তাবিদ সকলে ন-দি কৈছে যে বিশ্বত শান্তি আৰু শৃংখলা বাহাল ৰাখিবলৈ আন্তর্জাতিক আইনৰ নির্বিবাদ প্রয়োগ আৱশ্যম্ভাৰী। ইয়াৰ ফলতেই আন্তর্জাতিক আইনৰ ভূমিকাই বিশেষ গুৰুত্ব লাভ কৰিলে আৰু ইয়াক সংহিতাবদ্ধ কৰিবলৈ একাধিক আন্তঃৰাষ্ট্রীয় সন্মিলন অনুস্থিত কৰা দেখা গ'ল। এই আন্তঃৰাষ্ট্রীয় সন্মিলন আৰু সম্পাদিত চুক্তিবিলাকৰ জৰিয়তে থল যুদ্ধ, জল যুদ্ধ সম্পর্কীয় আন্তর্জাতিক আইন-সংহিতা নির্দ্ধাৰণ কৰাৰ উপৰিও বায়ু যুদ্ধৰ বিধি-বিধানবিলাকো নিয়াৰিকৈ প্রস্তুত কৰাৰ তৎপৰতাও আৰম্ভ হ'ল। এই সংহিতকৃত আইনৰ সহায়ত আন্তর্জাতিক পৰিসৰত দেখা দিব পৰা সাম্ভাব্য বিবাদবোৰ সুচাৰুকৈ মীমাংসা কৰাৰ নিমিত্তে ১৯২১ চনত 'Permanent Court of International Justice' (PCIJ) প্রতিস্থিত হ'ল। এই কালচোৱাত আদর্শবাদী সকলৰ প্রচেষ্টাতে. জাতিসংঘই (League of Nations) অত্যন্ত গুৰুত্বপূর্ণ ভূমিকা পালন কৰা দেখা গ'ল। দ্বিতীয় বিশ্ব যুদ্ধৰ পিছৰ কালত আন্তর্জাতিক আইনৰ বুৰঞ্জীয়ে নতুন অধ্যায়ৰ সূচনা কৰিলে । জাতিসংঘৰ পিছত ৰাষ্ট্রসংঘই (UNO) কেতবোৰ বাস্তৱধর্ম্মী পদক্ষেপ গ্রহণ কৰি আন্তর্জাতিক আইনৰ বর্দ্ধিত পৰিসৰৰ মাজলৈ মানৱ অধিকাৰ, মানৱ উন্নয়ন, পৰিৱেশ সংৰক্ষণ ইত্যাদি বিষয়বিলাকো অন্তর্ভূক্ত কৰিলে। এনেকেয়ে বাস্তৱয়িত হ'ল আন্তর্জাতিক মানৱীয় আইনৰ ধাৰণা। ৰাষ্ট্র সংঘ (UNO)ৰ তত্ত্বাৱধানত ১৯৪৬ চনত 'Permanent Court of International Justice' (PCIJ) ক নতুনকৈ নামাকৰণ কৰি 'International Court of Justice' (ICJ) কৰা হ'ল।

১২.৪ আন্তর্জাতিক আইনৰ প্রকৃতি

আন্তর্জাতিক আইনৰ ভিন্ন ভিন্ন শাখাবিলাক গথিত হৈছে পৰম্পৰাগত প্রথা, আচৰণৰ আধাৱত আৰু ৰাষ্ট্রসমূহৰ সন্মতি সাপেক্ষে। কিন্তু আন্তর্জাতিক আইনৰ সিদ্ধান্ত বিলাক বলবৎ কৰিবলৈ সংশ্লিষ্ট দেশবিলাকৰ এনে কোনো কর্তৃত্ব নথকাৰ ফলত এই আইন মানি চলিবলৈ দেশবিলাকক দায়বদ্ধ কৰিব নোৱাৰি। আন্তর্জাতিক আইন বলবৎ কৰাৰ অর্থে কোনো বিধান মণ্ডল অথবা কার্যবাহী কর্তৃপক্ষ নথকাৰ কাৰণে আইন বিশাৰদসকলে আন্তর্জাতিক আইনক দূর্ব্বল আইন বুলি বিবেচনা কৰে। আন্তর্জাতিক ন্যায় সাধন ব্যৱস্থাত "ইণ্টাৰনেচনেল ক'র্ট অৱ জাষ্টিচ'ৰ সিদ্ধান্তসমূহ কার্যকৰী কৰিবলৈ প্রতিষ্ঠানটোৰ হাতত কোনো সার্ব্বজনীন কর্তৃত্ব নাই কাৰণেই এই ক'র্টৰ সিদ্ধান্তবিলাকে বিবাদসমূহ নিৰঙ্কুশভাৱে নিষ্পত্তি কৰিব নোৱাৰে। যদিও সার্বভৌম ৰাষ্ট্রবিলাকে নিজ নিজ জাতীয় স্বার্থ সাধনৰ খাতিৰত আন্তর্জাতিক আইনৰ নির্দ্দেশ মানি চলাটো আশা কৰা যায়, কিন্তু কার্যতঃ সেই বিলাকৰ সঠিকভাৱে বলবতীকৰণ প্রক্রিয়াত কোনো শক্তি প্রয়োগ বা অর্থনৈতিক বাধা-নিষেধ আৰোপৰ উদাহৰণ কাৎচিতহে দেখা যায়। কেৱল স্বার্থজনিত উচ্চাভিলাষৰ নিমিত্তেহে ৰাষ্ট্রবিলাক আন্তর্জাতিক আইন উলংঘা কৰাৰ পৰা বিৰত থাকে। প্রকৃতার্থত আন্তর্জাতিক আইনৰ সর্ব্বোচ্চ একটিয়াৰ কেৱল নৈতিক বাধা নিষেধতেই সীমাবদ্ধ। সেইকাৰণে ইংৰাজ আইন বিশাৰদ হলাণ্ড এ মত পোষণ কৰে যে আইনশাস্ত্রৰ মহিমা আন্তর্জাতিক আইনতে অন্ত পৰিছে, কিয়নো এই আইনৰ কোনো অবিসম্বাদী কর্তৃত্ব নাই বা আইন অমান্যকৰণৰ বিৰুদ্ধে যথাযোগ্য প্রতিৰোধমূলক ব্যৱস্থাৰ অনুবিধিও নাই।

অষ্ট্রেলিয়াৰ পণ্ডিত প্ৰবৰ পিট্ কবেট (Pitt Cobbett)ৰ মতে "আন্তর্জাতিক আইন জাতীয় আইনৰ নিচিনা পোনপটীয়া নহয় আৰু জাতীয় আইনৰ অধিনস্থ শক্তিশালী কর্তৃত্ব আন্তর্জাতিক আইনৰ নাই।" সার্ব্বজনীন মান্যতা আৰু ৰাষ্ট্রসমূহৰ পাৰস্পৰিক সন্মতিয়েই এই আইনৰ মূল শক্তি-যাৰ প্ৰতি সকলো ৰাষ্ট্রই দায়বদ্ধতা স্বীকাৰ কৰে। আন্তর্জাতিক আইন কেৱল এটা আইন অনুশাসন, ই কোনো নীতি-নৈষ্ঠিক বাধ্যবাধকতা নহয়। তথাপিও স্বীকাৰ কৰিব লাগিব যে কিছুমান ক্ষেত্রত বিশেষতঃ মানৱ অধিকাৰ আৰু মানৱীয় মর্যাদাৰ ক্ষেত্রত নীতি নিষ্ঠাৰ প্রভাৱ মন কৰিবলগীয়া। বিশ্বৰ ৰাষ্ট্রসমূহে নিজৰ কাম-কাজ সম্পাদন কৰোতে যাতে আন্তর্জাতিক আইনৰ বিধি-বিধানবোৰ উলংঘা নকৰে সেই সম্পর্কে সতর্কতা অৱলম্বন কৰে, কিয়নো তাকে কৰিলে আন্তঃৰাষ্ট্রীয় সমুদায়ৰ মাজত দায়ী ৰাষ্ট্রৰ ভাৱমুক্তি ম্লান হোৱাটো স্বাভাৱিক।

১২.৪.১ আন্তর্জাতিক আইনক প্রকৃত আইন বুলিব পাৰিনে ?

সাধাৰণতে আইনক সর্ব্বশক্তিমান কর্তৃপক্ষৰ নির্দ্দেশ বুলি বিবেচনা কৰা হয় আৰু আইন অমান্য কৰা কার্যক শাস্তিমূলক অপৰাধ বুলি গণ্য কৰা হয়। কিন্তু আন্তর্জাতিক আইনৰ ক্ষেত্রত স্বাধীন ৰাষ্ট্রবোৰৰ কাৰো শাস্তি বিহাৰ কৃর্তৃত্ব নাই। এই আইনৰ নীতি অনুসৰি ব্যৱহাৰিক অর্থত সকলো ৰাষ্ট্রই সমতুল্য। আন্তর্জাতিক ক্ষেত্রত এনে কোনো বিধান মণ্ডল নাই যাৰ আইন প্রণয়ন কৰাৰ ক্ষমতা থাকে বা এনে কোনো কার্যবাহী কর্তৃপক্ষ নাই যি আইনৰ ধাৰাসমূহ সদস্য ৰাষ্ট্র বিলাকত বলবৎ কৰিব পাৰে। ইণ্টাৰনেচনেল্ ক'র্ট অৱ জাষ্টিচৰো এনে কোনো কর্তৃত্ব নাই যে বিবাদমান দেশ বিলাকৰ সন্মতি অবিহনে স্বেচ্ছাই কোনো সিদ্ধান্ত গ্রহণ কৰিব পাৰে বা নিজৰ সিদ্ধান্তক বলবত কৰিব পাৰে। সেই কাৰণেই জ'ন অষ্টিন্, হলাণ্ড, লর্ড চেলিচবেৰি, লর্ড ক'লৰিজ, ডব্লিয়ু. এইচ্. ডব্লিয়ু আর্মষ্ট্রং ইত্যাদি পণ্ডিতসকলে ভাবে যে আন্তর্জাতিক আইন প্রকৃততেই দুর্বল। অষ্টিনে মোখনি মাৰি কৈছে যে আন্তর্জাতিক আইনক মৌলিক আইন বুলি ক'ব পৰা নাযায়। তেওঁৰ মতে ই আচলতে আন্তর্জাতিক সদর্থক নৈতিকতাবোধ। কিন্তু এই মতৰ বিপৰীতে ও'পেনহেইম, স্তাক, ছাৰ হেনৰি মেইন্হ'ল, জে. এল. ব্রিয়েৱলী আৰু ফ্রেডেৰিক্ পলক্ আদি অন্য এচাম পণ্ডিতে বিশ্বাস কৰে যে আন্তর্জাতিক আইনে প্রকৃততে মৌলিক আইনৰ মর্যদা দাবী কৰিব পাৰে। তেওঁলোকে ক'ব খোজে যে আন্তর্জাতিক আইন সদর্থক আইন আৰু সকলো সভ্য দেশেই এই আইন মানি চলে। প্রকৃত পক্ষে কোনো নবগথিত ৰাষ্ট্রই আন্তর্জাতিক আইনৰ বিধি-বিধান অনুসৰি অন্যান্য ৰাষ্ট্রসমূহৰ পৰা স্বীকৃতি লাভ কৰিলেহে আন্তঃৰাষ্ট্রীয় সম্প্রদায়ৰ অন্তর্ভূক্ত হোৱাৰ যোগ্যতা অর্জন কৰে। আন্তঃৰাষ্ট্রীয় বাণিজ্য বা বৈদেশিক নীতি প্রয়োগৰ ক্ষেত্রতো বিশ্বৰ সকলো ৰাষ্ট্রই আন্তর্জাতিক আইনৰ বিধানবিলাককে আইনী মর্যাদা প্রদান কৰে। এইচাম পণ্ডিতৰ বিচাৰ মতে ৰাষ্ট্রসমূহে আন্তর্জাতিক আইনৰ নীতি-বিধিবিলাকৰ প্রতি পূর্ণ দায়বদ্ধতা স্বীকাৰ কৰে। গতিকে কেৱল অনুশাসনিক কর্তৃপক্ষৰ অনুপস্থিতি আৰু বিধানমণ্ডলী অথবা উমৈহতীয়া নিয়ন্ত্রণ ব্যৱস্থাৰ অভাৱৰ আছিলাত আন্তর্জাতিক আইনৰ আইনি বৈধতা নস্যাত কৰিব নোৱাৰি। বাধ্যবাধকতা সাব্যস্ত কৰা কর্তৃত্বই আইনৰ একমাত্র ধর্ম্ম হ'ব নোৱাৰে। আন্তর্জাতিক আইনৰ প্রতি স্বভাৱজাত

আনুগত্য এটা নৈতিক প্রবণতা, ই কোনো বাধ্যতামূলক আনুষ্ঠানিকতা নহয়। তাৰোপৰি কোনো ৰাষ্ট্ৰই আন্তর্জাতিক আইনৰ বিধি-বিধান বা অনুমোদিত চুক্তিবোৰ অৱজ্ঞা কৰাৰ দায়ত নিসঙ্গ হৈ থাকিবলৈ নিবিচাৰে। কোনোবাই অৱজ্ঞা কৰিলেও আন্তর্জাতিক আইনৰ স্থিতি বা মহিমা শেষ হৈ নাযায়। বিশ্ব সমুদায় জীয়াই থকালৈকে আন্তর্জাতিক আইনৰ স্থিতি অটুট থাকিব।

১২.৪.২ আন্তর্জাতিক আইনক প্রকৃত আইন বুলি বিবেচনা কৰাৰ আধাৰ

হিউচ (Hughes)ৰ মতে সার্বভৌম ৰাষ্ট্রবিলাকৰ সমর্থনেই আন্তর্জাতিক আইনৰ আধাৰ। ও'পে'নহেইমৰ মতেও ৰাষ্ট্র মণ্ডলীৰ উমৈহতীয়া সমর্থনৰ আধাৰতেই আন্তর্জাতিক আইন গঢ় লৈ উঠিছে। এই সমর্থনৰ প্রকৃতি প্রথাগত হ'ব পাৰে অথবা সম্পাদিত চুক্তিবিলাকৰ অনুমোদনো হ'ব পাৰে। সমর্থন আগবঢ়োৱা ৰাষ্ট্রবিলাকে সমর্থিত নীতি-বিধি বা চুক্তি বিলাক মানি চলিবলৈ বাধ্য হয়। আধুনিক বিশ্বৰ আইন বিশাৰদসকলে বিশ্বাস কৰে যে এই দায়বদ্ধতা মুলতঃ পাৰস্পাৰিক স্বার্থ সিদ্ধ কৰাৰ প্রয়োজনৰ পৰাহে আহে কোনো ভয়ৰ কাৰণে নহয়। পাৰস্পৰিক হিত সাধনৰ লক্ষ্যই হৈছে আন্তর্জাতিক আইনৰ মূল ধর্ম। ঐতিহাসিক অনুবন্ধৰ পৰা এইটো অনুমান কৰিব পাৰি যে পৌৰাণিক যুগতো পৃথিৱীত একপ্রকাৰ আইন ব্যৱস্থা বলবৎ আছিল আৰু দেশবিলাকে নিজৰ মাজত সুসম সমন্বয় ৰক্ষাৰ অর্থে স্বেচ্ছাই সেই ব্যৱস্থাত সমর্থন জনাইছিল। অৱশ্যে সেই বিধি-বিধানবোৰ মূলতঃ আছিল পৰম্পৰাগত আচৰণ নির্দিষ্ট। বিংশ শতাব্দীত সেই আচৰণমূলক ৰীতি বিধিবিলাকৰ স্থান ল'লেহি আনুষ্ঠানিক চুক্তি আৰু সন্মিলনত গৃহিত বিধি-বিধানবোৰে। এই আনুষ্ঠানিক ভাৱে সম্পাদিত আন্তর্জাতিক চুক্তি আৰু সন্মিলন-গৃহিত সিদ্ধান্তবিলাকেই আন্তর্জাতিক বিধেয়কৰ মর্যাদা লাভ কৰিলে। দেশ বিলাকে এই আন্তর্জাতিক আইনৰ প্রতি নিজৰ দায়বদ্ধতা স্বীকাৰ কৰিলে , আন্তর্জাতিক আইনৰ তত্ত্বাবধায়ক স্বৰূপ ৰাষ্ট্রসংঘই এই আইনৰ প্রকৃত বৈধতা সাব্যস্ত কৰাৰ চর্ত বিলাক নিয়ন্ত্রণ কৰাৰ দায়িত্ব পালন কৰে। ৰাষ্ট্রসংঘৰ সকলো সদস্য ৰাষ্ট্রই আন্তর্জাতিক আইনৰ প্রতি নৈতিক আৰু আইনগতভাবে দায়বদ্ধ। আন্তর্জাতিক আইনৰ প্রতি আনুগত্য স্বীকাৰ কৰাটো সকলো সভ্য দেশৰে সাংবিধানিক দায়িত্ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আন্তর্জাতিক আইনৰ অর্থ লিখক।

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ হিউগ' গ্রটিয়াছৰ গ্রন্থখনৰ নাম লিখক।

.....

প্রশ্ন নং ৩ ঃ "আন্তর্জাতিক আইন" (International Law) শব্দটো প্রথমবাৰৰ বাবে কোনে ব্যৱহাৰ কৰিছিল?

.....

প্রশ্ন নং ৪ ঃ ICJ ৰ সম্পূর্ণ নামটো কি?

.....

১২.৫ আন্তর্জাতিক আইনৰ প্রকাৰ

১২.৫.১ যুদ্ধ আৰু শান্তিৰ আন্তর্জাতিক আইন

আন্তর্জাতিক আইন দুটা ভাগত বিভক্ত— যুদ্ধৰ আইন আৰু শান্তিৰ আইন। আৰম্ভণিতে আন্তর্জাতিক আইনৰ পৰিসৰ যুদ্ধকলৈয়েই আৱদ্ধ আছিল। যুদ্ধ সম্পর্কীয় আইনৰ ভাগ তিনিটা— স্থল যুদ্ধ, জল যুদ্ধ আৰু বায়ু যুদ্ধ। কিন্তু বিংশ শতিকাৰ দ্বিতীয়ার্দ্ধত আণবিক যুদ্ধ সম্পর্কীয় আইন প্রস্তুত কৰি এটা নতুন শাখা অন্তর্ভূক্ত কৰা হ'ল।

আন্তর্জাতিক শান্তি আইনে সামৰি লোৱা বিষয়বোৰ হৈছে- ৰাষ্ট্রৰ সম-অধিকাৰ, নিৰপেক্ষতা, ৰাষ্ট্রৰ অধিকাৰ আৰু দায়িত্ব, আন্তর্জাতিক বাণিজ্য শৰণার্থী আইন, শ্রমিক আইন, কুটনৈতিক আইন, শিশু আৰু মাতৃৰ অধিকাৰ আইন, বিশ্ব পৰিবেশ সংৰক্ষণ আইন আৰু দ্বিপাক্ষিক বা বহুপাক্ষিক বিবাদ মীমাংসা আইন ইত্যাদি। বিশ্বায়নৰ যুগত ৰাষ্ট্রসমূহৰ মাজত সুসম সহযোগিতা আৰু পাৰস্পৰিক নির্ভৰশীলতাই বিশেষ গুৰুত্ব লাভ কৰিছে। যুদ্ধত আহত আৰু উপদ্রুত সকলৰ প্রতি মানৰীয় অনুকম্পা প্রদর্শন, খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ আৰু মানৰ সুৰক্ষা ইত্যাদি বিষয়বোৰ সামৰি লৈ সৃষ্টি কৰা হ'ল আন্তর্জাতিক মানবীয় আইন।

১২.৫.২ ৰাজহুৱা আৰু ব্যক্তিগত আন্তর্জাতিক আইন

দুই বা তাতোধিক ৰাষ্ট্রৰ মাজত সম্পন্ন হোৱা চুক্তি বা আনুষ্ঠানিক বুজাপৰা ৰাজহুৱা আন্তর্জাতিক আইনৰ অর্ন্তভূক্ত এটা উপাদান। অন্যহাতে ব্যক্তিগত আন্তর্জাতিক আইনে সাধাৰণতে আন্তর্দেশীয় বাণিজ্যিক লেন- ডেন আৰু দুখন দেশৰ ব্যক্তি বিশেষৰ মাজত অথবা ব্যৱসায়িক প্রতিষ্ঠানৰ মাজত দেখা দিয়া বিবাদ নিষ্পত্তিকৰণ ইত্যাদি বিষয়বিলাক তদাৰক কৰে। এইবিধ আইন কার্যতঃ বিভিন্ন দেশৰ পৌৰ আইন বা জাতীয় আইনৰে অংশ স্বৰূপ। এই কথা সকলোৱে জানে যে প্রত্যেক দেশৰ প্রচলিত আইনৰ প্রকৃতি ভিন্ন ভিন্ন। দেশবোৰে নিজৰ আভ্যন্তৰীণ প্রয়োগৰ নিমিত্তে তৈয়াৰ কৰি লোৱা আইনকে পৌৰ আইন বা দেশীয় আইন আখ্যা দিয়া হয়। ইংৰাজ আইনজ্ঞ এ.ভি. ডাইচিৰ মতে ব্যক্তিগত আন্তর্জাতিক আইনে 'আইনি যুজ'ৰ ইংগিত স্থাপন কৰে। কিয়নো এই আইনৰ প্রযোগ হয় বিভিন্ন দেশৰ আভ্যন্তৰীণ আইনৰ ৰীতি-বিধিৰ মাজত দেখা দিয়া পাৰস্পৰিক বিৰোধৰ নিৰাময় প্রক্রিয়াত। এনে ধৰণৰ পাৰস্পৰিক বিৰোধ বা মনোমালিন্যবিলাকৰ কাৰকবিলাক হ'ব পাৰে স্থায়ী আবাসজনিত, বিবাহ বা বিবাহ বিচ্ছেদজনিত, ইচ্ছা পত্র সম্পর্কীয়, চুক্তিৰ নার্যতা ইত্যাদি বিষয়। ইয়াক

আন্তর্দেশীয় আইন আৰু আন্তর্জাতিক ন্যায়িক সেহিদ্য (international comity) বুলিও কোৱা হয়। কালক্রমত ব্যক্তিগত আন্তর্জাতিক আইনৰ বিধি-বিধানবোৰে আন্তর্জাতিক চুক্তিৰ আনুষ্ঠানিক অনুমোদন লাভ কৰি আন্তর্জাতিক আইনৰ শাৰীভূক্ত হ'বগৈ পাৰে।

১২.৫.৩ আন্তর্জাতিক আইন আৰু পৌৰ আইনৰ মাজৰ সম্পর্ক

আইন শাস্ত্রৰ মতে আন্তর্জাতিক আইন আৰু জাতীয় আইনৰ ব্যৱহাৰিক ক্ষেত্র সুকীয়া সুকীয়া। বিভিন্ন দেশবিলাকে নিজৰ আভ্যন্তৰীণ কাম-কাজ সুচাৰুকৈ সম্পাদন কৰিবলৈ নিজ নিজ জাতীয় বিধান মণ্ডলী আৰু সংবিধানৰ সন্মতিক্রমে তৈয়াৰ কৰি লোৱা আইনকে পৌৰ আইন বা জাতীয় আইন বোলা হয়। এখন দেশৰ জাতীয় আইনে সেই দেশৰ পৰিসীমাৰ ভিতৰত চৰকাৰ আৰু নাগৰিকসকলৰ আচৰণ-বিচৰণ নিয়ন্ত্রনাধীন কৰি ৰাখে। ভিন্ন ভিন্ন দেশত এই আইনৰ প্রকৃতিও ভিন্ন ভিন্ন। অষ্ট্রিয়াৰ আইনজ্ঞ হেনচ্ কে'লচেন্ৰ মতে জাতীয় আইনে নাগৰিকসকলৰ গতি-আচৰণ নিয়ন্ত্রণ কৰে আৰু আন্তর্জাতিক আইনে ৰাষ্ট্রসমূহৰ আচৰণ নিয়ন্ত্রিত কৰি ৰাখে। পৌৰ বা জাতীয় আইন ঘাইকৈ এখন দেশৰ আভ্যন্তৰীণ বিষয়ক লৈ ব্যস্ত হৈ থাকে, কিন্তু আন্তর্জাতিক আইনৰ দায়িত্ব হৈছে এখন ৰাষ্ট্রৰ বৈদেশিক সম্পর্কজনিত বিষয়বোৰ পৰিচালনা কৰা। জাতীয় আইন হৈছে দেশৰ কর্তৃপক্ষই নিজৰ নাগৰিকসকলৰ প্রতি জাৰি কৰা নির্দ্দেশাৱলী। আন্তর্জাতিক আইন তেনে কোনো কর্তৃত্বশীল মহলে জাৰি কৰা নির্দ্দেশ নহয়; বৰং দুখন ৰাষ্ট্রৰ মাজৰ সম্পর্ক নিয়ন্ত্রণ কৰাৰ কেতবোৰ বিধি-বিধান। সেয়ে এই আইন তুলনামূলকভাৱে জাতীয় আইনতকৈ দুর্বল।

জাতীয় আইন আৰু আন্তর্জাতিক আইনৰ সম্পর্কৰ বিষয়ে প্রচলিত তত্ত্ব দুটাৰ এটা হ'ল **অদ্বৈতবাদী তত্ত্ব** আৰু আনটো **দ্বৈতবাদী তত্ত্ব**। অদ্বৈতবাদী তত্ত্বই প্রথম বিশ্বযুদ্ধৰ পৰবর্ত্তী কালত প্রসাৰ লাভ কৰিছিল। ফৰাছী পণ্ডিত লিয়ন দুগুইট্ আৰু হেনচ্ কেলচনে এই তত্ত্বটোক সমর্থন কৰিছিল। অদ্বৈতবাদী তত্ত্বৰ ব্যক্তব্য হৈছে- আন্তর্জাতিক আইন আৰু জাতীয় আইনৰ কোনো প্রকৃতিগত পার্থক্য নাই। দুয়োবিধ আইন উদ্ভুত হৈছে একেই আইনবিজ্ঞানৰ পৰা। গতিকে জাতীয় আইন আৰু আন্তর্জাতিক আইন একেটা মুদ্রাৰে ইপিঠি-সিপিঠি। হেনচ্ কেলচন্ৰ মতে জাতীয় আইনৰ দৰেই আন্তর্জাতিক আইনেও আন্তর্জাতিক ক্ষেত্রত মানৱৰ জাতীয় আচৰণ প্রক্রিয়া নিয়ন্ত্রণ কৰে।

অন্যহাতে দ্বৈতবাদী তত্ত্ব মতে দুয়োবিধ আইনেই সম্পূর্ণ ভিন্ন প্রকৃতিৰ। জার্মান দিগ্ডাজ হেনৰিক ট্রিপেল, ইটালীৰ পণ্ডিত এঞ্জিলতি আৰু ও'পেনহেইম আদিয়েই দ্বৈতবাদ তত্ত্বৰ প্রধান প্রবক্তা। ত্রিপেলে মন্তব্য কৰে যে জাতীয় আইনৰ বিষয়বস্তু হৈছে ব্যক্তিগোষ্ঠী, কিন্তু আন্তর্জাতিক আইনৰ বিষয়বস্তু ৰাষ্ট্রমণ্ডলী। ও'পেইনহেমে বিশ্বাস কৰে যে দুয়োবিধ আইনৰ মর্ম্মগত ভিন্নতাও মনকৰিবলগীয়া। জাতীয় আইনৰ উৎস হৈছে এখন দেশৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত প্রচলিত আচৰণ, পৰম্পৰা আৰু সেই দেশৰ সংবিধান নির্দ্দিষ্ট নীতি-নির্দ্দেশনাবিলাক, কিন্তু আন্তর্জাতিক আইনৰ মূল আধাৰ সমস্ত ৰাষ্ট্রমণ্ডলীৰ সৰোগত আচাৰ-বিচাৰ আৰু সদস্য ৰাষ্ট্রসমূহে সম্পাদন কৰা চুক্তিসমূহ। সেই কাৰণে দ্বৈতবাদীসকলে বিশ্বাস

কৰে যে আন্তর্জাতিক আইনে এখন দেশৰ জাতীয় আইনৰ ভূমিকা পালন কৰিব নোৱাৰে যদিহে সেই দেশৰ আইন আৰু বিধিসন্মত চুক্তিৰ দ্বাৰা তেনে কার্যৰ পূর্ব অনুমোদন লাভ নকৰে। পণ্ডিত প্রবৰ কেলচনে এই তত্ত্বক দ্বৈতবাদী বোলাতকৈ বহুতত্ত্ববাদী বুলি কোৱাহে সমীচীন জ্ঞান কৰিছিল।

বিভিন্ন ৰাষ্ট্রই আন্তর্জাতিক আইনৰ প্রৱধান বিলাক নিজ নিজ জাতীয় আইনৰ আওঁতাত অন্তর্ভূক্ত কৰিবলৈ বিভিন্ন পন্থা অৱলম্বন কৰে। আমেৰিকা যুক্তৰাষ্ট্র আৰু গ্রেট বৃটেইনে বিশ্বাস কৰে যে আন্তর্জাতিক আইন তেওঁলোকৰ নিজ নিজ জাতীয় আইনৰো অংশবিশেষ। ফ্রান্সেও ভাবে যে আন্তর্জাতিক আইনৰ যিবোৰ আচৰণমূলক বিধি-বিধান তেওঁলোকৰ সংবিধান সাপেক্ষ, সেইবিলাক বিধি-বিধান তেওঁলোকৰ জাতীয় আইনৰো পৰিপুৰক। ভাৰতীয় সংবিধানত অন্তর্ভূক্ত 'ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি' (Directive Principles of State Policy) ৰ ৫১ নং অনুচ্ছেদত ভাৰত চৰকাৰক আন্তর্জাতিক আইন আৰু চুক্তি সমূহৰ প্রতি আনুগত্য পোষণ কৰাৰ নির্দ্দেশ জাৰি কৰা আছে। প্রকৃততে ভাৰতৰ জাতীয় আইনে আন্তর্জাতিক আইন আৰু নৈতিকতাৰ সৈতে সম্পূর্ণ তালমিল ৰাখি সকলো কামকাজ সম্পাদন কৰাত আস্থা প্রদান কৰে। ব্যৱহাৰিক অর্থত সকলো সভ্য ৰাষ্ট্রই আন্তর্জাতিক আইনৰ প্রতি যথাযোগ্য গুৰুত্ব আৰোপ কৰে আৰু নিজৰ আভ্যন্তৰীণ শান্তি শৃঙ্খলা অটুট ৰখাৰ নিমিত্তে জাতীয় আইন প্রস্তুত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ যুদ্ধ সম্পর্কীয় আইন কেই প্রকাৰ?

.....

প্রশ্ন নং ৬ ঃ পৌৰ আইন আৰু আন্তর্জাতিক আইনৰ মাজৰ সম্পর্কৰ প্রসংগত অদ্বৈতকাৰী তত্ত্বৰ দুজন আৰু দ্বৈতবাদী তত্ত্বৰ দুজন প্রবক্তাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৭ ঃ আন্তর্জাতিক আইনৰ প্রতি ভাৰতৰ দৃষ্টিভংগী কেনেকুৰা?

.....

.....

১২.৬ আন্তর্জাতিক আইনৰ পৰিসৰ

কুৰি শতিকাৰ কালছোৱাত আন্তর্জাতিক আইনৰ আওঁতাত অনেক নতুন বিষয় অন্তর্ভূক্ত কৰা হ'ল। এই বিলাকৰ ভিতৰত মানৱ অধিকাৰ, মানৱীয় আইন, মানৱ সুৰক্ষা, আন্তর্জাতিক বাণিজ্য, যাতায়ত নিয়ন্ত্রণ, স্বাস্থ্য-বিধি, আণবিক শক্তি নিয়ন্ত্রণ, শ্রমিক সংক্রান্ত বিষয় ইত্যাদিয়েই প্রধান। বিশ্বৰ মানৱ সম্প্রদায়ৰ উন্নয়নৰ নিমিত্তে ই পৰিবর্তনৰ এক গতিশীল মাধ্যমলৈ ৰূপান্তৰিত হ'ল। বিশ্বায়ন আৰু ৰাষ্ট্রসমূহৰ মাজত বর্দ্ধিত পাৰস্পৰিক নির্ভৰশীলতাৰ পৰিণতিত আন্তর্জাতিক

আইনৰ পৰিসৰ অধিক প্ৰসাৰিত হৈ পৰিল। এই প্ৰেক্ষাপটত আন্তর্জাতিক আইনৰ সীমাবদ্ধতা ক্ৰমাত আঁতৰ হ'বলৈ ধৰিলে। ৰাষ্ট্ৰসমূহ কেৱল আন্তর্জাতিক আইনৰ আওঁতাৰে আৱদ্ধ হৈ নাথাকিল আৰু জাতীয় আইনৰো পোনপতীয়া ব্যক্তিকেন্দ্ৰিক দায়গ্ৰষ্টতা স্থাপন হ'বলৈ আৰম্ভ কৰিলে। দ্বিতীয় বিশ্বযুদ্ধৰ অভিযুক্তসকলৰ ন্যায়িক বিচাৰৰ নিমিত্তে ১৯৪৮ চনত নেৰুম্বার্গত অনুষ্ঠিত হোৱা আন্তর্জাতিক সামৰিক ন্যায়াধিকৰণৰ (International military tribunal) সিদ্ধান্তই এইটোও প্ৰতিপন্ন কৰিলে যে যুদ্ধ বা তেনে প্ৰকাৰ সংঘৰ্ষৰ জঘন্য অপৰাধীসকলে আন্তর্জাতিক আইনৰ হাতো�ৰাৰ পৰা ৰেহাই পাব নোৱাৰিব। ওপে'নহেইম (Oppenheim) ৰ যি ধাৰণা যে আন্তর্জাতিক আইনৰ একতিয়াৰ কেৱল ৰাষ্ট্ৰৰ ওপৰতেই প্ৰযোজ্য, সেই ধাৰণাক লিউতাৰপেখট্ (Louterpacht) নাকচ কৰিছে যদিও তেওঁ স্বীকাৰ কৰে যে স্বাধীন ৰাষ্ট্ৰসমূহৰ নিজৰ মাজত পাৰস্পৰিক বুজাপৰাক উৎসাহিত কৰাটোৱেই আন্তর্জাতিক আইনৰ প্ৰাথমিক উদ্দেশ্য। অন্য এজন পণ্ডিত স্তাৰ্ক (Starke)ৰ মতে আন্তর্জাতিক সংস্থা আৰু প্ৰতিষ্ঠানবিলাকৰ কামকাজ বা সেই বিলাকৰ নিজৰ মাজত সমন্বয় তথা ৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক তদাৰক প্ৰক্ৰিয়াতো আন্তর্জাতিক আইনৰ ভূমিকা গুৰুত্বপূৰ্ণ। দ্বিতীয় বিশ্ব যুদ্ধৰ উত্তৰ কালত আন্তর্জাতিক আইনৰ পৰিসৰ অধিক সম্প্ৰসাৰিত হ'ল। এই কালচোৱাত এছিয়া আৰু আফ্ৰিকাত অনেক ৰাষ্ট্ৰই স্বাধীনতা লাভ কৰিলে আৰু আন্তর্জাতিক আইনৰ ধাৰণাই অধিক জটিলতৰ পর্যায় পালেগৈ। ফলত আন্তর্জাতিক আইনৰ প্ৰয়োগ ক্ষেত্ৰ বহুত বিস্তৃত হ'ল। বর্তমানে আন্তর্জাতিক আইনৰ তাৎপর্যই অধিক গতিশীলতা লাভ কৰি বিশ্ব একতৃত্ববোধৰ ধাৰণাক উদ্‌গনি দিয়াত সক্ৰিয় ভূমিকা পালন কৰিছে।

১২.৬.১ আন্তর্জাতিক আইন আৰু ৰাষ্ট্ৰসংঘ

১৯৪৫ চনত প্ৰতিস্থিত ৰাষ্ট্ৰ সংঘ (UNO)ৰ ভূমিকাই আন্তর্জাতিক আইনৰ ক্ৰমবিকাশত বিশেষ সাহার্যদান কৰিলে। ৰাষ্ট্ৰসংঘৰ বিভিন্ন শাখা বিলাক- যেনে য়ুনেস্ক' (UNESCO), য়ুনিচিফ্ (UNICEF), বিশ্বা স্বাস্থ্য সংস্থা (WHO), ফাও (FAO) আন্তর্জাতিক শ্ৰমিক সংস্থা (ILO), বিশ্ব বেংঙ্ক (World Bank), বিশ্ব বাণিজ্য সংস্থা (WTO), য়ুনাইটেদ্ নেচনচ্ এনভাৰণমেণ্টেল প্ৰগ্ৰেম্ (UNEP), আৰু য়ু. এন. ডি.পি (UNDP) ইত্যাদিয়ে আন্তর্জাতিক আইনৰ প্ৰয়োগ ক্ষেত্ৰ সম্প্ৰসাৰিত কৰি মানৰ সু�ৰক্ষা, মানৰ অধিকাৰ, মানৰ উন্ময়ন, আত্ম নিয়ন্ত্ৰণ অধিকাৰ ইত্যাদি বিষয়বোৰ সামৰি ল'লে। স্বয়ং ৰাষ্ট্ৰ সংঘৰ চনদে ক্ৰমান্বয়ে আন্তর্জাতিক আইনৰ নার্যস্থিতি অৱলম্বন কৰিলে। প্ৰতিষ্ঠা হোৱাৰ দিনৰে পৰা ৰাষ্ট্ৰ সংঘই নিজেও বিভিন্ন আন্তর্জাতিক মানৰীয় আইন সংযোজন কৰিলে। ইয়াৰে কেইটামান উল্লেখযোগ্য উদাহৰণ হৈছে ১৯৪৮ চনৰ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণা পত্ৰ (Universal Declaration of Human Right) (UDHR) আৰু লগতে সম্পানি হোৱা দুখনকে আন্তর্জাতিক মানৱ অধিকাৰ চুক্তিপত্ৰ (১৯৬৬), ১৯৫১ চনত অনুষ্ঠিত হোৱা শৰণার্থী সন্মিলন, ১৯৮৯ চনৰ শিশু অধিকাৰ সন্মিলন আৰু ১৯৭৯ চনৰ 'নাৰী বিদ্বেষ নিবাৰণ সন্মিলন ইত্যাদি। বিশ্ব শান্তি আৰু উন্নয়নৰ লগতে সকলো ৰাষ্ট্ৰৰ সম অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰতো ৰাষ্ট্ৰ সংঘই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই কালছোৱাত বিশ্বৰ দেশ বিলাকৰ মাজত আন্তর্জাতিক আইনৰ প্ৰতি সন্মান তথা আস্থা বৃদ্ধি পাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ নেৰুম্বার্গৰ বিচাৰ কোন চনত হৈছিল?

.....

প্রশ্ন নং ৯ ঃ মানৰ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র কোন চনত গৃহীত হৈছিল?

.....

১২.৭ আন্তর্জাতিক আইনৰ উৎস

আন্তর্জাতিক আইনৰ উৎসসমূহ বিভিন্ন প্রকাৰৰ; তাৰে উল্লেখযোগ্য কেতবোৰ তলত আলোচনা কৰা হৈছে—

- প্রথা আৰু পৰম্পৰা(Customs & Usages) ঃ পৰম্পৰাগত আচাৰ সংহিতা আৰু তাৰ প্রযোগ পদ্ধতি আন্তর্জাতিক আইনৰ প্রাথমিক উৎস। বিভিন্ন ৰাষ্ট্রৰ পাৰস্পাৰিক সম্পর্ক স্থাপন ব্যৱস্থাত সাধাৰণতে পৰম্পৰাগত আচাৰ-বিচাৰ, নীতিৰ প্রভাৱ বিশেষ মন কৰিবলগীয়া। এই প্রথাগত ৰীতি-নীতিবিলাকৰ বাধ্যতামূলক প্রভাৱ আওকান কৰা সম্ভৱ নহয়।
- আন্তর্জাতিক সন্মিলন আৰু চুক্তিসমূহ (International Conventions and Treaties) ঃ সাধাৰণতে আন্তর্জাতিক ক্ষেত্রত সম্পাদিত হোৱা দ্বিপাক্ষিক বা বহুপাক্ষিক চুক্তিসমূহ আন্তর্জাতিক আইনৰ ঘাই উৎস । এই চুক্তিসমূহত এনে কেতবোৰ চর্ত বা চনদ সন্নিবিস্ত থাকে যিবিলাক চুক্তিবদ্ধ ৰাষ্ট্রসমূহে উলংঘা কৰিব নোৱাৰে। বহুপাক্ষিক চুক্তি (multilaleral treaties) বিলাকেই আন্তর্জাতিক আইনৰ প্রকৃত আধাৰ। Permanent Court of International Justice ৰ ৰায় অনুযায়ী চুক্তি আইন (treaty law) প্রথাগত আচাৰ ৰীতিতকৈ অধিক গ্রহণযোগ্য।
- আইনৰ সাধাৰণ সূত্র (General Principles of Law) ঃ সুসভ্য জাতিয়ে স্বীকৃতি প্রদান কৰা আইনৰ সাধাৰণ সূত্রবোৰ (The General Principles of law) আন্তর্জাতিক আইনৰ উৎস বুলি বিবেচনা কৰা হয়। International Court of Justice ৰ দ্বাৰা বিধিবদ্ধ এই সূত্রবোৰ বিভিন্ন বিবাদ নিস্পত্তিকৰণ প্রক্রিয়াত প্রয়োগ কৰাৰ অনুমোদগৃহ। যি বিলাক প্রসংগত কোনো সুনির্দ্দিষ্ট আইনী বিধান বিচাৰি পোৱা নাযায়, তেনে প্রসংগত জুৰিৰ সদস্যসকলে সমদর্শিতা আৰু ন্যায়পালনৰ ভিত্তিত প্রতিস্থিতি এই সাধাৰণ সূত্রবোৰৰ সহায় লৈ যথার্থ সমাধান সাধন কৰিব পাৰে।
- ন্যায়াধিকৰণ আৰু 'Prize Court' ৰ ন্যায়িক সিদ্ধান্ত ঃ ন্যায়াধিকৰণ আৰু 'Prize Court' ৰ ন্যায়িক সিদ্ধান্তবিলাকো আন্তর্জাতিক আইনৰ অন্য এটা উৎস। পূর্বৰ যুগান্তকাৰি সিদ্ধান্তবিলাকো বর্তমান বা ভৱিষ্যতৰ বাবে অনুকৰণীয় অনুবন্ধ হ'ব পাৰে। কোনো যুদ্ধ বা সংঘর্ষৰ অন্তত যুদ্ধৰত দেশবিলাকে অধিকৃত কৰ শত্রু পক্ষৰ সম্পত্তিবিলাকৰ নার্য অধিকাৰ নির্ণয় কৰিবলৈ গঠন কৰা ন্যায়াধিকৰণকে ইংৰাজীত 'Prize Court' বুলি

অভিহিত কৰা হয়। এই ন্যায়াধিকৰণবিলাক জাতীয় প্রতিষ্ঠান হ'লেও ইয়াৰ বিচাৰ পদ্ধতি আন্তর্জাতিক আইনৰ অনুমোদন সাপেক্ষ । 'Prize Court' বিলাকৰ সিদ্ধান্ত বিলাককো আন্তর্জাতিক আইনৰ উৎস বুলি গণ্য কৰা হয়।

- পৌৰ ন্যায়ালয় বা জাতীয় ন্যায়ালয়ৰ সিদ্ধান্ত (Decisions of the municipal courts)ঃ উৎস সমল হিচাপে পৌৰ ন্যায়ালয় বা জাতীয় ন্যায়ালয়ৰ সিদ্ধান্ত বিলাকক আন্তর্জাতিক ন্যায়ালয়ৰ ৰায় বিলাকৰ মর্যদা দিয়া নহয়। কিন্তু পৰৱর্ত্তী অৱস্থাত পৰস্পৰাগত আচাৰ ৰীতি ভিত্তিক আন্তর্জাতিক আইন প্রণয়নত পৌৰ ন্যায়ালয়ৰ সিদ্ধান্ত সমূহৰ প্রভাৱ অনস্বীকার্য।
- আইন বিশেষজ্ঞৰ লিখনী আৰু মন্তব্য (Writings of the Jurist and Law Commentators) ঃ আন্তর্জাতিক খ্যাতিমান আইন বিশাৰদ আৰু আইন টিপ্পনিকাৰসকলকো আন্তর্জাতিক আইন প্রণয়ণৰ পদ্ধতিৰ পৰিপূৰক মাধ্যম জ্ঞান কৰা হয়। আইন বিশাৰদ লৰেঞ্চৰ মতে আন্তর্জাতিক আইনৰ প্রনেতাসকলৰ বহুমূলীয়া মন্তব্য সততে সর্বোতম।
- আন্তর্জাতিক কমিটি (International Comity)ঃ সম্প্রতি আন্তর্জাতিক কমিটিৰ অনেক নীতি-নিয়মো আন্তর্জাতিক আইনৰ অন্তর্ভুক্ত হৈছে। আন্তর্জাতিক কমিটি হৈছে দুখন ৰাষ্ট্রৰ মাজত সৌহাদ্যপূর্ণ বুজা পৰাৰে এখনে আনখনৰ বিধান মণ্ডল, কার্যবাহী কর্তৃত্ব আৰু ন্যায়িক কর্মসূচীক পাৰস্পৰিক স্বীকৃতি প্রদানৰ মনোভাৱ।
- আন্তঃৰাষ্ট্রীয় সংস্থাবোৰে সম্পাদন কৰা বিভিন্ন চুক্তি, সন্মিলন তথা ৰীতি-বিধি (Actions of International Organisations)ঃ ৰাষ্ট্র সংঘ (UNO)ৰ লেখীয়া আন্তঃৰাষ্ট্রীয় সংস্থা বোৰে সম্পাদন কৰা বিভিন্ন চুক্তি, সন্মিলন তথা ৰীতি-বিধি (Protocol) ইত্যাদি বিলাকেও আন্তর্জাতিক আইন প্রণয়ন প্রণালীত আওপকিয়া প্রভাৱ পেলাব পাৰে। তাৰোপৰি "দক্ষিণ পূৱ এছিয়াৰ ৰাষ্ট্রসমূহৰ সংস্থা" অর্থাৎ (Association of South East Asian Nations) বা চমুকৈ- ASEAN, তেল উৎপাদন আৰু ৰপ্তাণি কৰি ৰাষ্ট্রৰ সংস্থা (Oil Producing and Exporting Countries or OPEC), ইউৰোপীয় সংঘ (European Union) আৰু দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতাৰ সংস্থা (South Asian Association for Regional Co-operation, SAARC)ৰ দৰে আঞ্চলিক প্রগতিকামি অন্যান্য সংস্থাবোৰেও আন্তর্জাতিক আইনৰ আর্থ-সামাজিক দিশত বৰঙণি যোগাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ আন্তর্জাতিক আইনৰ দুটা উৎস উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ১১ ঃ প্রাইজ (Prize) ক'ৰ্ট কাক বোলে?

.....

প্রশ্ন নং ১২ ঃ 'The Permanent Court of International Justice ৰ মতে চুক্তি আইন (treaty aw) আচাৰভিত্তিক আইন (customary law)তকৈ অধিক গ্রহনযোগ্য। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ১৩ ঃ আন্তর্জাতিক আইনক আর্থ-সামাজিক পর্যায়ত নতুন মাত্রা প্রদান কৰা দুটা আঞ্চলিক সংস্থাৰ নাম উল্লেখ কৰক।

.....

.....



১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আন্তর্জাতিক আইন এনে কেতবোৰ বিধি-বিধানৰ সমষ্টি যিবিলাকৰ প্রতি বিশ্বৰ ৰাষ্ট্র সমুদায়ে পাৰস্পৰিক হিতৰ স্বার্থত দায়বদ্ধতা স্বীকাৰ কৰি লয়। যুদ্ধকালিন বা শান্তিৰ সময়তেই হওক প্রতিখন সার্বভৌম ৰাষ্ট্রই আন্তর্জাতিক আইনৰ বিধান অনুযায়ী নিজৰ অধিকাৰ আৰু দায়িত্ব মানি লয়।
- ঊনবিংশ শতিকাৰ শেষৰ ফালে আন্তঃৰাষ্ট্রীয় ৰাজনীতিৰ আদর্শবাদী চিন্তাবিদসকলে বিশ্বত শান্তি আৰু সংহতি স্থাপনৰ নিমিত্তে আন্তর্জাতিক আইনৰ বিধি-বিধানবিলাক কঠোৰ ভাবে প্রয়োগ কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। সেয়েহে আন্তর্জাতিক আইনৰ প্রতিপত্তি বৃদ্ধি হৈ ইয়াক যথাযথ ভাবে মানভূক্ত কৰাৰ নিমিত্তে কেইবাখনো বিশ্ব সম্মিলন অনুষ্ঠিত হৈছিল।
- জাতিসংঘ (League of Nations)ৰ উত্তৰাধীকাৰি ৰাষ্ট্রসংঘ (United Nations Organisation) ই কিছুমান বাস্তৱসম্মত পদক্ষেপৰ যোগেদি আন্তর্জাতিক আইনৰ পৰিসৰ বহল কৰি মানৱ অধিকাৰ, মানৱ উন্নয়ন, পৰিৱেশ সংৰক্ষণ ইত্যাদি বিষয়বোৰ ইয়াৰ পৰিসৰৰ অন্তর্ভূক্ত কৰিলে। ইয়াৰ লগে লগে আন্তর্জাতিক মানৱীয় বিধিৰ নতুন ধাৰণাৰো সূচনা হল।
- ১৯৪৬ চনত 'The Permanent Court of International Justice' ৰ নাম পৰিৱর্তন কৰি 'International Court of Justice' কৰা হয়।
- নিজৰ কাম-কাজবিলাক সম্পাদন কৰোতে যাতে আন্তর্জাতিক আইনৰ বিধি বিধানবিলাক উলংঘা নহয় তাৰ প্রতি বিশ্বৰ ৰাষ্ট্রসমূহ সততে সজাগ, কিয়নো আইন ভংগকাৰী ৰাষ্ট্রৰ প্রতি আন্তঃৰাষ্ট্রীয় সমুদায়ে সদ্ভাৰ পোষণ নকৰে।
- আন্তর্জাতিক আইন দুটা শাখাত বিভক্ত যুদ্ধ সম্পর্কীয় আইন আৰু শান্তিৰ আইন।
- যুদ্ধ সম্পর্কীয় আইনক তিনিটা ভাগত ভাগ কৰিব পাৰি, যেনে— স্থলযুদ্ধ বিধি, জলযুদ্ধ বা সামুদ্রিক সমৰ বিধি আৰু বায়ু যুদ্ধ বিধি। বিংশ শতাব্দীৰ দ্বিতীয়ার্দ্ধত আণবিক যুদ্ধ আইনৰ ধাৰাসমূহ মানভূক্ত কৰি আন এটা ভাগ গঠন কৰা হ'ল।

- আন্তর্জাতিক শান্তি আইনত সন্নিবিষ্ট বিভাগবোৰ হৈছে- ৰাষ্ট্রীয় সমতা বিষয়ক আইন, ৰাষ্ট্রীয় নিৰপেক্ষতা আইন, ৰাষ্ট্রীয় অধিকাৰ আৰু দায়িত্ব বিষয়ক আইন, ৰাষ্ট্রীয় অধিকাৰ আৰু দায়িত্ব বিষয়ক আইন, আন্তর্জাতিক বাণিজ্য আইন, শৰণার্থী আইন, শ্রমিক আইন ইত্যাদিবোৰ।
- আন্তর্জাতিক আইনৰ দুটা বৈশিষ্ট্য হৈছে ৰাজহুৱা আন্তর্জাতিক আইন আৰু ব্যক্তিগত আন্তর্জাতিক আইন।
- আন্তর্জাতিক আইন আৰু পৌৰ আইন বা জাতীয় আইন আইন শাস্ত্রৰ দুটা উল্লেখযোগ্য ক্ষেত্র। এই দুইবিধ আইনৰ মাজৰ সম্পর্ক নির্ণায়ক তত্ত্ব দুটাৰ এটা হৈছে অদ্বৈতবাদী তত্ত্ব আৰু আনটো দ্বৈতবাদী তত্ত্ব।
- কুৰি শতিকাৰ পৰাই আন্তর্জাতিক আইনৰ পৰিসৰ ক্রমবর্দ্ধণ হৈ বিভিন্ন ক্ষেত্র আৰু অনেক বিষয় সামৰি ল'লে। এই বিলাকৰ ভিতৰত মানৱ অধিকাৰ, মানৱ সুৰক্ষা, আন্তর্জাতিক বাণিজ্য আইন ইত্যাদিয়ে প্রধান।
- ১৯৪৫ চনত ৰাষ্ট্রসংঘ (United Nations Organisation) গঠন হৈ আন্তর্জাতিক আইনৰ ক্রমবিকাশ প্রক্রিয়াক তৰান্বিত কৰিলে।
- আন্তর্জাতিক আইনৰ কেইটামান উল্লেখযোগ্য উৎস হ'ল— পৰম্পৰাগত ৰীতি-নীতি আৰু ব্যৱহাৰ, আন্তর্জাতিক সন্মিলন আৰু চুক্তিসমূহ, আইনৰ সাধাৰণ সূত্র-বিধি, ন্যায়াধিকৰণ আৰু প্রাইজ কর্ট (Prize Court)ৰ সিদ্ধান্ত ৰাজি, পৌৰ বা জাতীয় আইনৰ ৰায় সমূহ, আইন বিশাৰদ আৰু আইনজ্ঞসকলৰ লিখনি, আন্তর্জাতিক কমিটি (International Comity) আৰু আন্তর্জাতিক সংস্থাসমূহৰ দ্বাৰা সম্পাদিত চুক্তি আদি।



১২.৯ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাল, ডঁ কৃপেশ চন্দ্র; নায়ক, অধ্যাপক প্রতুল চন্দ্র আৰু পাটগিৰি, ডঁ ৰুবুল। (২০১২)। *স্নাতক মহলাৰ আন্তর্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

২) চক্রৱর্তী, দিলীপ কুমাৰ। (২০০৫)। *আন্তর্জাতিক আইন আৰু কূটনীতি।* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

1. Brown, Chris. (2005). *Understanding International Relations*. New York: Palgrave Macmillan.

2. Ghos, Peu. (2009). *International Relations.* New Delhi: PHI Learning Private Limited.

3. Goldstein, Joshua. S. & Pevehouse, Jon. C. ((2009). *International Relations.* New Delhi: Pearson.

১২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তর্জাতিক আইন এনে কেতবোৰ বিধি-বিধানৰ সমষ্টি যিবিলাকৰ প্ৰতি বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰয়েই অনুগত্য আৰু দায়বদ্ধ। এই অনুগত্য বা দায়বদ্ধতা যুদ্ধাৱস্তা বা শান্তিৰ কালতো সমানেই প্ৰযোজ্য। ই সার্বভৌম ৰাষ্ট্ৰসমূহৰ মাজৰ পাৰস্পৰিক সমন্বয়ৰ স্বাৰ্থত নিজ নিজ অধিকাৰ আৰু দায়িত্বসমূহ সুনির্দ্দিষ্ট কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ The Law of War and Peace

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জেৰমি বেন্থাম্

৪ নং প্ৰশ্নৰ উত্তৰ ঃ International Court of Justice

৫ নং প্ৰশ্নৰ উত্তৰ ঃ যুদ্ধ সম্বন্ধীয় আইন তিনিভাগত বিভক্ত- স্থল যুদ্ধ বিধি, জল যুদ্ধ বা সামুদ্রিক যুদ্ধ বিধি, আৰু বায়ু যুদ্ধ বিধি

৬ নং প্ৰশ্নৰ উত্তৰ ঃ অদ্বৈতবাদী তত্ত্বৰ দুজন সমর্থক হৈছে হেনচ্ কে'লচেন্ আৰ লিয়ন দুগুইট্। দ্বৈতবাদী তত্ত্বৰ দুজন সমর্থকৰ নাম হৈছে— হেনৰিক ট্ৰিপেল আৰু ও'পেনহেইম।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় সংবিধানৰ সন্নিবিষ্ট ৫১ নং অনুচ্ছেদ অনুযায়ী ভাৰত চৰকাৰ আন্তর্জাতিক আইন আৰু অন্যান্য চুক্তিসমূহৰ প্ৰতি সন্মান তথা আনুগত্য স্বীকাৰ কৰাৰ বাবে দায়বদ্ধ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৮ চন

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৮ চনত।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) আন্তর্জাতিক সন্মিলন বা চুক্তি

খ) আন্তর্জাতিক কমিটি

১১ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো যুদ্ধ বা সংঘর্ষৰ অন্তত যুদ্ধৰত দেশবিলাকে অধিকৃত কৰা শত্ৰুপক্ষৰ সম্পদবোৰৰ বৈধতা বিচাৰ কৰিবলৈ গঠন কৰা ন্যায়াধিকৰণকে প্ৰাইজ ক'র্ট বোলা হয়।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

১৩ নং প্ৰশ্নৰ উত্তৰ ঃতেল উৎপাদন আৰু ৰপ্তাণি কৰা ৰাষ্ট্ৰৰ সংস্থা (Oil Producing and Exporting Countries or OPEC), ইউৰোপীয় সংঘ (European Union)



১২.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ Permanent Court of International Justice কোন চনত প্ৰতিস্থা কৰা হৈছিল ?

প্ৰশ্ন ২ঃ আন্তৰ্জাতিক আইনক প্ৰকৃত আইনৰ মৰ্যদা দিয়া দুজন পণ্ডিতৰ নাম লিখক।

প্ৰশ্ন ৩ঃ আন্তৰ্জাতিক আইনৰ উত্তৰোত্তৰ বিকাশত অনুকুল প্ৰভাৱ পেলোৱা দুখন সন্মিলনৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ আন্তৰ্জাতিক আইন প্ৰণালীত শান্তিৰ বাবে নিয়োজিত যি কোনো দুটা বিশেষ বিধান উল্লেখ কৰক।

(খ) চুটি প্ৰশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ আন্তৰ্জাতিক আইনৰ অৰ্থ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ আন্তৰ্জাতিক মানৱতাবাদী আইনৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ আন্তৰ্জাতিক আইন আৰু পৌৰ আইনৰ সম্পৰ্ক ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ঃ 'আন্তৰ্জাতিক আইন প্ৰকৃত আইন'- এই ধাৰণাৰ আধাৰ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ আন্তৰ্জাতিক আইনৰ পৰিসৰ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ আন্তৰ্জাতিক আইনৰ উৎস ৰ বিষয়ে আলোচনা কৰক।

* * * * *

অধ্যায় ১৩ ঃ সশস্ত্র সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় আইন আৰু আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ সশস্ত্র সংঘাত বিষয়ক আন্তঃ ৰাষ্ট্ৰীয় আইন নাইবা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন - অর্থ আৰু প্ৰকৃতি

১৩.৩.১ আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ দুটা প্ৰকাৰ

১৩.৪ আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ ক্ৰমবিকাশ

১৩.৫ সশস্ত্র সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় আইন নাইবা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ নীতি

১৩.৫.১ সশস্ত্র সংঘাতৰ সময়ত মানি চলিবলগীয়া আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ নীতি

১৩.৫.২ জেনেভা চুক্তিৰ পৰৱর্তী কালছোৱাত হোৱা বিকাশ

১৩.৫.৩ আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন আৰু মানৱ অধিকাৰ

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবলৈ

১৩.৮ অগ্ৰগতিৰ খতিয়ান

১৩.৯ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সশস্ত্র সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় আইন নাইবা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন (International Humanitarian Law, IHL) ৰ অর্থ আৰু প্ৰকৃতি ব্যাখ্যা কৰিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ প্ৰকাৰ দুটা ব্যাখ্যা কৰিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰিব পাৰিব
- সশস্ত্র সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় আইন (International Law of Armed Conflict) নাইবা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ নীতিবোৰ বর্ণনা কৰিব পাৰিব
- সশস্ত্র সংঘাত চলি থকা পৰিৱেশত আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ অধীনত মানি চলিবলগীয়া মৌলিক নীতি- নিয়মবোৰ আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

মানৱ ইতিহাস সৃষ্টিৰ বিভিন্ন স্তৰত বহুকেইখন যুদ্ধৰ কাহিনী পঢ়িবলৈ পোৱা যায়। আধুনিক কালৰ দুখন বিশ্বযুদ্ধ মানৱ ইতিহাসৰ অংগ। আমি যুদ্ধ এৰাই চলিব পাৰোঁ, কিন্তু যুদ্ধক আওকাণ কৰিব নোৱাৰো। যুদ্ধই হেজাৰ হেজাৰ সাধাৰণ লোক আৰু সৈনিকৰ জীৱন বিপদাপন্ন কৰি তোলে। দ্বিতীয় বিশ্বযুদ্ধৰ সামৰণি পৰাৰ পাচত আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ বাবে চিন্তাৰ প্ৰধান বিষয় আছিল বিভিন্ন ৰাষ্ট্ৰৰ মাজত পুনৰ যুদ্ধ আৰম্ভ হোৱাটোত বাধা দিয়া, আন্তঃৰাষ্ট্ৰীয়ভাৱে এটা শান্তিপূৰ্ণ পৰিৱেশ গঢ়ি তোলা আৰু সকলো ধৰণৰ হিংসাত্মক মনোভাৱ এৰাই চলা। এইবোৰ কথাক বিশ্বজনীনভাৱে বাস্তৱ ৰূপ দিবলৈ এটা ন্যায়সংগত ৰূপৰেখা প্ৰস্তুত কৰিবলৈ যথেষ্ট প্ৰয়াস চলোৱা হৈছিল। আন্তঃৰাষ্ট্ৰীয় বিবাদবোৰ বল প্ৰয়োগেৰে নিষ্পত্তি কৰাটো ৰোধ কৰিবলৈ আৰু বিবাদৰ শান্তিপূৰ্ণ সমাধান লাভ কৰিবলৈ ৰাষ্ট্ৰসংঘ গঠন কৰা হৈছিল। কিন্তু যুদ্ধ আৰু সশস্ত্ৰ সংঘাত যিমানেই অবাঞ্ছিত নহওক কিয় পৃথিৱীৰ বিভিন্ন প্ৰান্তত সময়ে সময়ে ই দেখা দি আহিছে। এনে পৰিস্থিতিত সংঘাতত লিপ্ত পক্ষবোৰে কোনো নিয়ন্ত্ৰণ নথকাৰ সুযোগ লৈ গুৰুতৰ ধৰণৰ নৈৰাজ্যৰ সৃষ্টি কৰিব পাৰে। অপ্ৰয়োজনীয় আৰু নিৰ্বিচাৰ হিংসা পৰিহাৰ কৰিবলৈ বিশ্বৰ দেশবোৰে সশস্ত্ৰ সংঘাত তথা যুদ্ধত লিপ্ত দেশবোৰৰ আচাৰ-আচৰণ নিয়ন্ত্ৰণ কৰিব পৰা নিয়ম আৰু নীতিৰ সমষ্টি এটা প্ৰস্তুত কৰাৰ বাবে বহুতো প্ৰচেষ্টা চলাই আহিছে। এই নিয়ম আৰু নীতিবোৰেই সশস্ত্ৰ সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় আইন নাইবা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন প্ৰস্তুত কৰাৰ আধাৰৰূপে নিজ ভূমিকা পালন কৰিছে।

১৩.৩ সশস্ত্ৰ সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় আইন নাইবা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন- অৰ্থ আৰু প্ৰকৃতি

সশস্ত্ৰ সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় আইন নাইবা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন হ'ল আন্তঃৰাষ্ট্ৰীয় আইনৰ অধীনত বিকশিত হোৱা এক গুৰুত্বপূৰ্ণ ধাৰণাৰ মূৰ্ত্তৰূপ। যুদ্ধ নাইবা সশস্ত্ৰ সংঘাতত লিপ্ত পক্ষবোৰৰ আচাৰ-আচৰণ নিয়ন্ত্ৰণ কৰিব খোজা আইনকেই আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন বোলা হয়। আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ আন এটা নাম হ'ল 'jus in bello'। লেটিন ভাষাৰ এই খণ্ডবাক্যটিৰ অৰ্থ হ'ল "যুদ্ধ আৰম্ভ কৰাৰ আইন"। যুদ্ধ আৰম্ভ কৰাৰ সময়ত লিপ্ত পক্ষবোৰৰ ন্যায়সংগত আচৰণ সুনিশ্চিত কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ অধীনত কিছুমান নীতি নিৰ্ধাৰণ কৰি দিয়া হৈছে। আন্তঃৰাষ্ট্ৰীয় আইনৰ এই শাখাটোৱে হিংসাত্মক কাৰ্যকলাপত অংশগ্ৰহণ নকৰা ব্যক্তিক সুৰক্ষিত কৰি ৰাখিবলৈ সশস্ত্ৰ সংঘাতৰ কুপ্ৰভাৱ সীমাৱদ্ধ কৰাৰ প্ৰয়াস চলোৱাৰ লগতে যুদ্ধত লিপ্ত পক্ষবোৰৰ বাবে সুলভ হৈ থকা পন্থা তথা যুদ্ধপদ্ধতিবোৰ নিষেধ আৰু নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰে।

আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন Jus ad bellumৰ সম্পূৰ্ণ বিপৰীত। এই লেটিন খণ্ডবাক্যটিৰ অৰ্থ হ'ল 'যুদ্ধৰ অধিকাৰ'। ই কোনো এখন ৰাষ্ট্ৰই কোনবোৰ বৈধ কাৰণত যুদ্ধত লিপ্ত হ'ব পাৰে সেয়া নিৰ্ধাৰণ কৰি দিয়ে।

মানৱীয়তাৰ দিশটো বিবেচনা কৰি আৰু মানৱীয় দুখ-দুৰ্দশাৰ প্ৰশমনৰ বাবে আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন প্ৰস্তুত কৰাৰ প্ৰচেষ্টা চলোৱা হৈছিল। মানৱীয় দুখ দুৰ্দশাৰ মাত্ৰা কম কৰিবলৈ আৰু সাধাৰণ নাগৰিকক সু�ৰক্ষা প্ৰদান কৰিবলৈ বিশ্বৰ দেশবোৰে সশস্ত্ৰ সংঘাতৰ সময়ত নিজৰ আচৰণ নিয়ন্ত্ৰণ কৰিবলৈ নীতিৰ এটা সমষ্টি মানি চলিবলৈ সন্মত হৈছিল।

যুদ্ধক্ষেত্ৰত আহৰণ কৰা অভিজ্ঞতাৰ ভেঁটিত আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন অথবা সশস্ত্ৰ সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় আইন প্ৰস্তুত কৰা হৈছে। সামৰিক অভিজ্ঞতাই সশস্ত্ৰ সংঘাত গঢ় দিয়ে আৰু লাহে লাহে প্ৰয়োজন অনুসৰি পৰিৱৰ্তন সাধন কৰে।

আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনত জেনেভা চুক্তি আৰু হে'গ চুক্তিৰ সিদ্ধান্তবোৰৰ লগতে তাৰ পৰৱৰ্তী সময়ত স্বাক্ষৰিত হোৱা বিভিন্ন সন্ধি, নানা ঘটনাভিত্তিক আইন আৰু প্ৰচলিত আন্তঃৰাষ্ট্ৰীয় আইনৰ নীতি-নিয়ম অন্তৰ্ভুক্ত কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনে যুদ্ধৰত দেশ, তথা যুদ্ধত লিপ্ত হৈ থকা ব্যক্তিৰ আচৰণ তথা দায়িত্বৰ সংজ্ঞা নিৰ্ধাৰণ কৰি দিয়াৰ লগতে অ-যুধ্যমান (সাধাৰণ নাগৰিক, চিকিৎসা তথা সাহায্য দৰে যুদ্ধত সক্ৰিয় অংশগ্ৰহণ নকৰা লোক) আৰু যুদ্ধ কৰিব নোৱাৰা (যেনে- আঘাতপ্ৰাপ্ত সৈন্য, যুদ্ধবন্দী ইত্যাদি) ব্যক্তিক সুৰক্ষা প্ৰদানৰ চেষ্টা কৰে।

১৯৪৯ চনত জেনেভা সন্মিলনত ভাগ লোৱা দেশবোৰে সশস্ত্ৰ সংঘাত চলি থকা সময়ত প্ৰযোজ্য হোৱা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ জ্ঞান প্ৰচাৰ কৰা আৰু মানুহক বুজোৱা লগতে পৰৱৰ্তী সময়ত এই আইনৰ সকলো ধৰণৰ বিকাশ ঘটোৱাৰ দায়িত্ব আন্তঃৰাষ্ট্ৰীয় ৰেডক্ৰ'ছ কমিটি (International Committee of the Red Cross/ICRC)ক অৰ্পণ কৰিছিল। এই দায়িত্ব পালন কৰিব পৰাকৈ 'আন্তঃৰাষ্ট্ৰীয় ৰেড ক্ৰ'ছ আৰু ৰেড ক্ৰিছেণ্ট আন্দোলনৰ সূত্ৰপাত কৰা হৈছিল।

১৩.৩.১ আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ দুটা প্ৰকাৰ

আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনত দুটা ধৰণৰ সশস্ত্ৰ সংঘাতৰ বিষয়ে কোৱা হৈছে-

(১) আন্তঃৰাষ্ট্ৰীয় সশস্ত্ৰ সংঘাত (দুখন নাইবা ততোধিক ৰাষ্ট্ৰৰ মাজত) আৰু

(২) অ-আন্তঃৰাষ্ট্ৰীয় সশস্ত্ৰ সংঘাত (চৰকাৰী শক্তি আৰু বেচৰকাৰী সশস্ত্ৰ গোটবোৰৰ মাজত নাইবা বেচৰকাৰী সশস্ত্ৰ গোটবোৰৰ পৰস্পৰৰ সৈতে চলা সংঘাত)।

নিজৰ দেশৰ বাবে যুঁজিবলৈ পোৱাটো এক গৌৰৱৰ বিষয়। কিন্তু এটা পৰাজিত পক্ষ নাইবা যুদ্ধৰ সময়ত ধৰা পৰা নিৰ্দোষ নাগৰিকৰ প্ৰতি মানৱীয়তা তথা কৰুণা প্ৰদৰ্শন কৰিব পৰাটোও বৃত্তিগত আৰু ব্যক্তিগত গৌৰৱৰ বিষয়। সশস্ত্ৰ সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় আইনে সেয়া কেনেকৈ প্ৰদৰ্শন কৰিব পাৰি তাৰ ব্যাখ্যা দাঙি ধৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ যুদ্ধ নাইবা সশস্ত্ৰ সংঘাতত লিপ্ত থকাসকলৰ আচাৰ-আচৰণ নিয়ন্ত্ৰণ কৰিব খোজা আইনকে আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন বোলা হয়। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ২ ঃ আন্তঃ ৰাষ্ট্ৰীয় মানৱহিতৈষী আইনে সামৰি লোৱা সশস্ত্ৰ সংঘাতৰ প্ৰকাৰ দুটা কি কি?

.....

প্ৰশ্ন নং ৩ ঃ আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনে কেনেধৰণৰ লোকক সুৰক্ষা প্ৰদান কৰিব খোজে?

.....

প্ৰশ্ন নং ৪ ঃ ১৯৪৯ চনৰ জেনেভা সন্মিলনত উপস্থিত থকা দেশবোৰে আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ বিষয়ে মানুহক বুজাবলৈ আৰু আইনখনৰ জ্ঞান প্ৰচাৰ কৰিবলৈ কোনটো সংস্থাক দায়িত্ব অৰ্পণ কৰিছিল?

.....

১৩.৪ আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ ক্ৰমবিকাশ

- **প্ৰথা আৰু পৰম্পৰা**

সশস্ত্ৰ সংঘাত বিষয়ক আইনৰ স্পষ্ট আধাৰ হ'ল প্ৰচলিত প্ৰথা আৰু পৰম্পৰাৰ লগতে যুগ যুগ ধৰি সংঘটিত হৈ থকা সশস্ত্ৰ সংঘাতৰ অভিজ্ঞতা। সশস্ত্ৰ সংঘাত বিষয়ক আইন প্ৰস্তুত কৰাৰ সময়ত পৰম্পৰাগত আন্তঃৰাষ্ট্ৰীয় আইনবোৰো বিবেচনা কৰি চাব লাগিব। ৰাষ্ট্ৰই নৈতিক আৰু ন্যায়িক বাধ্যবাধকতাবোধৰ দ্বাৰা পৰিচালিত হৈ মানি চলা সাধাৰণ আৰু স্থিৰ অনুশীলনবোৰৰ পৰাই পৰম্পৰাগত আইনৰ সৃষ্টি হয়। পৰম্পৰাগত আন্তঃৰাষ্ট্ৰীয় আইন পৃথিৱীৰ সকলো দেশৰ ক্ষেত্ৰতে প্ৰযোজ্য।

সশস্ত্ৰ সংঘাত বিষয়ক আইন প্ৰণয়নৰ ক্ষেত্ৰত পৰম্পৰাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভাৰতীয় মহাকাব্য মহাভাৰত (আনুমানিক ৪০০ খৃষ্টপূৰ্ব বছৰত ৰচিত) আৰু মনু সংহিতা (The Laws of Manu) ত এনে বহু পদ আছে যিবোৰত আত্মসমৰ্পণ কৰা শত্ৰুক হত্যা কৰাটো নিষেধ কৰি দিয়া হৈছে, মুখামুখি আক্ৰমণৰ সময়ত বিষাক্ত নাইবা জ্বলন্ত কাঁড় ব্যৱহাৰ নকৰিবলৈ কোৱা হৈছে আৰু শত্ৰুপক্ষৰ সম্পত্তি তথা যুদ্ধবন্দীক সুৰক্ষা প্ৰদানৰ দিহা দিয়া হৈছে। অতি প্ৰাচীন কালৰে পৰাই সশস্ত্ৰ সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনবোৰৰ ক্ৰমবিকাশ ঘটি আছে। আমি মহাভাৰতৰ যুগতেই ইয়াৰ বিকাশ ঘটাৰ উমান পাওঁ।

ইছলাম ধর্মযো যুদ্ধত মানৱীয়তাৰ মৌলিক প্রয়োজনীয়তাক স্বীকৃতি দিয়ে। প্রথম খলিফা আবু বক্‌ৰে (আনুমানিক ৬৩২ খৃষ্টাব্দ) ঘোষণা কৰিছিল যে নাৰী, শিশু আৰু বৃদ্ধ ব্যক্তিৰ ৰক্তপাতে কেতিয়াও বিজয়ক কলংকিত কৰিব নালাগে।

জাপানত চামুৰাইসকলৰ বাবে অৱশ্যে পালনীয় ন্যায়নিষ্ঠ আচাৰ সংহিতাৰ নাম আছিল 'বুশ্বিদো'। চামুৰাইসকল হ'ল মধ্যযুগৰ জাপানৰ যোদ্ধা শ্রেণী। বুশ্বিদোত সন্নিৱিষ্ট নিয়ম অনুসৰি চামুৰাইসকলে ৰণভূমি আৰু যুদ্ধবন্দীৰ ক্ষেত্রতো অনুকম্পা প্রদর্শন কৰাটো বাঞ্ছনীয় আছিল।

সময় বাগৰাৰ লগে লগে পৰম্পৰাগত নীতি-নিয়মে বিভিন্ন আন্তঃৰাষ্ট্রীয় সন্ধি আৰু আইনৰ ৰূপ ল'লে। কিন্তু ইয়াৰ অর্থ এয়া নহয় যে প্রথাগত আইনবোৰৰ বিলুপ্তি ঘটিল। এই আইনবোৰে সন্ধিত সন্নিৱিষ্ট বিভিন্ন স্বীকৃত বিধি- বিধানৰ ৰূপত নিজ অস্তিত্ব বর্তাই ৰাখিলে। এই কথাটো পৰৱর্তী সময়ত 'মার্টেনচ্ ক্লজ' (The Martens Clause) নামেৰে জনাজাত হ'ল। ১৮৯৯ চনৰ দ্বিতীয় হে'গ সন্মিলনৰ প্রস্তাৱনাতপোন প্রথমবাৰৰ বাবে 'মার্টেনচ্ ক্লজ' (মার্টেনচ্ দফা) সন্নিৱিষ্ট কৰা হৈছিল। এই দফাৰ চর্ত অনুসৰি যদি কেতিয়াবা কোনো কাৰণত সন্মিলনত উপস্থিত থকা কোনো চুক্তিৰদ্ধ ৰাষ্ট্রই সন্মিলনত গৃহিত চুক্তি খন পৰিত্যাগ কৰে, তথাপিও তেনে ৰাষ্ট্রই আন্তঃৰাষ্ট্রীয় আইনৰ মৌলিক নীতিবোৰ মানি চলিবলৈ বাধ্য হৈ ৰ'ব। কাৰণ, এই নীতিবোৰ হ'ল সকলো সভ্য ৰাষ্ট্রই পালন কৰিবলগীয়া প্রতিষ্ঠিত মানৱীয় আইনবোৰৰ উমৈহতীয়া ফলাফল।

পৰম্পৰাগত আন্তঃৰাষ্ট্রীয় আইনে আধুনিক সন্ধিকেন্দ্রিক আইনৰ লাইখুঁটা ৰূপে গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। কেতিয়াবা ইয়াক সন্ধি আইনৰূপে বিকশিত কৰা হয় আৰু কেতিয়াবা সন্ধি আইন নথকা অৱস্থাত ই খালী স্থান পূৰণকাৰী আইনৰ ভূমিকা লয়।

ঊনবিংশ শতিকাৰ দ্বিতীয়ার্দ্ধত পৰম্পৰাগত নীতিবোৰক নির্দিষ্ট বহুপাক্ষিক চুক্তিৰ চর্তৰূপে সন্নিৱিষ্ট কৰাৰ প্রক্রিয়া আৰম্ভ হৈছিল।

- **পৰম্পৰাগত আইনবোৰক বিধিৰদ্ধ ৰূপ দিয়াৰ প্রক্রিয়া জেনেভা সন্মিলন**

১৮৬০ ৰ দশকৰ পৰা সন্ধি স্থাপন প্রক্রিয়া আৰম্ভ হৈছিল। হেন্ৰী ডুনাণ্ট আছিল চুইজাৰলেণ্ডৰ এগৰাকী ব্যৱসায়ী। তেওঁ ১৮৫৯ চনৰ চ'লফেৰিনো যুদ্ধত মাত্র কেইঘণ্টামানৰ ভিতৰতে ৩০ হেজাৰ সৈন্য আহত অথবা মৃত হোৱা দেখিছিল। এই অভিজ্ঞতা স্মৰণ কৰি তেওঁ "এ মেম'ৰী অব্ চ'লফেৰীনো" নামৰ কিতাপ খন লিখিছিল। সেই সময়ছোৱাত সৈন্য বাহিনীৰ বাবে চিকিৎসা সেৱাৰ ব্যৱস্থা প্রায় নাছিলেই বুলিব পাৰি। জেনেভালৈ উভতি আহিয়েই ডুনাণ্টে নিজৰ অভিজ্ঞতাখিনি কিতাপ আকাৰে প্রকাশ কৰিছিল। তেওঁ কিতাপখনত এইবুলি পৰামর্শ আগবঢ়াইছিল যে ৰাষ্ট্রবোৰে এখন সন্মিলনৰ দ্বাৰা স্বীকৃত কিছুমান আন্তঃৰাষ্ট্রীয় যুদ্ধ নীতি গ্রহণ কৰা উচিত। যুদ্ধত ভাগ লোৱা ৰাষ্ট্রবোৰে যুদ্ধক্ষেত্রত আহত সৈনিকক ন্যায়িক সুৰক্ষাও প্রদান কৰা উচিত। সমগ্র ইউৰোপে ডুনাণ্টৰ চিন্তাৰ

প্ৰতি বিপুল সমৰ্থন আগবঢ়াইছিল। হেন্ৰী ডুনাণ্ট আছিল শান্তিৰ নোবেল বঁটা লাভ কৰা প্ৰথমগৰাকী ব্যক্তি।

যুদ্ধক্ষেত্ৰত হেন্ৰী ডুনাণ্টে লাভ কৰা ব্যৱহাৰিক অভিজ্ঞতাবোৰে তেওঁক এখন কূটনৈতিক সম্মিলনৰ আয়োজন কৰিবলৈ উদ্বুদ্ধ কৰিলে। ইয়াৰ ফলশ্ৰুতিতে ১৮৬৪ চনৰ আগষ্ট মাহত জেনেভা সম্মিলন অনুষ্ঠিত হ'ল। এই সম্মিলনত যুদ্ধত আহত আৰু ৰুগীয়া হোৱা সৈনিকৰ অৱস্থা উন্নতকৰণৰ বিষয়টোৰ আলোচনাই প্ৰাধান্য পাইছিল। জেনেভা সম্মিলন আছিল বিশ্বৰ সকলো দেশৰ বাবে মুকলি এখন আন্তঃৰাষ্ট্ৰীয় চুক্তি প্ৰস্তুতকাৰী মঞ্চ আৰু ইয়াত ভাগ লোৱা দেশবোৰে যুদ্ধ আৰম্ভ কৰাৰ ক্ষেত্ৰত থকা নিজ নিজ ক্ষমতা সীমাৱদ্ধ কৰাত সন্মতি জনাইছিল। জেনেভা সম্মিলনে সশস্ত্ৰ সংঘাত বিষয়ৰ লিখিত আইন প্ৰণয়নৰ পথ মুকলি কৰিছিল আৰু ইয়াৰ ফলস্বৰূপে পৰৱৰ্তী সময়ত সশস্ত্ৰ সংঘাত বিষয়ক আইন প্ৰস্তুত কৰা হৈছিল।

- **জেনেভা সম্মিলন**

১৮৬৪ চনৰ পৰা ১৯৪৯ চনলৈকে চলা এক দীঘলীয়া সশস্ত্ৰ সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ অংশ ৰূপে একাধিকবাৰ জেনেভা সম্মিলনৰ আয়োজন কৰা হৈছিল। এই সম্মিলনবোৰত হোৱা আলোচনা মৰ্মে যুদ্ধ আৰু সশস্ত্ৰ সংঘাত চলা কালত সাৰ্বজনীনভাৱে প্ৰযোজ্য হোৱাকৈ কিছুমান নিয়ম আৰু নীতি নিৰ্ধাৰণ কৰা হৈছিল।

(ক) ১৮৬৪ চনত প্ৰথম জেনেভা সম্মিলনৰ আয়োজন কৰা হৈছিল। সম্মিলনত 'যুদ্ধক্ষেত্ৰত আহত আৰু ৰোগাক্ৰান্ত হোৱা সৈনিকৰ অৱস্থা উন্নতকৰণ'ৰ বিষয়টো আলোচনা কৰা হৈছিল আৰু কিছুমান নীতি- নিয়ম গ্ৰহণ কৰা হৈছিল। ১৯০৬, ১৯২৯ , আৰু ১৯৪৯ চনত এই নীতি-নিয়মবোৰ পুনৰীক্ষণ কৰি চোৱা হৈছিল আৰু পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে খাপ খোৱাকৈ কিছুমান নীতি-নিয়মৰ স্থানত নতুন নীতি-নিয়ম অন্তৰ্ভুক্ত কৰা হৈছিল।

(খ) ১৯০৭ চনত আয়োজিত হে'গ সম্মিলনত 'সমুদ্ৰত আহত, ৰোগাক্ৰান্ত আৰু জাহাজ দূৰ্ঘটনাত পতিত সৈন্যবাহিনীৰ সদস্যসকলৰ অৱস্থা উন্নতকৰণ'ৰ বিষয়টো আলোচনা কৰি যিবোৰ নীতি- নিয়ম নিৰ্ধাৰণ কৰা হৈছিল সেইবোৰ ১৯৪৯ চনত পুনৰীক্ষণ কৰাৰ অন্তত পূৰ্বৰ সম্মিলনখনক দ্বিতীয় জেনেভা সম্মিলন ৰূপে গ্ৰহণ কৰা হৈছিল।

(গ) ১৯২৯ চনত আয়োজিত তৃতীয় জেনেভা সম্মিলনত 'যুদ্ধবন্দীৰ প্ৰতি প্ৰদৰ্শন কৰিবলগীয়া আচৰণ' বিষয়ক নীতি-নিয়মবোৰ নিৰ্ধাৰণ কৰা হৈছিল। ১৯৪৯ চনত এই নীতি-নিয়মবোৰৰ যথেষ্ট সংশোধন ঘটোৱা হয়।

(ঘ) ১৯৪৯ চনত অনুস্থিত চতুৰ্থ জেনেভা সম্মিলনত 'যুদ্ধৰ সময়ত অসামৰিক লোকৰ সুৰক্ষা' বিষয়ক নীতি-নিয়মবোৰ নিৰ্ধাৰণ কৰা হৈছিল।

১৯৪৯ চনৰ চতুর্থ জেনেভা সন্মিলনখনৰ তিনিটা সংশোধীত প্ৰ'ট'ক'ল আছে। এই তিনিটাক প্ৰ'ট'ক'ল ১, প্ৰ'ট'ক'ল ২, আৰু প্ৰ'ট'ক'ল ৩ নামেৰে জনা যায়। ইয়াৰ লক্ষ্য হ'ল যুদ্ধৰ সময়ত অসামৰিক লোক আৰু আহত সৈনিকৰ ন্যায়িক সুৰক্ষা শক্তিশালী কৰি তোলা।

(ক) প্ৰ'ট'ক'ল ১ (১৯৭৭) ঃ আন্তঃ ৰাষ্ট্ৰীয় সশস্ত্ৰ সংঘাতৰ বলি হোৱাসকলৰ সুৰক্ষাৰ সৈতে প্ৰ'ট'ক'ল ১ জড়িত।

(খ) প্ৰ'ট'ক'ল ২ (১৯৭৭) ঃ অনা-আন্তঃৰাষ্ট্ৰীয় সশস্ত্ৰ সংঘাতৰ বলি হোৱাসকলৰ সুৰক্ষাৰ সৈতে প্ৰ'ট'ক'ল ২ জড়িত।

(গ) প্ৰ'ট'ক'ল ৩ (২০০৫) ঃ এক অতিৰিক্ত সুস্পষ্ট প্ৰতীক চিহ্ন (Additional Distinctive Emblem) গ্ৰহণৰ সৈতে প্ৰ'ট'ক'ল ৩ জড়িত (পৰম্পৰাগত ৰেড ক্ৰ'ছ নাইবা ৰেড ক্ৰিছেণ্ট প্ৰতীকৰ উপৰি এটা ৰেড ক্ৰিষ্টল্ প্ৰতীক গ্ৰহণৰ কথা কোৱা হৈছে)।

জেনেভা চুক্তিত সন্নিৱিষ্ট নীতি- নিয়মবোৰ প্ৰায় সকলো আন্তঃৰাষ্ট্ৰীয় সশস্ত্ৰ সংঘাতৰ ক্ষেত্ৰতে সাধাৰণভাৱে প্ৰযোজ্য। কিন্তু চাৰিওখন জেনেভা সন্মিলনতে গৃহিত চুক্তিবোৰত থকা উমৈহতীয়া অনুচ্ছেদটো হ'ল 'অনুচ্ছেদ ৩ ' (Article 3)। ইয়াত অনা-আন্তঃৰাষ্ট্ৰীয় (non-international) সশস্ত্ৰ সংঘাত উদ্ভৱ হোৱা পৰিস্থিতিত প্ৰদৰ্শন কৰিবলগীয়া ন্যূনতম মানৱীয় আচৰণৰ বিষয়ে কোৱা হৈছে। জেনেভা চুক্তিৰ তৃতীয় অনুচ্ছেদটো অনা- আন্তঃৰাষ্ট্ৰীয় বৈশিষ্ট্যৰ সকলো ধৰণৰ সশস্ত্ৰ সংঘাতৰ ক্ষেত্ৰতে প্ৰযোজ্য। ইয়াৰ উপৰি সন্মিলনৰ সদস্য ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰত উদ্ভৱ হোৱা সশস্ত্ৰ সংঘাতৰ সময়তো এই অনুচ্ছেদটো প্ৰযোজ্য। এই অনুচ্ছেদটোত হিংসাত্মক কাৰ্যকলাপত সক্ৰিয়ভাৱে অংশগ্ৰহণ নকৰা ব্যক্তি, সশস্ত্ৰ সংঘাতৰ অস্ত্ৰ সমৰ্পণ কৰা সদস্য, বেমাৰ-আঘাত নাইবা অন্য যিকোনো কাৰণতে হিংসাত্মক কাৰ্য পৰিহাৰ কৰাসকলক সামৰি কোনো বৈষম্য নৰখাকৈ সকলো পৰিস্থিতিতে মানৱীয় আচৰণ প্ৰদৰ্শন কৰাৰ কথা কোৱা হৈছে।

- **চেইণ্ট পিটার্চবার্গ ঘোষণাপত্ৰ**

প্ৰথম জেনেভা সন্মিলন অনুষ্ঠিত হোৱাৰ কিছুবছৰ পাচতেই ১৮৬৮ চনত ৰাছিয়াৰ চেইণ্ট পিটার্চবার্গত আন এখন আন্তঃৰাষ্ট্ৰীয় ঘোষণাপত্ৰ জাৰি কৰা হৈছিল। এই ঘোষণাপত্ৰৰ জৰিয়ত ৪০০ গ্ৰামতকৈ কম ওজনৰ বিস্ফোৰক ৰাইফল বুলেটৰ ব্যৱহাৰ নিষিদ্ধি কৰা হৈছিল। এই সন্ধিখনকে চেইণ্ট পিটার্চবার্গ ঘোষণাপত্ৰ বুলি জনা যায়। ইয়াৰ লক্ষ্য আছিল যুদ্ধত অস্ত্ৰৰ ব্যৱহাৰ সীমাৱদ্ধ কৰা। এই সন্ধিতে অপ্ৰয়োজনীয় যন্ত্ৰণাৰ সৃষ্টি কৰিব পৰা অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ নিষেধকাৰী পৰম্পৰাগত নীতিটো সন্নিৱিষ্ট কৰা হৈছিল। এই নীতিটো আজিও বৈধ হৈ আছে।

- **হে'গ সন্মিলন**

১৮৯৯ আৰু ১৯০৭ চনত অনুষ্ঠিত হে'গ সন্মিলনতেই হিংসাত্মক আচৰণ কৰাৰ ব্যৱহাৰিক সামৰিক দিশবোৰৰ লগতে স্থলযুদ্ধৰ আইন তথা প্ৰথাবোৰৰ আলোচনা কৰা হৈছিল। নেদাৰলেণ্ডৰ হে'গ চহৰত অনুষ্ঠিত দুয়োখন আন্তঃৰাষ্ট্ৰীয় শান্তি সন্মিলতেই এলানি আন্তঃৰাষ্ট্ৰীয় সন্ধি আৰু ঘোষণাপত্ৰ গৃহিত কৰা হৈছিল। ১৮৯৯ চনত স্থলযুদ্ধ বিষয়ক প্ৰথম হে'গ চুক্তি গ্ৰহণ কৰা হৈছিল। এই চুক্তিয়ে যুদ্ধ চলাই নিয়াৰ নিয়ন্ত্ৰিত নীতি নিয়ম প্ৰৱৰ্তনৰ প্ৰয়াস কৰিছিল। ১৯০৭ চনত এই চুক্তিৰ সংশোধন ঘটাই ইয়াক দ্বিতীয় হে'গ সন্মিলনৰ ৰূপ দিয়া হৈছিল। ১৮৯৯ চনৰ প্ৰথম হে'গ সন্মিলৰ এটা গুৰুত্বপূৰ্ণ ঘোষণা আছিল 'বুলেট সম্প্ৰসাৰণ' (Expanding Bullets)। এই ঘোষণাই বুলেটৰ দৰে বাৰুদৰ প্ৰয়োগ নিষিদ্ধ কৰিছিল।

ওপৰত উল্লেখ কৰা সন্ধিবোৰ, বিশেষকৈ জেনেভা আৰু হে'গ সন্মিলনবোৰ আছিল সশস্ত্ৰ সংঘাত বিষয়ক সমসাময়িক আইন সৃষ্টিৰ আৰম্ভণি। জেনেভা সন্মিলনবোৰৰ উদ্দেশ্য আছিল সশস্ত্ৰ সংঘাতৰ বলি হোৱাসকলৰ সুৰক্ষা নিশ্চিত কৰা। এই সন্মিলনবোৰত গৃহিত সিদ্ধান্তবোৰ পাচত 'জেনেভা আইন' নামেৰে জনাজাত হ'ল। হে'গ সন্মিলনৰ আলোচ্য বিষয় আছিল যুদ্ধৰ উপায় আৰু পদ্ধতিবোৰত সীমাৱদ্ধতা তথা নিষেধাজ্ঞা আৰোপ কৰা। এই সন্মিলনত গৃহিত সিদ্ধান্তবোৰ 'হে'গ আইন' নামেৰে জনাজাত হ'ল।

হে'গ ঃ নেদাৰলেণ্ডৰ এখন চহৰৰ নাম



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ কোন চনত 'যুদ্ধক্ষেত্ৰত আহত আৰু ৰোগাক্ৰান্ত হোৱা সৈন্য বাহিনীৰ সদস্যসকলৰ অৱস্থা উন্নতকৰণৰ' বাবে প্ৰথম জেনেভা চুক্তিখন গৃহিত হৈছিল?

.....

প্ৰশ্ন নং ৬ ঃ 'এ মেম'ৰী অব্ চ'লফেৰীনো' নামৰ গ্ৰন্থখন কোনে লিখিছিল?

.....

১৩.৫ সশস্ত্ৰ সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় আইন নাইবা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ নীতি

সকলো সামৰিক অভিযানৰে কেনেকৈ আৰু কেতিয়া আক্ৰমণ কৰিব, কেনেকৈ আক্ৰমণ প্ৰতিহত কৰিব আৰু কেনেকৈ যুদ্ধ সম্বৰণ কৰিব সেই সম্পৰ্কে নিৰ্দিষ্ট নীতি থাকে। একেদৰে, সশস্ত্ৰ সংঘাত বিষয়ক আইনতো এলানি সুস্পষ্ট নীতি সন্নিৱিষ্ট কৰা আছে। এই নীতিবোৰ ব্যৱহাৰিক আৰু নীতিবোৰে সশস্ত্ৰ সংঘাতৰ বাস্তৱিকতা প্ৰতিফলিত কৰে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল এই নীতিবোৰে মানৱীয়তা আৰু সামৰিক প্ৰয়োজনীয়তাৰ মাজত এক সমতা স্থাপন কৰে। সকলো সশস্ত্ৰ সংঘাতকালীন পৰিস্থিতিতে এই নীতিবোৰ বৈধ। এনে নীতিৰ আঁৰৰ দৰ্শনটো হ'ল

সশস্ত্র সংঘাত আৰু যুদ্ধৰ সময়ত ৰাষ্ট্ৰ তথা ব্যক্তিয়ে নিজ ইচ্ছামতে সকলো কাম কৰিব নোৱাৰে। তলত সশস্ত্র সংঘাত বিষয়ক আইনৰ নীতিবোৰ আলোচনা কৰা হ'ল।

- **প্রভেদৰ নীতি (The Principle of Distinction) ঃ**

  প্রভেদৰ নীতিয়ে সামৰিক অভিযানৰ বিৰূপ প্রভাৱৰ পৰা অসামৰিক জনসাধাৰণ আৰু অসামৰিক বস্তুবোৰক সুৰক্ষা প্রদান কৰে। ইয়াৰ বাবে সশস্ত্র সংঘাতত লিপ্ত পক্ষবোৰে সকলো পৰিস্থিতিতে সৈনিক আৰু সামৰিক উদ্দেশ্যৰ পৰা অসামৰিক ব্যক্তি আৰু অসামৰিক বস্তুক পৃথক কৰিব লাগিব। সশস্ত্র পক্ষবোৰে কেৱল সামৰিক উদ্দেশ্যবোৰকহে লক্ষ্য কৰি আক্রমণ চলাব পাৰিব। এই নীতিটোক সেয়েহে আন্তঃৰাষ্ট্ৰীয় আৰু অনা-আন্তঃৰাষ্ট্ৰীয় দুয়ো ধৰণৰ সংঘাতৰ ক্ষেত্রতে পৰম্পৰাগত আন্তঃৰাষ্ট্ৰীয় আইনৰ এক প্রতিষ্ঠিত স্বীকৃত বিধি (norm) বুলি গণ্য কৰা হয়। আন্তঃৰাষ্ট্ৰীয় ৰেড ক্রু'ছ কমিটি (ICRC) এ বিশ্বৰ সকলো দেশৰে অৱশ্য কৰণীয় অনুশীলনবোৰত এই নীতিটোৰ প্রতিফলন ঘটাতো বিচাৰে।

- **প্রয়োজনীয়তা আৰু সমানুপাতিকতাৰ নীতি (The Principle of Necessity and Proportionality) ঃ**

  মানৱহিতৈষী আইনৰ আন দুটা প্রতিষ্ঠিত নীতি হ'ল প্রয়োজনীয়তা আৰু সমানুপাতিকতা। আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ মতে যুদ্ধৰত পক্ষ এটাই সিমান পৰিমাণ আৰু তেনেধৰণৰহে শক্তি প্রয়োগ কৰিব লাগে যিখিনি শত্রুক পৰাজিত কৰিবলৈ প্রয়োজনীয়। লগতে, সামৰিক লক্ষ্যৰ ওপৰৰ চলা আক্রমণৰ সময়ত অসামৰিক জীৱন যাতে হানি নহয় তালৈও লক্ষ্য ৰাখিব লাগে। কমাণ্ডৰসকলে অসামৰিক ক্ষয়-ক্ষতি এৰাই চলিব পৰাকৈ সকলো ধৰণৰ উপযুক্ত সাৱধানতা অৱলম্বন কৰিব লাগে। ICRC ৰ মতে সমানুপাতিকতাৰ নীতিটো আন্তঃৰাষ্ট্ৰীয় আৰু অনা-আন্তঃৰাষ্ট্ৰীয় দুয়ো ধৰণৰ সশস্ত্র সংঘাতৰ বাবে পৰম্পৰাগত আন্তঃৰাষ্ট্ৰীয় আইনৰ অংশ হোৱা উচিত।

- **মানৱীয় আচৰণৰ নীতি (The Principle of Human Treatement) ঃ**

  মানৱীয় আচৰণৰ নীতি অনুসৰি অসামৰিক ব্যক্তিক সকলো সময়তে মানৱীয় আচৰণ কৰা উচিত। জেনেভা চুক্তিৰ 'উমৈহতীয়া ধাৰা-৩ এ জীৱন আৰু ব্যক্তিৰ ওপৰত সকলো ধৰণৰ হিংসাত্মক আচৰণ (নিষ্ঠুৰ আচৰণ আৰু শাৰীৰিক অত্যাচাৰকে ধৰি) কৰাটো নিষিদ্ধ কৰি দিয়াৰ লগতে অসামৰিক লোকক পণবন্দী কৰা, অপমানিত কৰা আৰু মর্যাদা হানিকাৰক আচৰণ কৰাটো নিষেধ কৰিছে। সশস্ত্র সংঘাতৰ সময়ত অসামৰিক ব্যক্তিয়ে নিজৰ শাৰীৰিক তথা মানসিক সুমামঞ্জস্যতা বর্তাই ৰখা, সন্মান অক্ষুণ্ণ ৰখা, পৰিয়ালৰ অধিকাৰ অটুট ৰখা, ধর্মীয় বিশ্বাস আৰু অনুশীলন অব্যাহত ৰখা, ব্যক্তিগত আচাৰ-ব্যৱহাৰ তথা প্রথাবোৰ মানি চলাৰ ক্ষেত্রত সম্পূর্ণ সন্মান লাভ কৰা উচিত। ICRC এ এই নীতিটোকো পৰম্পৰাগত আন্তঃৰাষ্ট্ৰীয় আইনৰ এটা স্বীকৃতি বিধি বুলি নিশ্চিত কৰিছে। এই নীতি আন্তঃৰাষ্ট্ৰীয় তথা অনা- আন্তঃৰাষ্ট্ৰীয় দুয়োধৰণৰ সশস্ত্র সংঘাতৰ ক্ষেত্রতেই প্রযোজ্য।

- **বৈষম্যহীনতাৰ নীতি (The Principle of Non-Discrimination) ঃ**

  বৈষম্যহীনতাৰ নীতিক আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ মূল বুলি গণ্য কৰা হয়। জাতি, লিংগ, ৰাষ্ট্ৰ পৰিচয়, ধৰ্মীয় বিশ্বাস নাইবা ৰাজনৈতিক মতামত নিৰ্বিশেষে যুদ্ধবন্দী, অসামৰিক আৰু যুদ্ধত পঙ্গু হোৱাসকলক আটাইবোৰ বৈষম্যৰ পৰা আঁতৰত ৰাখিব লাগিব। সশস্ত্র সংঘাতৰ কু প্ৰভাৱৰ বলি হোৱা প্ৰতিগৰাকী ব্যক্তিৰেই মৌলিক অধিকাৰ আৰু নিশ্চয়তা অক্ষুণ্ণ থাকিব লাগিব। নাৰী আৰু শিশুৰ প্ৰতি অগ্ৰাধিকাৰভিত্তিক আচৰণ কৰিব লাগিব, সন্মান আৰু সুৰক্ষা প্ৰদান কৰিব লাগিব। নাৰীক বলাৎকাৰ আৰু সকলো প্ৰকাৰৰ অশালীন উৎপীড়নৰ পৰা ৰক্ষা কৰিব লাগিব। ১৮ বছৰতকৈ কম বয়সীয়া ল'ৰা-ছোৱালীক হিংসাত্মক কাৰ্যকলাপত অংশগ্ৰহণ কৰাৰ অনুমতি দিয়া অনুচিত। প্ৰথম আৰু দ্বিতীয় জেনেভা সম্মিলনৰ সিদ্ধান্ত অনুসৰি স্থল আৰু জল যুদ্ধত আহত আৰু ৰুগীয়া হৈ পৰাসকলক সুৰক্ষা প্ৰদান কৰা হ'ব।



জানি থোৱা ভাল

আন্তঃৰাষ্ট্ৰীয় সংঘ ৰেড ক্ৰ'ছ আৰু ৰেড ক্ৰিছেণ্ট চোছাইটিৰ দুটা সকলোৱে চিনি পোৱা বিশ্বজনীন প্ৰতীক চিহ্ন আছে। ইয়াৰে এটা হ'ল ৰঙা ক্ৰ'ছ চিহ্ন আৰু আনটো হ'ল এটা ৰঙা কাঁচিজোন। এই প্ৰতীক চিহ্ন দুটা বগা পৃষ্ঠভূমিৰ এটা ৰঙা আয়তক্ষেত্ৰৰ ভিতৰত আঁকা থাকে। দুয়োটা প্ৰতীকেই সংঘাত অথবা দুৰ্যোগৰ সময়ত সহায় আগবঢ়োৱা কথা বুজায়। অনুষ্ঠানটোৰ পতাকা, ভৱন, যিকোনো সংলগ্ন কৰা সেৱা-সুবিধা, ভ্ৰাম্যমান চিকিৎসা গোট, এনে চিকিৎসা গোটৰ পৰিবহন ব্যৱস্থা সকলোতে এই প্ৰতীক প্ৰদৰ্শিত হৈ থাকিব লাগে। ইয়াৰ লগতে ৰেডক্ৰ'ছৰ চিকিৎসা ধৰ্মীয় সেৱা বিভাগত জড়িতসকলৰ পোছাক আৰু শিৰস্ত্ৰাণতো এই প্ৰতীক দুটা দেখা পোৱা যায়। জেনেভা চুক্তিৰ বিকল্প প্ৰ'ট'ক'ল ৩ ত ৰঙা ক্ৰিষ্টেল প্ৰতীকটো গ্ৰহণ কৰা হৈছে। জেনেভা চুক্তি আৰু বিকল্প প্ৰ'ট'ক'লৰ দ্বাৰা সুৰক্ষা লাভ কৰা চিকিৎসা গোট তথা চিকিৎসা বিষয়াই এই বিশেষ প্ৰতীকটো ব্যৱহাৰ কৰে। কোনো উপযুক্ত কৰ্তৃপক্ষৰ পৰা সন্মতি পালেহে ৰঙা ক্ৰিষ্টেল প্ৰতীকটো ব্যৱহাৰ কৰিব পৰা যায়। জেনেভা চুক্তি আৰু প্ৰ'ট'ক'লবোৰৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰিবলৈ এই নিয়ম কঠোৰভাৱে পালন কৰাটো বাঞ্ছনীয়।

১৩.৫.১ সশস্ত্র সংঘাতৰ সময়ত মানি চলিবলগীয়া আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ নীতি

এই বাৰ আমি সশস্ত্র সংঘাতৰ সময়ত মানি চলিবলগীয়া আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ সাতটা মৌলিক নিয়ম পৰীক্ষা কৰি চাম। এই নিয়মকেইটাই হ'ল জেনেভা চুক্তি আৰু অতিৰিক্ত প্ৰ'ট'ক'লবোৰৰ আধাৰ। নিয়মকেইটা তলত উল্লেখ কৰা হ'ল—

- যুদ্ধক্ষেত্ৰত পংগু হোৱা আৰু হিংসাত্মক কার্যকলাপত প্রত্যক্ষ অংশ গ্রহণ নকৰা ব্যক্তিৰ জীৱনলৈ সন্মান প্রদর্শন কৰা। এনে ব্যক্তিক যিকোনো পৰিস্থিতিতে সুৰক্ষা প্রদান তথা মানৱীয় দিশেৰে উপযুক্ত আচৰণ কৰিব লাগিব।
- আত্মসমর্পন কৰা নাইবা যুদ্ধক্ষেত্ৰত পংগু হোৱা শত্রুক হত্যা নাইবা আহত কৰাটো নিষেধ।
- যিটো পক্ষৰ ক্ষমতা থাকে সেইটো পক্ষই আহত আৰু ৰুগীয়াসকলক সংগ্রহ কৰি তেওঁলোকৰ যত্ন লোৱাৰ দায়িত্ব পালন কৰিব লাগিব। সুৰক্ষাই চিকিৎসা বিষয়া, বিভিন্ন ভৱন, পৰিবহন আৰু যন্ত্র-পাতিকো সামৰি ল'ব লাগিব। ৰেড ক্রু'ছ আৰু ৰেড ক্রিছেণ্টৰ প্রতীকক সকলোৱে সন্মান কৰিব লাগিব।
- যুদ্ধত ধৰা পৰা সৈনিক আৰু অসামৰিক লোকৰমৌলিক অধিকাৰ আৰু প্রয়োজনবোৰৰ সুৰক্ষা সুনিশ্চিত কৰিব লাগিব। তেনে লোকে পৰিয়ালৰ সৈতে যোগাযোগ কৰাৰ আৰু সাহায্য লাভৰ অধিকাৰ পাব।
- প্রতিগৰাকী ব্যক্তিয়েই মৌলিক ন্যায়িক নিশ্চিতি লাভ কৰিব। নিজে নকৰা কামৰ বাবে কাকো জগৰীয়া কৰিব পৰা নাযাব। কাকো শাৰীৰিক অথবা মানসিক নির্যাতন কৰিব পৰা নাযাব, গুৰুতৰ শাস্তি বিহিব পৰা নাযাব, কাৰো সৈতে নিষ্ঠুৰ নাইবা মর্যাদা হানিকৰ আচৰণ কৰিব পৰা নাযাব।
- অপ্রয়োজনীয় হানি-বিঘিনি ঘটাব পৰা নাইবা মাত্রাধিক দুর্দশাৰ সৃষ্টি কৰিব পৰা অস্ত্র-শস্ত্র অথবা যুদ্ধ পদ্ধতিৰ প্রয়োগ কৰিব পৰা নাযাব।
- সংঘাতত লিপ্ত পক্ষবোৰে সকলো সময়তে অসামৰিক লোক তথা সম্পত্তিৰ ওপৰত আক্রমণ এৰাই চলিবলৈ অসামৰিক তথা সামৰিক উদ্দেশ্যবোৰ পৃথক কৰিব লাগিব। আক্রমণ কেৱল সামৰিক উদ্দেশ্যবোৰৰ বিৰুদ্ধে চলাব লাগিব।

১৩.৫.২ জেনেভা চুক্তিৰ পৰৱর্তী কালছোৱাত হোৱা বিকাশ

আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ ক্ষেত্রখনত জেনেভা চুক্তি গৃহিত হোৱাৰ পৰৱর্তী সময়ছোৱাত আন কেইবাখনো চুক্তি সম্পাদন কৰা হৈছিল। চুক্তিকেইখন হ'ল-

- ১৯৭২ চনৰ জৈৱিক মাৰণাস্ত্র চুক্তি
- ১৯৮০ চনৰ ৰাষ্ট্রসংঘৰ পৰস্পৰাগত মাৰণাস্ত্র চুক্তি; এই চুক্তিৰ প্র'ট'ক'লবোৰে তলৰ কথাবোৰ সামৰি লয়-
  - (ক) ধৰা পেলাব নোৱাৰা মাৰণাস্ত্রসমূহ
  - (খ) মাইন আৰু বুবী ট্রেপ (অদৃশ্য জাল) (১৯৯৬ চনত সংশোধিত)
  - (গ) চকু চাট মাৰি ধৰা লেজাৰ মাৰণাস্ত্রৰ ব্যৱহাৰ নিষিদ্ধকৰণ (১৯৯৬ চনত গৃহিত)

- ১৯৯৩ চনৰ ৰাসায়নিক মাৰণাস্ত্র চুক্তি
- ১৯৯৭ চনৰ ব্যক্তি বিৰোধী লেণ্ডমাইন নিষিদ্ধকাৰী ওট্টাৱা চুক্তি

১৩.৫.৩ আন্তঃৰাষ্ট্রীয় মানৱহিতৈষী আইন আৰু মানৱ অধিকাৰ

সশস্ত্র সংঘাত বিষয়ক নীতি-নিয়মবোৰক লৈ চলা সকলো আলোচনা মানৱ অধিকাৰ আইনৰ উল্লেখ অবিহনে আধৰুৱা হৈ ৰ'ব। মানৱ অধিকাৰ আইন হ'ল সশস্ত্র সংঘাত আৰু শান্তিপূর্ণ অৱস্থাত প্রযোজ্য আন্তঃৰাষ্ট্রীয় আইনৰ এক গুৰুত্বপূর্ণ শাখা। এই অধিকাৰবোৰ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র, পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি, আঞ্চলিক চুক্তি আৰু চনদ আদিৰ দৰে ৰাষ্ট্রসংঘৰ বিভিন্ন কার্য সম্পাদনকাৰী আহিলাৰ অংশ। মানৱ অধিকাৰবোৰ সংশোধন কৰিব পাৰি কিন্তু বিলোপ কৰিব নোৱাৰি। যেনে- আন্তঃৰাষ্ট্রীয় সশস্ত্র সংঘাত চলি থকা কালত উপযুক্ত গ্রেপ্তাৰৰ কর্তৃত্ব নথকাকৈ কোনো ব্যক্তিকে কোনেও দীঘলীয়া সময়ৰ বাবে আটক কৰি ৰাখিব নোৱাৰে।

মানৱ অধিকাৰ ব্যৱস্থা আৰু সশস্ত্র সংঘাত বিষয়ক আইনক পৰস্পৰৰ পৰিপূৰক ৰূপে বিচাৰ কৰি চোৱা উচিত। সংঘাত চলি থকা পৰিস্থিতিত মানৱ অধিকাৰবোৰ বিপদাপন্ন হোৱাৰ সম্ভাৱনা অধিক আৰু এনে পৰিস্থিতিত সাধাৰণ লোকে সুৰক্ষাৰ বাবে সশস্ত্র শক্তিবোৰৰ ওপৰত ভৰসা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ সশস্ত্র সংঘাত বিষয়ক আইনৰ নীতি চাৰিটা কি কি ?

.....

প্রশ্ন নং ৮ ঃ আন্তঃৰাষ্ট্রীয় মানৱহিতৈষী আইনৰ ক্ষেত্রখনত জেনেভা চুক্তিৰ পাচত গ্রহণ কৰা যিকোনো দুখন চুক্তিৰ নাম উল্লেখ কৰক।

.....

.....



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সশস্ত্র সংঘাত বিষয়ক আন্তঃৰাষ্ট্রীয় আইন নাইবা আন্তঃৰাষ্ট্রীয় আইন হ'ল আন্তঃৰাষ্ট্রীয় আইনৰ অধীনত বিকশিত হোৱা গুৰুত্বপূর্ণ ধাৰণাৰ মূর্ত্তৰূপ। যুদ্ধ নাইবা সশস্ত্র সংঘাতত লিপ্ত পক্ষবোৰৰ আচাৰ-আচৰণ নিয়ন্ত্রণ কৰিব খোজা আইনকেই আন্তঃৰাষ্ট্রীয় মানৱহিতৈষী আইন বোলা হয়।

- আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ আন এটা নাম হ'ল 'Jus in bello' । লেটিন ভাষাৰ এই খণ্ডবাক্যটিৰ অর্থ হ'ল 'যুদ্ধ আৰম্ভ কৰাৰ সময়ত পালন কৰিবলগীয়া আইন'। আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন হ'ল 'Jus ad bellum' ৰ সম্পূর্ণ বিপৰীত। এই লেটিন খণ্ডবাক্যটিত অর্থ হ'ল 'যুদ্ধৰ অধিকাৰ'। ই কোনো এখন ৰাষ্ট্ৰই কোনবোৰ বৈধ কাৰণত যুদ্ধত লিপ্ত হ'ব পাৰে সেয়া নির্ধাৰণ কৰি দিয়ে।
- আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনত জেনেভা চুক্তি আৰু হে'গ চুক্তিৰ সিদ্ধান্তবোৰৰ লগতে তাৰ পৰৱর্তী সময়ত স্থাপন হোৱা বিভিন্ন সন্ধি, নানা ঘটনাভিত্তিক আইন আৰু প্ৰচলিত আন্তঃৰাষ্ট্ৰীয় আইনৰ নীতি-নিয়ম অন্তর্ভুক্ত কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনে যুদ্ধৰত দেশ, নিৰপেক্ষ দেশ, যুদ্ধত লিপ্ত হৈ থকা ব্যক্তিৰ আচৰণ তথা দায়িত্বৰ সংজ্ঞা নির্ধাৰণ কৰি দিয়াৰ লগতে অ-যুধ্যমান (সাধাৰণ নাগৰিক, চিকিৎসা তথা সাহায্য কর্মীৰ দৰে যুদ্ধত সক্ৰিয় অংশগ্ৰহণ নকৰা লোক) আৰু যুদ্ধ কৰিব নোৱাৰা (যেনে- আঘাতপ্ৰাপ্ত সৈন্য, যুদ্ধবন্দী ইত্যাদি) ব্যক্তিক সুৰক্ষা প্ৰদানৰ চেষ্টা কৰে।
- ১৯৪৯ চনত জেনেভা সম্মিলনত ভাগ লোৱা দেশবোৰে সশস্ত্র সংঘাত চলি থকা সময়ত প্ৰযোজ্য হোৱা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ জ্ঞান প্ৰচাৰ কৰা আৰু মানুহক বুজোৱাৰ লগতে পৰৱর্তী সময়ত এই আইনৰ সকলো ধৰণৰ বিকাশ ঘটোৱাৰ দায়িত্ব আন্তঃৰাষ্ট্ৰীয় ৰেড ক্ৰ'ছ কমিটিক অর্পন কৰিছিল। এই দায়িত্ব পালন কৰিব পৰাকৈ আন্তঃৰাষ্ট্ৰীয় ৰেড ক্ৰ'ছ আৰু ৰেড ক্ৰিছেণ্ট আন্দোলন'ৰ সূত্রপাত কৰা হৈছিল।
- আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনত দুই ধৰণৰ সশস্ত্র সংঘাতৰ বিষয়ে কোৱা হৈছে- আন্তঃৰাষ্ট্ৰীয় সশস্ত্র সংঘাত (দুখন নাইবা ততোধিক ৰাষ্ট্ৰৰ মাজত) আৰু অ-আন্তঃৰাষ্ট্ৰীয় সশস্ত্র সংঘাত (চৰকাৰী শক্তি আৰু বেচৰকাৰী সশস্ত্র গোটবোৰৰ মাজত নাইবা বেচৰকাৰী সশস্ত্র গোটবোৰৰ পৰস্পৰৰ সৈতে চলা সংঘাত)।
- সশস্ত্র সংঘাত বিষয়ক আইনৰ আধাৰ হ'ল প্ৰচলিত প্ৰথা আৰু পৰম্পৰাৰ লগতে যুগ যুগ ধৰি সঞ্চিত হৈ থকা সশস্ত্র সংঘাতৰ অভিজ্ঞতা। সশস্ত্র সংঘাত বিষয়ক আইন প্ৰস্তুত কৰাৰ সময়ত পৰম্পৰাগত আন্তঃৰাষ্ট্ৰীয় আইনবোৰো বিবেচনা কৰি চাব লাগিব।
- পৰম্পৰাগত আন্তঃৰাষ্ট্ৰীয় আইনে আধুনিক সন্ধিকেন্দ্রিক আইনৰ লাইখুঁটা ৰূপে গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। কেতিয়াবা ইয়াক সন্ধি আইনৰূপে বিকশিত কৰা হয় আৰু কেতিয়াবা সন্ধি আইন নথকা অৱস্থাত ই ৰিক্ত স্থান পূৰণকাৰী আইনৰ ভূমিকা লয়।
- ঊনবিংশ শতিকাৰ দ্বিতীয়ার্দ্ধত পৰম্পৰাগত নীতিবোৰক নির্দিষ্ট বহুপাক্ষিক চুক্তিৰ চর্তৰূপে সন্নিৱিষ্ট কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল।
- ১৮৬০ চনৰ দশকৰ পৰা সন্ধি স্থাপন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। চুইজাৰলেণ্ডৰ ব্যৱসায়ী হেন্ৰী ডুনাণ্ট এই কার্যৰ বাটকটীয়া আছিল।

- যুদ্ধক্ষেত্ৰত হেন্ৰী ডুনাণ্টে লাভ কৰা ব্যৱহাৰিক অভিজ্ঞতাবোৰে তেওঁক এখন কূটনৈতিক সন্মিলনৰ আয়োজন কৰিবলৈ উদ্বুদ্ধ কৰিলে। ইয়াৰ ফলশ্ৰুতিতে ১৮৬৪ চনৰ আগষ্ট মাহত জেনেভা সন্মিলন অনুষ্ঠিত হ'ল। এই সন্মিলনত যুদ্ধত আহত আৰু ৰুগীয়া হোৱা সৈনিকৰ অৱস্থা উন্নতকৰণৰ বিষয়টোৰ আলোচনাই প্ৰাধান্য পাইছিল। প্ৰথমবাৰৰ বাবে সন্মিলনত ভাগ লোৱা দেশবোৰে যুদ্ধ আৰম্ভ কৰাৰ ক্ষেত্ৰত থকা নিজ নিজ ক্ষমতা সীমাৱদ্ধ কৰাত সন্মতি জনাইছিল। জেনেভা সন্মিলন আছিল বিশ্বৰ সকলো দেশৰ বাবে মুকলি এখন আন্তঃৰাষ্ট্ৰীয় চুক্তি প্ৰস্তুতকাৰী মঞ্চ। জেনেভা সন্মিলনে বিষয়টোক লৈ লিখিত আইন প্ৰণয়ণৰ পথ মুকলি কৰিছিল আৰু ইয়াৰ ফলস্বৰূপে পৰৱৰ্তী সময়ত সশস্ত্ৰ সংঘাত বিষয়ক আইন প্ৰস্তুত কৰা হৈছিল।
- ১৮৬৪ চনৰ পৰা ১৯৪৯ চনলৈকে চলা এক দীঘলীয়া সশস্ত্ৰ সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ অংশৰূপে একাধিকবাৰ জেনেভা সন্মিলনৰ আয়োজন কৰা হৈছিল।
- ১৯৪৯ চনৰ চতুৰ্থ জেনেভা সন্মিলনখনৰ তিনিটা সংশোধীত প্ৰ'ট'ক'ল আছে। এই তিনিটাক প্ৰ'ট'ক'ল ১, প্ৰ'ট'ক'ল ২, আৰু প্ৰ'ট'ক'ল ৩ নামেৰে জনা যায়। ইয়াৰ লক্ষ্য হ'ল যুদ্ধৰ সময়ত অসামৰিক লোক আৰু আহত সৈনিকৰ ন্যায়িক সুৰক্ষা শক্তিশালী কৰি তোলা।
- ১৮৬৮ চনৰ চেইণ্ট পিটাৰ্চবাৰ্গ ঘোষণাপত্ৰৰ লক্ষ্য আছিল যুদ্ধত ব্যৱহৃত অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ সীমাৱদ্ধ কৰা।
- ১৮৯৯ আৰু ১৯০৭ চনত অনুষ্ঠিত দুয়োখন হে'গ সন্মিলনতেই হিংসাত্মক আচৰণ কৰাৰ ব্যৱহাৰিক সামৰিক দিশবোৰৰ লগতে স্থলযুদ্ধৰ আইন তথা প্ৰথাবোৰৰ আলোচনা কৰা হৈছিল।
- সকলো সামৰিক অভিযানৰে কেনেকৈ আৰু কেতিয়া আক্ৰমণ কৰিব, কেনেকৈ আক্ৰমণ প্ৰতিহত কৰিব আৰু কেনেকৈ যুদ্ধ সম্বৰণ কৰিব সেই সম্পৰ্কে স্পষ্ট নীতি থাকে। একেদৰে, সশস্ত্ৰ সংঘাত বিষয়ক আইনতো এলানি সুস্পষ্ট নীতি সন্নিৱিষ্ট কৰা আছে। এই নীতিবোৰ হ'ল- প্ৰভেদৰ নীতি, প্ৰয়োজনীয়তা আৰু সমানুপাতিকতাৰ নীতি, মানৱীয় আচৰণ নীতি আৰু বৈষম্যহীনতাৰ নীতি।
- সশস্ত্ৰ সংঘাতৰ সময়ত মানি চলিবলগীয়া আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ কেইটামান মৌলিক নিয়ম আছে।
- আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ ক্ষেত্ৰখনত জেনেভা চুক্তি গৃহিত হোৱাৰ পৰৱৰ্তী সময়ছোৱাত আন কেইবাখনো চুক্তি সম্পাদন কৰা হৈছিল।
- আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইন আৰু মানৱ অধিকাৰৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে।



১৩.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ; নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল। (২০১২)। *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ। (২০০৫)। *আন্তৰ্জাতিক আইন আৰু কূটনীতি*। গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1. Brown, Chris. (2005). *Understanding International Relations*. New York: Palgrave Macmillan.

2. Ghos, Peu. (2009). *International Relations.* New Delhi: PHI Learning Private Limited.

3. Goldstein, Joshua. S. & Pevehouse, Jon. C. ((2009). *International Relations.* New Delhi: Pearson.



১৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) আন্তঃৰাষ্ট্ৰীয় সশস্ত্ৰ সংঘাত (দুখন নাইবা ততোধিক ৰাষ্ট্ৰৰ মাজত)

(খ) অ-আন্তঃৰাষ্ট্ৰীয় সশস্ত্ৰ সংঘাত (চৰকাৰী শক্তি আৰু বেচৰকাৰী সশস্ত্ৰগোটবোৰৰ মাজত নাইবা বেচৰকাৰী সশস্ত্ৰ গোটবোৰৰ পৰস্পৰৰ সৈতে চলা সংঘাত)

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনে-যুধ্যমান লোকক অৰ্থাৎ, সাধাৰণ নাগৰিক, চিকিৎসা তথা সাহায্য কৰ্মীৰ দৰে যুদ্ধত সক্ৰিয় অংশগ্ৰহণ নকৰা লোক আৰু যুদ্ধ কৰিব নোৱাৰা (যেনে- আঘাতপ্ৰাপ্ত সৈন্য, যুদ্ধবন্দী ইত্যাদি) লোকক সুৰক্ষা প্ৰদান কৰিব বিচাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় ৰেড ক্ৰ'ছ কমিটিক

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৬৪ চন

৬ নং প্ৰশ্নৰ উত্তৰ ঃ হেন্ৰী ডুনাণ্ট

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) প্ৰভেদৰ নীতি

(খ) প্ৰয়োজনীয়তা আৰু সমানুপাতিকতাৰ নীতি

(গ) মানৱীয় আচৰণৰ নীতি

(ঘ) বৈষম্যহীনতাৰ নীতি

৮ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ১৯৭২ চনৰ জৈৱিক মাৰণাস্ত্ৰ চুক্তি

(খ) ১৯৯৭ চনৰ ব্যক্তিবিৰোধী লেণ্ডমাইন নিষিদ্ধকাৰী ওট্টাৱা চুক্তি



১৩.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ 'Jus in bello' আৰু ' Jus ad bellum' ৰ মাজত কি পাৰ্থক্য আছে?

প্ৰশ্ন ২ঃ কোন চনত 'যুদ্ধক্ষেত্ৰত আহত আৰু ৰোগাক্ৰান্ত হোৱা সশস্ত্ৰ বাহিনীৰ সদস্যসকলৰ অৱস্থা উন্নতকৰণৰ' বাবে প্ৰথম জেনেভা চুক্তিখন গৃহিত হৈছিল?

প্ৰশ্ন ৩ঃ যুদ্ধৰ সময়ত কৰা আচৰণ নিয়ন্ত্ৰণ কৰিবলৈ স্থলযুদ্ধ বিষয়ক প্ৰথম হে'গ চুক্তিখন কোন চনত গৃহিত হৈছিল?

প্ৰশ্ন ৪ঃ শত্ৰুক পৰাজিত কৰিবলৈ এটা যুদ্ধৰত পক্ষই কিমান পৰিমাণৰ আৰুকেনেধৰণৰ শক্তি প্ৰয়োগ কৰাটো প্ৰয়োজনীয় সেয়া আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ কোনটো নীতিয়ে নিৰ্ধাৰণ কৰি দিয়ে?

(খ) চুটি প্ৰশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ হে'গ সন্মিলনৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ঃ সশস্ত্ৰ সংঘাত বিষয়ক আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ মৌলিক নিয়মবোৰ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ সশস্ত্ৰ সংঘাত বিষয়ক আইন নাইবা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ অৰ্থ আৰু প্ৰকৃতি আলোচনা কৰক।

প্ৰশ্ন ২ঃ সশস্ত্ৰ সংঘাত বিষয়ক আইন নাইবা আন্তঃৰাষ্ট্ৰীয় মানৱহিতৈষী আইনৰ নীতিসমূহ আলোচনা কৰক।

* * * * *

অধ্যায় ১৪ঃ নব্য-ঔপনিৱেশিকতাবাদ আৰু নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ নব্য-ঔপনিৱেশিকতাবাদ

১৪.৩.১ অৰ্থনৈতিক নিৰ্ভৰশীল ৰাষ্ট্ৰ আৰু উপগ্ৰহ ৰাষ্ট্ৰ

১৪.৪ নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থা

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৬ অধিক জানিবলৈ

১৪.৭ অগ্ৰগতিৰ খতিয়ান

১৪.৮ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নব্য-ঔপনিৱেশিকতাবাদৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- নব্য-ঔপনিৱেশিকতাবাদৰ বিভিন্ন দিশসমূহ বৰ্ণনা কৰিব পাৰিব
- নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থা সম্পৰ্কে আলোচনা কৰিব পাৰিব
- নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থাৰ কৰ্মসূচী বৰ্ণনা কৰিব পাৰিব।

১৪.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাক নব্য-ঔপনিৱেশিকতাবাদৰ ধাৰণাৰ সৈতে পৰিচিত কৰাব। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত, বিশ্বৰ বহুতো দেশে পূৰ্বৰ ঔপনিৱেশিক শক্তিৰ পৰা স্বাধীনতা লাভ কৰি স্বাধীন ৰাষ্ট্ৰ ৰূপে প্ৰতিষ্ঠিত হ'বলৈ আৰম্ভ কৰিছিল। অৱশ্যে স্বাধীনতা লাভ কৰাৰ পিছতো এই ৰাষ্ট্ৰসমূহ পূৰ্বৰ ঔপনিৱেশিক শক্তিৰূপে থকা উন্নত ৰাষ্ট্ৰসমূহৰ দ্বাৰা অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত প্ৰভাৱান্বিত হয় বুলি যুক্তি দৰ্শোৱা হয়। ইয়াক ঔপনিৱেশিকতাবাদৰ এই নতুন স্বৰূপৰ শাসন ব্যৱস্থাও বুলিব পাৰি, যাক পৰোক্ষভাৱে কাৰ্যকৰী কৰা হয়। ইয়াকে 'নব্য-ঔপনিৱেশিকতাবাদ' বোলা হয়। একে সময়তে, এই অধ্যায়টিত উন্নয়নশীল আৰু অনুন্নত দেশসমূহে নিৰ্মাণ কৰা নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থাৰ ধাৰণাৰ বিষয়েও আলোচনা কৰা হৈছে। এই অৱস্থা নিৰ্মাণৰ মূল উদ্দেশ্য আছিল উন্নয়নশীল আৰু উন্নত দেশসমূহৰ অৰ্থনীতিৰ মাজত ন্যায়সংগত আৰু নিৰপেক্ষ সম্পৰ্ক স্থাপন কৰা।

১৪.৩ নব্য-ঔপনিৱেশিকতাবাদ

দ্বিতীয় বিশ্বযুদ্ধৰ পূৰ্বে আফ্ৰিকা, এছিয়া আৰু দক্ষিণ আমেৰিকাৰ বেছিভাগ দেশেই বিদেশী ৰাষ্ট্ৰৰ ৰাজনৈতিক শাসনাধীন উপনিৱেশ আছিল। অৱশ্যে এই উপনিৱেশসমূহৰ বেছিভাগতে লাহে লাহে বিদেশী শাসনৰ বিৰুদ্ধে ৰাষ্ট্ৰবাদী ভাৱনাই গা কৰি উঠিবলৈ ধৰে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত, দেশসমূহত ঔপনিৱেশিক শাসনৰ কবলৰ পৰা মুক্ত হোৱা প্ৰক্ৰিয়া আৰম্ভ হয়। ক্ৰমান্বয়ে ঔপনিৱেশিক শক্তিৰ পৰা অধিক দেশে স্বাধীনতা লাভ কৰিব ধৰিলে। কিন্তু দেখা গ'ল যে ৰাজনৈতিক স্বাধীনতা লাভ কৰাৰ পিছতো এই দেশসমূহ উন্নত দেশসমূহৰ ওপৰত কেবাদিশতো অৰ্থনৈতিকভাৱে নিৰ্ভৰশীল হৈ আছিল। বহু বছৰ ধৰি চলা ঔপনিৱেশিক শোষণৰ ফলত এই দেশসমূহ অধিক দৰিদ্ৰ হৈ পৰিছিল। স্বাধীনতা লাভ কৰাৰ পাছত, এই দেশসমূহে ক্ষীপ্ৰ ভাৱে অৰ্থনৈতিক আৰু ৰাজনৈতিক উন্নয়নৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছিল। ফলস্বৰূপে পূৰ্বতে যিবোৰ দেশ ঔপনিৱেশিক শক্তি আছিল, সেই উন্নত দেশসমূহৰ পৰা, এই অৰ্থনৈতিকভাৱে অনগ্ৰসৰ দেশসমূহে আৰ্থিক আৰু প্ৰযুক্তিগত সাহায্য লাভ কৰিব ধৰিলে। ইয়ে উন্নত দেশসমূহৰ অনুন্নত দেশসমূহৰ বিষয়বোৰত জড়িত হোৱা প্ৰক্ৰিয়াটোৰ সূচনা কৰিছিল। ঔপনিৱেশিকতাবাদৰ পৰৱৰ্তী বিশ্বখনত উন্নত দেশসমূহৰ এই প্ৰকৃতিক এক নতুন ধৰণৰ ঔপনিৱেশিকতাবাদৰ সৈতে তুলনা কৰিবলৈ ধৰা হ'ল। ইয়াকে সময়ত 'নব্য-ঔপনিৱেশিকতাবাদ' বুলি জনা যায়। ই হৈছে অৰ্থনৈতিক সাম্ৰাজ্যবাদৰ এক আধুনিক সংস্কৰণ।

নব্য-ঔপনিৱেশিকতাবাদৰ ধাৰণাটো বিশেষকৈ আফ্ৰিকাৰ পৰিপ্ৰেক্ষিতত বিখ্যাত হৈ পৰে। স্বাধীনতা লাভ কৰাৰ ঠিক পিছতেই আফ্ৰিকাৰ দেশসমূহৰ ৰাষ্ট্ৰীয় নেতা আৰু বিৰোধী দলসমূহে যুক্তি দৰ্শাইছিল যে তেওঁলোকৰ দেশসমূহে পূৰ্বৰ ঔপনিৱেশিক শক্তি আৰু অন্য উন্নত দেশসমূহে সৃষ্টি কৰা এক নতুন ধৰণৰ ঔপনিৱেশিকতাবাদৰ সন্মুখীন হৈছে।

'নব্য-ঔপনিৱেশিকতাবাদ' শব্দটো ব্যৱহাৰ কৰা প্ৰখ্যাত ব্যক্তিসকলৰ ভিতৰত অন্যতম হৈছে কোৱামে ক্ৰমা (Kwame Nkrumah) যিয়ে ঘানাই ১৯৫৭ত স্বাধীনতা লাভ কৰাৰ পিছত দেশখনৰ প্ৰথমজন ৰাষ্ট্ৰপতি হৈছিল। তেওঁ লিখা 'Neo-Colonialism, the Last Stage of Imperialism' (১৯৬৫) নামৰ গ্ৰন্থখনত তেওঁ নব্য-ঔপনিৱেশিকতাবাদৰ এক পুৰাতন সংজ্ঞা আগবঢ়াইছে। নিজৰ লিখনিৰ মাজত তেওঁ প্ৰকাশ কৰিছে যে ঔপনিৱেশিকতাবাদৰ বিপৰীতে সাম্ৰাজ্যবাদৰ বৰ্তমান মুখ্য কাৰক হৈছে নব্য-ঔপনিৱেশিকতাবাদ। তেওঁ লগতে উল্লেখ কৰিছিল যে বিদেশী মূলধনৰ ব্যৱহাৰ বিশ্বৰ অনুন্নত দেশসমূহক উন্নত কৰাৰ পৰিৱৰ্তে শোষণ কৰিবলৈহে কৰা হয়। ফলস্বৰূপে, বিশ্বৰ ধনী আৰু দুখীয়া দেশসমূহৰ মাজত থকা পাৰ্থক্য ক্ৰমান্বয়ে বৃদ্ধি পাইছে। একে সময়তে ক্ৰমাই ইয়াকো উল্লেখ কৰিছে যে নব্য-ঔপনিৱেশিকতাবাদৰ বিৰুদ্ধে কৰা বিপ্লৱৰ লক্ষ্য উন্নত দেশসমূহৰ পৰা অনুন্নত দেশসমূহলৈ পুঁজিৰ গতি বন্ধ কৰাটো নহয়, বৰঞ্চ এই পুঁজিক এনেদৰে ব্যৱহাৰ কৰা, যাতে অনুন্নত দেশসমূহ অধিক দৰিদ্ৰ হোৱাৰ পৰিৱৰ্তে বিকশিতহে হ'ব পাৰে।

নব্য-ঔপনিৱেশিকতাবাদৰ কিছুমান গুৰুত্বপূৰ্ণ দিশ আমি বিবেচনা কৰো আহক ঃ

- অৰ্থনৈতিকভাৱে উন্নত দেশসমূহৰ ওপৰত নির্ভৰশীল হোৱা বাবে, উন্নয়নশীল আৰু অনুন্নত দেশসমূহ নিজৰ অৰ্থনৈতিক কার্যকলাপ স্বাধীনভাৱে পৰিচালনা কৰিব পৰা স্থিতিত নাথাকে। নিজৰ অৰ্থনৈতিক আঁচনিবোৰ যুগুত কৰোঁতে আৰু কার্যকৰী কৰোঁতে এই দেশসমূহ উন্নত দেশৰ দ্বাৰা প্রভাৱিত আৰু পৰিচালিত হয়। লগতে ইয়াকো যুক্তি দর্শোৱা হয় যে, আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধি (International Monetary Fund), বিশ্ব বেংক (World Bank) আৰু বিশ্ব বাণিজ্য সংস্থা (World Trade Organization) আদিৰ দৰে আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানসমূহ নব্য-ঔপনিৱেশিকতাবাদৰ প্রভাৱ বৃদ্ধিৰ ক্ষেত্রত দায়বদ্ধ।

  অৰ্থনৈতিক নিয়ন্ত্রণ কার্যকৰী কৰি, তেওঁলোকে চৰকাৰী যন্ত্রৰ ওপৰত নিয়ন্ত্রণ আহৰণ কৰিবলৈ চেষ্টা কৰে। এনেদৰেই উন্নয়নশীল দেশসমূহৰ সার্বভৌমত্ব আঘাতপ্রাপ্ত হয়।

- ধনী দেশসমূহে বহু-দেশীয় প্রতিষ্ঠান (Multi-National Corporations-MNCs)সমূহৰ যোগেদি উন্নয়নশীল দেশসমূহৰ ৰাজনীতি তথা অৰ্থনীতিৰ ওপৰত নিয়ন্ত্রণ চলাব বিচাৰিছে। এনে প্রতিষ্ঠানসমূহৰ সৰহভাগৰেই মুখ্য কার্যালয় উন্নত দেশসমূহত প্রতিষ্ঠিত। উদাহৰণস্বৰূপে, বহুতো অনুন্নত ৰাষ্ট্রত, বহু-দেশীয় পেট্রলিয়াম আৰু খনি কোম্পানীসমূহে নিজৰ সম্পদ আহৰণৰ ক্ষেত্রত একছত্রীতা চলায়। তেওঁলোক অনুন্নত দেশত কম মূল্যত উপলব্ধ কেঁচা সামগ্রীৰ প্রতি উৎসাহী। বহু-দেশীয় প্রতিষ্ঠানসমূহৰ কার্যকলাপ কেৱল অৰ্থনৈতিক ক্ষেত্রতে সীমাবদ্ধ নহয়। নিজৰ বিত্তীয় শক্তিৰ জৰিয়তে তেওঁলোকে উন্নয়নশীল দেশসমূহৰ ৰাজনৈতিক দলসমূহক পুঁজিৰ যোগান ধৰি আৰু চৰকাৰক প্রভাৱান্বিত কৰি ৰাজনৈতিক ক্ষেত্রখনতো প্রভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা কৰে। উন্নত দেশসমূহে কেৱল অধিক শক্তিৰ প্রয়োগ কৰা, প্রদূষণ সৃষ্টি কৰা আৰু উন্নয়নশীল দেশসমূহত উপলব্ধ বৃহৎ শ্রম শক্তিৰ ব্যৱহাৰ কৰা উদ্যোগসমূহ হস্তান্তৰ কৰিবলৈ চেষ্টা কৰিছে বুলিও যুক্তি দর্শোৱা হয়।

- উন্নত দেশসমূহৰ বজাৰত অনুন্নত দেশৰ উৎপাদিত সামগ্রীৰ প্রৱেশ যথেষ্ট পৰিমাণে সীমিত কৰা হৈছে। উন্নত দেশসমূহে অনুন্নত দেশৰ বাবে নিজৰ বজাৰ মুকলি কৰি নিদিয়ে আৰু অনুন্নত দেশৰ উৎপাদিত সামগ্রীৰ ওপৰত বহুতো শুল্ক আৰু বাণিজ্যিক সীমাবদ্ধতা আৰোপ কৰাৰ উপৰি কম মূল্য পৰিশোধ কৰে। আনহাতে, উন্নত দেশসমূহে চাপ প্রয়োগ কৰে যাতে অনুন্নত দেশৰ বজাৰসমূহ অতি সীমিত সীমাবদ্ধতাৰে উন্নত দেশৰ সামগ্রীৰ বাবে মুকলি হৈ থাকক। এনে ধৰণৰ অসমতাই অনুন্নত দেশসমূহৰ ৰাষ্ট্রীয় অৰ্থনৈতিক উন্নতিত বাধা প্রয়োগ কৰে। উদাহৰণস্বৰূপে, ১৯৬০ৰ দশকত যুক্তি দর্শোৱা হৈছিল যে, উন্নত দেশসমূহে লেটিন-আমেৰিকাৰ দেশসমূহৰ কৃষিজাত সামগ্রীৰ বাবে কম মূল্য প্রদান কৰা আৰু কম মূল্যৰ উৎপাদিত সামগ্রীৰে এই দেশসমূহৰ বজাৰ ভৰাই দিয়াই হৈছে লেটিন-আমেৰিকাৰ অনুন্নত অৰ্থনীতিৰ বাবে প্রধানকৈ দায়ী।

- শীতল যুদ্ধৰ সময়ছোৱাত ছোভিয়েট ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ যুদ্ধই নিজ নিজ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিব বিচাৰিছিল। দুয়োপক্ষই লেটিন আমেৰিকা, এছিয়া আৰু আফ্ৰিকাৰ পূৰ্বৰ ঔপনিৱেশিক ৰাষ্ট্ৰসমূহত ছাঁয়া যুদ্ধ (proxy wars)ৰ সূচনা কৰি সেই ৰাষ্ট্ৰসমূহত নিজৰ নিয়ন্ত্ৰাধীন ক্ষেত্ৰ (puppet regimes)ৰ সৃষ্টি কৰিছিল, যাতে জড়িত মহাশক্তিসমূহৰ অৰ্থনৈতিক স্বাৰ্থ বৃদ্ধি কৰিব পাৰি।

ওপৰোক্ত ধৰণেৰে উন্নয়নশীল বিশ্বৰ দেশসমূহত নব্য-ঔপনিৱেশিকতাবাদৰ সূচনা হৈছিল।

১৪.৩.১ অৰ্থনৈতিক নিৰ্ভৰশীল ৰাষ্ট্ৰ আৰু উপগ্ৰহ ৰাষ্ট্ৰ

নব্য-ঔপনিৱেশিকতাবাদৰ পৰিপ্ৰেক্ষিতত উল্লেখযোগ্য দুই শ্ৰেণীৰ ৰাষ্ট্ৰ হৈছে এনেধৰণৰঃ

- **অৰ্থনৈতিক নিৰ্ভৰশীল ৰাষ্ট্ৰ ঃ** এই শ্ৰেণীৰ ৰাষ্ট্ৰসমূহ যদিও ৰাজনৈতিকভাৱে স্বাধীন, কিন্তু বিত্তীয় তথা কাৰিকৰী সহযোগিতাৰ বাবে বিদেশী ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল হোৱা বাবে তেওঁলোকে স্বাধীনভাৱে অৰ্থনৈতিক দিশসমূহ পৰিচালনা কৰাৰ স্থিতিত নাথাকে। এই অৰ্থনৈতিকভাৱে নিৰ্ভৰশীল ৰাষ্ট্ৰসমূহলৈ অনুদান আৰু ঋণৰ জৰিয়তে আৰ্থিক সাহাৰ্য আগবঢ়াই উন্নত ৰাষ্ট্ৰসমূহে নিৰ্ভৰশীল দেশসমূহৰ অৰ্থনৈতিক নীতি নিয়ন্ত্ৰণ কৰে। এই দেশসমূহৰ উৎপাদিত সামগ্ৰীৰ ৰপ্তানি ধনী দেশসমূহে নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে। যিহেতু এই অৰ্থনৈতিক দমন অৰ্থনৈতিক নীতিৰ জৰিয়তে কৰা হয়, ইয়াক জড়িত উন্নত ৰাষ্ট্ৰৰ মুদ্ৰাৰ দ্বাৰা প্ৰকাশ কৰা হয়। উদাহৰণস্বৰূপে, ডলাৰ কূটনীতি (আমেৰিকা যুক্তৰাষ্ট্ৰই ঋণ প্ৰদানৰ জৰিয়তে দক্ষিণ আমেৰিকা আৰু পূব এছিয়াৰ দেশসমূহৰ অৰ্থনৈতিক নীতি প্ৰভাৱিত কৰাৰ প্ৰচেষ্টা)। একেদৰে, পূৰ্বৰ ছোভিয়েট ইউনিয়ন আৰু জাপানে উন্নয়নশীল বিশ্বত নিজৰ অৰ্থনৈতিক স্বাৰ্থ বৃদ্ধি কৰাৰ প্ৰচেষ্টাক ক্ৰমে ৰুবল্ কূটনীতি আৰু য়েন কূটনীতিৰে বুজোৱা হয়।

- **উপগ্ৰহ ৰাষ্ট্ৰ ঃ** এই শ্ৰেণীৰ ৰাষ্ট্ৰসমূহ সাধাৰণতে মুক্ত আৰু স্বাধীন। কিন্তু প্ৰকৃততে সকলো ব্যৱহাৰিক কাৰ্যৰ বাবে তেওঁলোক এক মহাশক্তিৰ প্ৰভাৱৰ চাপত থাকে। উদাহৰণস্বৰূপে, শীতল যুদ্ধৰ সময়ছোৱাত, ছোভিয়েট ইউনিয়নে নিজৰ প্ৰভাৱৰ ক্ষেত্ৰ বৃদ্ধি কৰিবলৈ মধ্য আৰু পূব ইউৰোপত উপগ্ৰহ ৰাষ্ট্ৰৰ সৃষ্টি কৰিছিল। একেদৰে, উত্তৰ কোৰিয়াও ছোভিয়েট ইউনিয়নৰ প্ৰভাৱত আহিছিল। এই নিয়ন্ত্ৰক শক্তিসমূহে উপগ্ৰহ ৰাষ্ট্ৰৰ প্ৰায় সকলোবোৰ ৰাষ্ট্ৰীয় উদ্যোগৰ ওপৰত সম্পূৰ্ণ কৰ্তৃত্ব বহন কৰাৰ উপৰি সামৰিক ঘাটি স্থাপনকে ধৰি প্ৰত্যক্ষ প্ৰভাৱ বিস্তাৰ কৰে। অৰ্থাৎ অৰ্থনৈতিক নিৰ্ভৰশীল ৰাষ্ট্ৰৰ তুলনাত উপগ্ৰহ ৰাষ্ট্ৰসমূহ অধিক পৰিমাণে বিদেশী ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল।



জানি থোৱা ভাল

১৯৪৪ চনৰ জুলাই মাহত আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত হোৱা বৃটন উডছ্ (Bretton Woods) সম্মিলনৰ ফলস্বৰূপে বিশ্ব বেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধি প্রতিষ্ঠিত হয়। সেইবাবে এই অনুষ্ঠানসমূহক বৃটন উডছ্ অনুষ্ঠান বুলিও কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'Neo-Colonialism, the Last Stage of Imperialism' (১৯৬৫) নামৰ গ্রন্থখন কোনে লিখিছিল?

.....

প্রশ্ন নং ২ ঃ নব্য-ঔপনিৱেশিকতাবাদৰ পৰিপ্রেক্ষিতত বহু-দেশীয় প্রতিষ্ঠানসমূহৰ ভূমিকা কেনে ধৰণৰ?

.....

.....

.....

প্রশ্ন নং ৩ ঃ উপগ্রহ ৰাষ্ট্ৰৰ ধাৰণা ব্যাখ্যা কৰক।

.....

.....

.....

.....

.....

১৪.৪ নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থা

- **সূচনা ঃ**

  অৰ্থনৈতিক অসামঞ্জস্য আৰু বাণিজ্যিক গাঁথনিৰ অসমতাৰ বাবে উন্নত আৰু অনুন্নত দেশসমূহৰ মাজত এক বৃহৎ ব্যৱধানে দেখা দিছিল। এনে পৰিস্থিতিৰ পৰিপ্রেক্ষিতত, ১৯৭৩ চনৰ ছেপ্টেম্বৰ মাহত আল্জিয়াৰছত অনুষ্ঠিত হোৱা গোষ্ঠী-নিৰপেক্ষ আন্দোলন (Non-Aligned Movement-NAM) সম্মিলত উন্নয়নশীল আৰু অনুন্নত দেশসমূহে এক নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থা (New International Economic Order-NIEO)ৰ বাবে প্রস্তাৱ আগবঢ়াইছিল। ইয়াৰ পিছতেই গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ নেতাসকলে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ এক বিশেষ বৈঠকৰ বাবে অনুৰোধ জনাইছিল। এই বৈঠকৰ উদ্দেশ্য আছিল কেঁচা সামগ্রীৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সম্পৰ্কীয় দিশসমূহৰ আলোচনা। এই অনুৰোধৰ ফলস্বৰূপে ১৯৭৪ চনৰ এপ্রিল-মে' মাহত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ

সাধাৰণ সভাৰ ষষ্ঠ সংখ্যক বিশেষ অধিৱেশনত এক নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থা স্থাপন কৰিবলৈ প্ৰস্তাৱ লোৱা হয়। ফলস্বৰূপে, ১৯৭৪ চনৰ এপ্ৰিল-মে' অধিৱেশনতে ***৭৭-গোট (Group of 77/G-77)***এ সাধাৰণ সভাৰ এক প্ৰস্তাৱৰ জৰিয়তে এক নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থা স্থাপনৰ বাবে ঘোষণা আৰু কৰ্মসূচী গ্ৰহণৰ বাবে সুবিধা লাভ কৰে। ইতিমধ্যে ৰাষ্ট্ৰসংঘৰ বাণিজ্য আৰু উন্নয়ন সন্মিলন, ইউনাইটেড নেচন্ছ কনফাৰেন্ছ অন ট্ৰেড এণ্ড ডেভেলপমেণ্ট (United Nations Conference on Trade and Development-UNTACD)ৰ কেবাখনো বৈঠকত এই বিষয়টো সম্পৰ্কে যথেষ্ট আলোচনা কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ বাহিৰতো, বিশেষকৈ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ (NAM) সন্মিলনসমূহ, কমনৱেল্থ হেডছ্ অফ্ গৱৰ্ণমেণ্ট মিটিং, G-77 সন্মিলন, **১৫ গোট *(G-15)*** সন্মিলন, বিশ্ব বাণিজ্য সংস্থাৰ সন্মিলন আৰু আঞ্চলিক অনুষ্ঠানসমূহতো নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থাৰ বিষয়টো আলোচিত হৈছে।

- **নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থাৰ কৰ্মসূচী ঃ**

নিম্নলিখিত দফাবোৰে নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থাৰ কৰ্মসূচী নিৰ্মাণ কৰিছে ঃ

- জি-৭৭ দেশসমূহে নিজৰ ৰপ্তানি উদ্যোগৰ ওপৰত নিয়ন্ত্ৰণ বৃদ্ধি কৰা।
- উন্নয়নশীল দেশসমূহে নিজৰ সীমাৰ ভিতৰত কাৰ্যৰত বহু-দেশীয় প্ৰতিষ্ঠানসমূহৰ কাৰ্য নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ কৰা।
- বিদেশী বিনিয়োগকাৰীৰ বাবে এক বহুজাতিক আচৰণ বিধিৰ বাধ্যবাধকতা, যি প্ৰতিখন দেশৰ বাবে প্ৰযোজ্য হ'ব।
- উন্নয়নশীল দেশৰ পৰা কাৰিকৰী কৌশলৰ সৰবৰাহ কৰোঁতে ব্যয়ৰ পৰিমাণ কম কৰা।
- উন্নয়নশীল দেশসমূহৰ নিজৰ প্ৰাকৃতিক সম্পদৰ ওপৰত সাৰ্বভৌম নিয়ন্ত্ৰণ থাকিব লাগে।
- উন্নয়নশীল দেশসমূহৰ মাজত সহযোগিতা বৃদ্ধি।
- আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক সহযোগিতাৰ ক্ষেত্ৰখনত ৰাষ্ট্ৰসংঘ ব্যৱস্থাৰ ভূমিকা অধিক সুদৃঢ় কৰা।
- অতিকৈ জৰ্জৰিত উন্নয়নশীল দেশসমূহৰ বাবে বিশেষ কাৰ্যসূচী।
- উন্নয়নশীল দেশসমূহৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সামগ্ৰী বাণিজ্যক নিয়ন্ত্ৰণ কৰিবৰ বাবে এক নতুন অনুষ্ঠান স্থাপন কৰাৰ প্ৰস্তাৱ কৰা হয়। জি-৭৭ দেশসমূহে উৎপাদিত সামগ্ৰী আমদানিৰ ক্ষেত্ৰত ব্যয় কৰা মূল্যৰ সৈতে বিশ্ব সামগ্ৰী মূল্যক সংযুক্ত কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছিল।
- ঔদ্যোগিকৃত দেশসমূহে শুল্ক হ্ৰাস কৰাৰ লগতে নিজৰ বজাৰলৈ উন্নয়নশীল দেশসমূহৰ ৰপ্তানিকাৰকসকলক প্ৰৱেশাধিকাৰ দিব লাগে।



৭৭-গোট (দ্যা গ্ৰুপ অফ ছেভেণ্টি-ছেভেন/ G-77) ঃ G-77 হৈছে ৰাষ্ট্ৰসংঘৰ সদস্য উন্নয়নশীল দেশসমূহৰ ৭৭ খনেৰে গঠিত সৰ্ববৃহৎ আন্তঃ চৰকাৰী গোষ্ঠী। এই গোষ্ঠীৰ সহায়ত ৰাষ্ট্ৰসংঘৰ আয়ত্তৰ ভিতৰত সদস্য ৰাষ্ট্ৰসমূহে নিজৰ উমৈহতীয়া অৰ্থনৈতিক স্বাৰ্থসমূহ প্ৰকাশ আৰু বৃদ্ধি কৰাৰ লগতে উন্নয়নশীল দেশসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰিবলৈ সুবিধা লাভ কৰিছে।

১৫-গোট (দ্যা গ্ৰুপ অফ ফিফ্টিন/G-15) ঃ এই গোটটো ১৯৮৯ চনৰ ছেপ্তেম্বৰ মাহত য়ুগোছলেভিয়াৰ বেল্গ্ৰেডত অনুষ্ঠিত হোৱা নৱম গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সন্মিলন সভাত গঠন কৰা হয়। এই গোটটো উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা, আফ্ৰিকা আৰু এছিয়াৰ দেশসমূহেৰে গঠিত। এই গোটটোৱে বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত উন্নয়নশীল দেশসমূহৰ মাজত সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

- বেছিভাগ জি-৭৭ দেশে বিদেশী মুদ্রা অর্জনৰ বাবে নির্ভৰশীল হোৱা সামগ্রীবোৰৰ মূল্য বৃদ্ধি কৰাৰ লগতে স্থায়ী কৰা।
- এই কার্যসূচীত উপৰোক্ত দাবীসমূহৰ লগতে ঋণ সাহার্য, উচ্চস্তৰৰ উন্নয়নমূলক সহযোগিতা, আৰু আন্তঃৰাষ্ট্রীয় মুদ্রা নিধি তথা বিশ্ব বেংকত তৃতীয় বিশ্বৰ এক অধিক শক্তিশালী স্থিতিও দাবী কৰিছিল।

নতুন আন্তঃৰাষ্ট্রীয় অর্থনৈতিক অৱস্থাৰ পৃষ্ঠপোষকসকলে মত পোষণ কৰে যে উপৰোক্ত দাবীসমূহ সম্পূর্ণৰূপে পূৰণ কৰিলে, বিশ্ব আয়ৰ এক নিৰপেক্ষ বিতৰণৰ ওপৰত ভিত্তি কৰা, এক উপযুক্ত আন্তঃৰাষ্ট্রীয় বাণিজ্য ক্ষেত্র নির্মাণ কৰাৰ লগতে, উন্নয়নশীল দেশসমূহক নিজস্ব দেশীয় অর্থনীতিৰ ওপৰত প্রকৃত নিয়ন্ত্রণৰ সুবিধা প্রদান কৰিব।

- **অর্থনৈতিক অধিকাৰ আৰু কর্তব্যৰ চনদ ঃ**

ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই, ১৯৭৪ চনত অনুষ্ঠিত ইয়াৰ ২৯ সংখ্যক অধিৱেশনত নতুন আন্তঃৰাষ্ট্রীয় অর্থনৈতিক অৱস্থাত উল্লেখ কৰাৰ দৰে, 'অর্থনৈতিক অধিকাৰ আৰু কর্তব্যৰ চনদ'খন গ্রহণ কৰে। এই চনদখনৰ কেতবোৰ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে এনে ধৰণৰ ঃ

ক) প্রাকৃতিক সম্পদসমূহৰ ওপৰত দেশসমূহৰ সম্পূর্ণ সার্বভৌমত্ব।

খ) বহু-দেশীয় প্রতিষ্ঠানসমূহৰ ওপৰত নিয়ন্ত্রণ।

গ) বিদেশী বিনিয়োগৰ ৰাষ্ট্রীয়কৰণ।

ঘ) উমৈহতীয়া প্রাকৃতিক সম্পদৰ সমভাগিতা।

ঙ) উপ-আঞ্চলিক, আঞ্চলিক আৰু আন্তঃৰাষ্ট্রীয় সহযোগিতাৰ অধিকাৰ।

চ) বাণিজ্যৰ নিৰপেক্ষ চর্ত।

ছ) উন্নয়নশীল দেশসমূহলৈ কাৰিকৰী কৌশলৰ সৰ্ব্বৰাহৰ ক্ষেত্রত উন্নত দেশসমূহৰ দায়িত্ব।

জ) আন্তঃৰাষ্ট্রীয় অর্থনৈতিক, বিত্তীয় আৰু মুদ্রাবিষয়ক সমস্যাসমূহৰ সমাধানৰ বাবে আন্তঃৰাষ্ট্রীয় সিদ্ধান্ত গ্রহণ প্রক্রিয়াত প্রতিখন দেশৰে সম্পূর্ণ আৰু কার্যকৰী যোগদান।

- **নতুন আন্তঃৰাষ্ট্রীয় অর্থনৈতিক অৱস্থাৰ মূল্যায়ন ঃ**

বিংশ শতিকাৰ ৭০ৰ দশকতে এক নতুন আন্তঃৰাষ্ট্রীয় অর্থনৈতিক অৱস্থা স্থাপনৰ বাবে প্রস্তাৱ আগবঢ়োৱা হৈছিল। ক্রমাগতভাৱে ৰাষ্ট্রসংঘ, ৰাষ্ট্রসংঘৰ বাণিজ্য আৰু উন্নয়ন সন্মিলন, গোষ্ঠী-নিৰপেক্ষ, জি-১৫ অধিৱেশন, ইত্যাদিত এই অর্থনৈতিক অৱস্থা স্থাপনৰ কার্য আগবঢ়োৱা হয়। অৱশ্যে এই ক্ষেত্রত সফলতাৰ হাৰ যথেষ্ট সীমিত। যোৱা দশকবোৰত দৰিদ্রতাৰ হাৰো যথেষ্ট বৃদ্ধি পাইছে। উন্নত আৰু উন্নয়নশীল দেশসমূহৰ মাজৰ অর্থনৈতিক অসমতা ক্রমান্বয়ে বৃদ্ধি পাইছে আৰু উন্নয়নশীল দেশসমূহ যথেষ্ট ঋণগ্রস্ত হৈ পৰিছে। উন্নত আৰু উন্নয়নশীল দেশসমূহৰ মাজৰ বাণিজ্যিক চর্তৰ সামঞ্জস্য নাই। অনুন্নত দেশসমূহত এতিয়াও বিত্তীয় সংস্কাৰৰ ব্যৱস্থা নাই। তেওঁলোকৰ ঋণৰ অৱস্থাও যথেষ্ট জটিল। সমতা

স্থাপনৰ উদ্দেশ্যৰে উন্নয়নশীল দেশসমূহে প্ৰস্তাৱ আগবঢ়োৱা অনুসৰি উন্নত দেশসমূহে বাণিজ্য তথা শুল্কৰ সীমাবদ্ধতা হ্ৰাস কৰা নাই। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি, বিশ্ব বাণিজ্য সংস্থা ইত্যাদিৰ দৰে আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অনুষ্ঠানসমূহো সঠিকভাৱে পুনৰ্গঠন কৰা হোৱা নাই।

একে সময়তে, উন্নয়নশীল দেশসমূহেও ক্ষীপ্ৰ অৰ্থনৈতিক উন্নয়নৰ পথ উদ্ভাৱনৰ বাবে চেষ্টা কৰা উচিত, যাতে তেওঁলোক বিদেশী সাহাৰ্য আৰু মূলধনৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া নহয়। তেওঁলোকে নিজৰ মাজতে অৰ্থনৈতিক সহযোগিতাৰ প্ৰয়াস কৰা উচিত। তেওঁলোকে জাতীয় ক্ষেত্ৰখনত অৰ্থনৈতিক সংস্কাৰ সাধন কৰিব লাগে, যাতে জাতীয় অৰ্থনীতিৰ পৰিপ্ৰেক্ষিতত উন্নয়নৰ এক উচ্চ হাৰ তথা আয় আৰু ধনৰ এক নিৰপেক্ষ বিতৰণ সম্ভৱ হৈ উঠিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ১৯৭৩ চনৰ ছেপ্টেম্বৰ মাহত আলজিয়াৰছত এক নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থাৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৫ ঃ নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থাৰ কৰ্মসূচীৰ যিকোনো দুটা দফা উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গ্ৰহণ কৰা অৰ্থনৈতিক অধিকাৰ আৰু কৰ্তব্যৰ চনদৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নব্য-ঔপনিৱেশিকতাবাদৰ ধাৰণাটো বিশেষকৈ আফ্ৰিকাৰ পৰিপ্ৰেক্ষিতত বিখ্যাত হৈ পৰে। স্বাধীনতা লাভ কৰাৰ ঠিক পিছতেই আফ্ৰিকাৰ দেশসমূহৰ ৰাষ্ট্ৰীয় নেতা আৰু বিৰোধী দলসমূহে যুক্তি দৰ্শাইছিল যে তেওঁলোকৰ দেশসমূহে পূৰ্বৰ ঔপনিৱেশিক শক্তি আৰু অন্য উন্নত দেশসমূহে সৃষ্টি কৰা এক নতুন ধৰণৰ ঔপনিৱেশিকতাবাদৰ সন্মুখীন হৈছে।

- 'নব্য-ঔপনিৱেশিকতাবাদ' শব্দটো ব্যৱহাৰ কৰা প্ৰখ্যাত ব্যক্তিসকলৰ ভিতৰত অন্যতম হৈছে কোৱামে ক্ৰুমা (Kwame Nkrumah)চযি ঘানাই ১৯৫৭ত স্বাধীনতা লাভ কৰাৰ পিছত দেশখনৰ প্ৰথমজন ৰাষ্ট্ৰপতি হৈছিল। তেওঁ লিখা 'Neo-Colonialism, the Last Stage of Imperialism' (১৯৬৫)নামৰ গ্ৰন্থখনত তেওঁ নব্য-ঔপনিৱেশিকতাবাদৰ এক পুৰাতন সংজ্ঞা আগবঢ়াইছে। নিজৰ লিখনিৰ মাজত তেওঁ প্ৰকাশ কৰিছে যে ঔপনিৱেশিকতাবাদৰ বিপৰীতে সাম্ৰাজ্যবাদৰ বৰ্তমান মুখ্য কাৰক হৈছে নব্য-ঔপনিৱেশিকতাবাদ।
- অৰ্থনৈতিকভাৱে উন্নত দেশসমূহৰ ওপৰত নিৰ্ভৰশীল হোৱা বাবে, উন্নয়নশীল আৰু অনুন্নত দেশসমূহ নিজৰ অৰ্থনৈতিক কাৰ্যকলাপ স্বাধীনভাৱে পৰিচালনা কৰিব পৰা স্থিতিত নাথাকে। নিজৰ অৰ্থনৈতিক আঁচনিবোৰ যুগুত কৰোঁতে আৰু কাৰ্যকৰী কৰোঁতে এই দেশসমূহ উন্নত দেশৰ দ্বাৰা প্ৰভাৱিত আৰু পৰিচালিত হয়। লগতে ইয়াকো যুক্তি দৰ্শোৱা হয় যে, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (International Monetary Fund), বিশ্ব বেংক (World Bank) আৰু বিশ্ব বাণিজ্য সংস্থা (World Trade Organization) আদিৰ দৰে আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানসমূহ নব্য-ঔপনিৱেশিকতাবাদৰ প্ৰভাৱ বৃদ্ধিৰ ক্ষেত্ৰত দায়বদ্ধ।
- অৰ্থনৈতিক নিয়ন্ত্ৰণ কাৰ্যকৰী কৰি, উন্নত দেশবোৰে চৰকাৰী যন্ত্ৰৰ ওপৰত নিয়ন্ত্ৰণ আহৰণ কৰিবলৈ চেষ্টা কৰে। এনেদৰেই উন্নয়নশীল দেশসমূহৰ সাৰ্বভৌমত্ব আঘাতপ্ৰাপ্ত হয়।
- ধনী দেশসমূহে বহু-দেশীয় প্ৰতিষ্ঠান (Multi-National Corporations-MNCs)সমূহৰ যোগেদি উন্নয়নশীল দেশসমূহৰ ৰাজনীতি তথা অৰ্থনীতিৰ ওপৰত নিয়ন্ত্ৰণ চলাব বিচাৰিছে। এনে প্ৰতিষ্ঠানসমূহৰ সৰহভাগৰেই মুখ্য কাৰ্যালয় উন্নত দেশসমূহত প্ৰতিষ্ঠিত। উদাহৰণস্বৰূপে, বহুতো অনুন্নত ৰাষ্ট্ৰত, বহু-দেশীয় পেট্ৰ'লিয়াম আৰু খনি কোম্পানীসমূহে নিজৰ সম্পদ আহৰণৰ ক্ষেত্ৰত একছত্ৰীতা চলায়।
- উন্নত দেশসমূহে অধিক শক্তিৰ প্ৰয়োগ কৰা, প্ৰদূষণ সৃষ্টি কৰা আৰু উন্নয়নশীল দেশসমূহত উপলব্ধ বৃহৎ শ্ৰম শক্তিৰ ব্যৱহাৰ কৰা উদ্যোগসমূহে হস্তান্তৰ কৰিবলৈ চেষ্টা কৰিছে বুলিও যুক্তি দৰ্শোৱা হয়।
- উন্নত দেশসমূহৰ বজাৰত অনুন্নত দেশৰ উৎপাদিত সামগ্ৰীৰ প্ৰৱেশ যথেষ্ট পৰিমাণে সীমিত কৰা হৈছে। উন্নত দেশসমূহে অনুন্নত দেশৰ বাবে নিজৰ বজাৰ মুকলি কৰি নিদিয়ে আৰু অনুন্নত দেশৰ উৎপাদিত সামগ্ৰীৰ ওপৰত বহুতো শুল্ক আৰু বাণিজ্য সীমাবদ্ধতা আৰোপ কৰাৰ উপৰি কম মূল্য পৰিশোধ কৰে। আনহাতে, উন্নত দেশসমূহে চাপ প্ৰয়োগ কৰে যাতে অনুন্নত দেশৰ বজাৰসমূহ অতি সীমিত সীমাবদ্ধতাৰে উন্নত দেশৰ সামগ্ৰীৰ বাবে মুকলি হৈ থাকক।
- নব্য-ঔপনিৱেশিকতাবাদৰ পৰিপ্ৰেক্ষিতত উল্লেখযোগ্য দুই শ্ৰেণীৰ ৰাষ্ট্ৰ হৈছে অৰ্থনৈতিক নিৰ্ভৰশীল ৰাষ্ট্ৰ আৰু উপগ্ৰহ ৰাষ্ট্ৰ ।

- অৰ্থনৈতিক অসামঞ্জস্য আৰু বাণিজ্যিক গাঁথনিৰ অসমতাৰ বাবে উন্নত আৰু অনুন্নত দেশসমূহৰ মাজত এক বৃহৎ ব্যৱধানে দেখা দিছিল। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত, ১৯৭৩ চনৰ ছেপ্টেম্বৰ মাহত আল্‌জিয়াৰছত অনুষ্ঠিত হোৱা গোষ্ঠী-নিৰপেক্ষ আন্দোলন (Non-Aligned Movement-NAM) সন্মিলত উন্নয়নশীল আৰু অনুন্নত দেশসমূহে এক নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থা (New International Economic Order-NIEO)ৰ বাবে প্ৰস্তাৱ আগবঢ়াইছিল।
- নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থাৰ কাৰ্যসূচীৰ সম্পূৰ্ণ কাৰ্যকৰীকৰণে উন্নত তথা উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ মাজত এক অধিক নিৰপেক্ষ তথা শুদ্ধ সম্পৰ্ক স্থাপন কৰিব বুলি যুক্তি দৰ্শোৱা হয়।



১৪.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ; নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল। (২০১২)। *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ। (২০০৫)। *আন্তৰ্জাতিক আইন আৰু কূটনীতি*।গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash, & Arora, Prem. *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

2) Malhotra , Vinay Kumar (2006). *International Relations*.New Delhi:Anmol Publications Pvt.Ltd.

3) Ghai, K.K. (2005) *International Relations – Theory and Practice*.New Delhi :Kalyani Publishers.



১৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কোৱামে ক্ৰমা

২ নং প্ৰশ্নৰ উত্তৰ ঃ ধনী দেশসমূহে বহু-দেশীয় প্ৰতিষ্ঠানসমূহৰ যোগেদি উন্নয়নশীল দেশসমূহৰ ৰাজনীতি তথা অৰ্থনীতিৰ ওপৰত নিয়ন্ত্ৰণ চলাব বিচাৰে। তেওঁলোক অনুন্নত দেশৰ পৰা পাব পৰা কম মূল্যত উপলব্ধ কেঁচা সামগ্ৰী আৰু শ্ৰম শক্তিৰ প্ৰতি

আগ্রহী। বহু-দেশীয় প্রতিষ্ঠানসমূহৰ কার্যকলাপ কেৱল অর্থনৈতিক ক্ষেত্রতে সীমাবদ্ধ নহয়। নিজৰ বিত্তীয় শক্তিৰ জৰিয়তে তেওঁলোকে উন্নয়নশীল দেশসমূহৰ ৰাজনৈতিক দলসমূহক পুঁজিৰ যোগান ধৰি আৰু চৰকাৰক প্রভাৱান্বিত কৰি ৰাজনৈতিক ক্ষেত্রখনতো প্রভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ উপগ্রহ ৰাষ্ট্রসমূহ সাধাৰণতে মুক্ত আৰু স্বাধীন। কিন্তু প্রকৃততে সকলো ব্যৱহাৰিক কার্যৰ বাবে তেওঁলোক এক মহাশক্তিৰ প্রভাৱৰ চাপত থাকে। উদাহৰণস্বৰূপে, শীতল যুদ্ধৰ সময়ছোৱাত, ছোভিয়েট ইউনিয়নে নিজৰ প্রভাৱৰ ক্ষেত্র বৃদ্ধি কৰিবলৈ মধ্য আৰু পূব ইউৰোপত উপগ্রহ ৰাষ্ট্র সৃষ্টি কৰিছিল। একেদৰে, উত্তৰ কোৰিয়া ছোভিয়েট ইউনিয়নৰ প্রভাৱত পৰিছিল। এই নিয়ন্ত্রক শক্তিসমূহে উপগ্রহ ৰাষ্ট্রৰ প্রায় সকলোবোৰ ৰাষ্ট্রীয় উদ্যোগৰ ওপৰত সম্পূর্ণ কর্তৃত্ব বহন কৰাৰ উপৰি সামৰিক ঘাটি স্থাপনকে ধৰি প্রত্যক্ষ প্রভাৱ বিস্তাৰ কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৫ নং প্রশ্নৰ উত্তৰ ঃ

ক) জি-৭৭ দেশসমূহে নিজৰ ৰপ্তানি উদ্যোগৰ ওপৰত নিয়ন্ত্রণ বৃদ্ধি কৰা।

খ) উন্নয়নশীল দেশসমূহে নিজৰ সীমাৰ ভিতৰত কার্যৰত বহু-দেশীয় প্রতিষ্ঠানসমূহৰ কার্য নির্দেশনা আৰু নিয়ন্ত্রণ কৰা।

৬ নং প্রশ্নৰ উত্তৰ ঃ

ক) উপ-আঞ্চলিক, আঞ্চলিক আৰু আন্তঃৰাষ্ট্রীয় সহযোগিতাৰ অধিকাৰ।

খ) বাণিজ্যৰ নিৰপেক্ষ চর্ত।



১৪.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ 'নব্য-ঔপনিৱেশিকতাবাদ' সম্পর্কে লিখা কোৱামে ক্রমাৰ গ্রন্থখনৰ নাম লিখক ।

প্রশ্ন ২ ঃ ৰাষ্ট্রসংঘৰ সাধাৰণ সভাৰ কোনখন বিশেষ অধিৱেশনত এক নতুন আন্তঃৰাষ্ট্রীয় অর্থনৈতিক অৱস্থা স্থাপন কৰিবলৈ প্রস্তাৱ লোৱা হৈছিল ?

প্রশ্ন ৩ ঃ UNTACD ৰ সম্পূর্ণ অর্থ কি ?

(খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নতুন আন্তঃৰাষ্ট্রীয় অর্থনৈতিক অৱস্থাৰ সূচনা সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ নতুন আন্তঃৰাষ্ট্রীয় অর্থনৈতিক অৱস্থাৰ কর্মসূচী বর্ণনা কৰক।

প্ৰশ্ন ৩ ঃ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গ্ৰহণ কৰা নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থাৰ কৰ্মসূচীত উল্লিখিত অৰ্থনৈতিক অধিকাৰ আৰু কৰ্তব্যৰ চনদখন বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থাৰ সফলতাৰ মূল্যায়ন কৰক।

প্ৰশ্ন ৫ ঃ তলত দিয়াবোৰ চমুটোকা লিখক ঃ

ক) অৰ্থনৈতিক নিৰ্ভৰশীল ৰাষ্ট্ৰ খ) উপগ্ৰহ ৰাষ্ট্ৰ।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নব্য-ঔপনিৱেশিকতাবাদৰ অৰ্থ আৰু বিভিন্ন দিশসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অৱস্থা সম্পৰ্কে আলোচনা কৰক।

* * * * *



প্ৰসঙ্গ পুথি

কিতাপ ঃ

1. Appadorai, A., & Rajan, M. S. *India's Foreign Policy and Relations*. New Delhi: South Asian Publishers
2. Baneerjee, Dipankar (ed.) (2002). *SAARC in the Twenty- First Century: Towards a Cooperative Future*. New Delhi: India Research Press.
3. Basu, Rumki. (2004) *The United Nations: The Structure and Functions of an International Organisation*. New Delhi: Sterling Publishing.
4. Chander, Prakash & Arora, Prem: *Comparative Politics and International Relations*. New Delhi: Cosmos Bookhive(P)Ltd.
5. Dhar, S.N. *International Relations and World Politics since 1919*. New Delhi: Kalyani Publishers
6. Ghai, K.K. (2005): *International Relations – Theory and Practice*. New Delhi: Kalyani Publishers
7. Goldstein, Joshua S.(2007). *International Relations(sixth edition).* New Delhi: Pearson Education.
8. Kumar, Mahendra (1998). *Theoretical Aspects of International Politics*. New Delhi: Shiva Lal Agarwal & Company.
9. Malhotra, Vinay Kumar (2006). *International Relations*. New Delhi: Anmol Publications Pvt.Ltd.
10. Pruthi,R.K (2006). *International Relations – Since 1919*, New Delhi: Mohit Publications.
11. Srivastava, Dr. L.S. & Joshi, Dr. V.P. *International Relations*. Goel Publishing House.

ৱেবছাইট্ ঃ

http://europa.eu

www.un.org

www.saarc-sec.org

অসমীয়া কিতাপ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ; নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২); *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি;* গুৱাহাটী, অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ (২০০৫); *আন্তৰ্জাতিক আইন আৰু কূটনীতি;* গুৱাহাটী, বনলতা।